www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যিমান পাৰা সিমান আগবাঢ়ি গৈ থাকা এয়েই ঈশ্বৰৰ বাণী।
— ড° বাণীকান্ত কাকতি

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❑ প্ৰথম বছৰ ❑ সংখ্যা- ২৯৩ ❑ বুধবাৰ ❑ ০২ ছেপ্টেম্বৰ, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 293 ❑ Wednesday ❑ 02nd September, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-8

### ব্ৰিকছ সন্মিলনৰ পূৰ্বে শান্তি-শৃংখলা ৰক্ষাৰ স্বাৰ্থত চৰকাৰৰ আদালতীয় আবেদন

# ৫ ছেপ্টেম্বৰৰ চিজেপিৰ প্ৰতিবাদ সমদল বাতিল

### উচ্চতম ন্যায়ালয়ত চলি থকা শুনানিক লৈ চিজেপিৰ সিদ্ধান্ত

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ ছেপ্টেম্বৰ ঃ** ক'কৰোচ্ছ জনতা পাৰ্টীয়ে (চিজেপি) ৫ ছেপ্টেম্বৰত দিল্লীত অনুষ্ঠিত কৰিবলগীয়া প্ৰতিবাদ সমদল মঙলবাৰে বাতিল কৰাৰ ঘোষণা কৰে। চিজেপিৰ নেতা সৌৰভ দাসে এই ঘোষণা কৰি কয় যে ন্যায়ালয়ত প্ৰতিবাদ সম্পৰ্কীয় বিষয়টো চলি থকা বাবেই তেওঁলোকে এই সিদ্ধান্ত ল'বলগীয়া হৈছে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে দিয়া প্ৰতিশ্ৰুতিসমূহ পালন নকৰাৰ অভিযোগ উত্থাপন কৰি ৫ ছেপ্টেম্বৰত বৃহৎ প্ৰতিবাদ কাৰ্যক্ৰম আয়োজন কৰাৰ কথা আগতে ঘোষণা কৰিছিল চিজেপিয়ে। ইয়াৰ পূৰ্বে সোমবাৰে ১২-১৩ ছেপ্টেম্বৰত দিল্লীত অনুষ্ঠিত হ'বলগীয়া ব্ৰিকছ সন্মিলনৰ প্ৰতি লক্ষ্য ৰাখি বৃহৎ শোভাযাত্ৰা আৰু বিক্ষোভৰ অনুমতি দিয়া উচিত নহয় ❑ ৬ পৃষ্ঠাত



## দেৰগাঁৱত মুখ্যমন্ত্ৰী ঃ লাচিত বৰফুকন আৰক্ষী একাডেমীত জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সন্মিলনত ল'ব অংশ



**অসম বাৰ্তা, দেৰগাঁও, ১ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১, ২ আৰু ৩ ছেপ্টেম্বৰত দেৰগাঁৱত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ আগমনক কেন্দ্ৰ কৰি দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমী (LBPA) আৰু ঐতিহাসিক নেঘেৰিটিং শিৱদৌলত ব্যাপক প্ৰস্তুতি চলিছে। প্ৰাপ্ত কাৰ্যসূচী অনুসৰি,২ ছেপ্টেম্বৰৰ পুৱা প্ৰায় ৮Ê ৩০ বজাৰ পৰা লাচিত বৰফুকন আৰক্ষী একাডেমী, দেৰগাঁৱত অনুষ্ঠিত হ'ব প্ৰশিক্ষণ সমাপ্তি কুচকাৱাজ (Passing Out Parade)। এই অনুষ্ঠানত ৩২ গৰাকী উপ-আৰক্ষী অধীক্ষক আৰু ৩৭১ গৰাকী কনিষ্টবল (যোগাযোগ)ৰ প্ৰশিক্ষণ সমাপ্তিৰ আনুষ্ঠানিকতা সম্পন্ন হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ❑ ৬ পৃষ্ঠাত

### ৬ ছেপ্টেম্বৰত অসমলৈ উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ

## গুৱাহাটী বিশ্ববিদ্যালয়, কলাক্ষেত্ৰ আৰু ৰাজভৱনত কাৰ্যসূচী



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ ছেপ্টেম্বৰ ঃ** ভাৰতৰ উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ অহা ৬ ছেপ্টেম্বৰত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আগমন কৰিব। ৬ ছেপ্টেম্বৰৰ পুৱা প্ৰায় ১০ বজাত তেওঁ গুৱাহাটীৰ বৰঝাৰ বিমানবন্দৰত উপস্থিত হ'ব। অসমত থকা প্ৰথম ❑ ৬ পৃষ্ঠাত

### বাক্সা-বৰপেটাত বানৰ বিভীষিকা ঃ প্ৰশাসনৰ হাই এলাৰ্ট

## ভূটানে পানী এৰাৰ পাছতেই বেকী নদীত কালৰূপ



**অসম বাৰ্তা, বৰপেটাৰোড, ১ ছেপ্টেম্বৰ ঃ** ভুটানৰ কুৰিশ্চু জলবিদ্যুৎ প্ৰকল্পৰ পৰা অতিৰিক্ত পানী এৰি দিয়াৰ ফলত নামনি অসমৰ বেকী নদীৰ জলপৃষ্ঠই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ধাৰাসাৰ পানীৰ আগমনে বৰপেটা আৰু বাক্সা জিলাৰ মাজেৰে বৈ যোৱা বেকী নদীৰ জলস্তৰ বিপদসীমাৰ ওপৰলৈ লৈ গৈছে, যাৰ ফলত নৈপৰীয়া ৰাইজৰ মাজত তীব্ৰ আতংকৰ সৃষ্টি হৈছে। জানিব পৰা মতে, কালি নিশাৰ ভাগত বেকী ❑ ৬ পৃষ্ঠাত

### সমষ্টিৰ বিলুপ্তিৰ পিছত অস্তিত্বৰ সংকটত আমগুৰি

## ১৯০৮ চনৰ ঐতিহ্য বহনকাৰী আমগুৰি থানাও হ'ব পাৰে দ্বি-খণ্ডিত




**অসম বাৰ্তা, চেলেংহাট, ১ ছেপ্টেম্বৰ ঃ** সমষ্টি পুনৰ্গঠন প্ৰক্ৰিয়াৰ পাছত শিৱসাগৰ জিলাৰ আমগুৰি অঞ্চলটো সকলোৰে বাবে ক্ৰমান্বয়ে এলাগী হৈ পৰিছে। এটা সময়ত বজাৰৰ লগতে কাৰ্যালয় কছাৰীয়ে পৰিপূৰ্ণ হৈ থকা আমগুৰি ক্ৰমশঃ নগৰৰ পৰা গাৱঁলৈ পৰ্যবসিত হোৱাৰ উপক্ৰম ঘটিছে। আমগুৰি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ এলেকা দ্বিখণ্ডিত কৰাৰ পাছত ❑ ৬ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ ৪ মাহৰ ধন মুকলি

### সদ্য স্নাতকসকলক মাহে ২৫০০ টকাকৈ সাহায্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰে মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ অধীনত সদ্য স্নাতকসকলক আৰ্থিক সহায় প্ৰদানৰ বাবে আজি ধন মুকলি কৰে। এই আঁচনিৰ অধীনত স্নাতক ডিগ্ৰী লাভ কৰা প্ৰত্যেকজন প্ৰাৰ্থীয়ে এবছৰলৈ প্ৰতিমাহে ২৫০০ টকাকৈ সাহায্য লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে আজি পোনপটীয়াভাৱে ৪ মাহৰ ধন একেলগে মুকলি কৰি দিয়ে, যাৰ ফলত প্ৰাৰ্থীসকলে মুঠ ১০, ০০০ টকা একেলগে পাব। চলিত বৰ্ষত মুঠ ১১৮.৬০ কোটি টকা ৪৮, ১৮৮ গৰাকী প্ৰাৰ্থীক বিতৰণ কৰা হ'ব ❑ ৬ পৃষ্ঠাত

## সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনক লক্ষ্য কৰি কংগ্ৰেছৰ সমন্বয় সমিতি গঠন

### শৈলেন সোণোৱাল উপদেষ্টা, পলি হাজৰিকা অধ্যক্ষ, প্ৰতীম সোণোৱাল সমন্বয়ক



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ ছেপ্টেম্বৰ ঃ** সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সমাগত নিৰ্বাচনৰ প্ৰতি ক্ষ্য ৰাখি অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ 'সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ ৰাজ্যিক সমন্বয়ৰক্ষী সমিতি' গঠন কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ অনুমোদনমৰ্মে ঘোষিত এই সমিতিখনত অভিজ্ঞ ৰাজনীতিবিদ শৈলেন সোণোৱালক উপদেষ্টা, পলি হাজৰিকাক ❑ ৬ পৃষ্ঠাত

### অফলামুখ ফেৰীঘাটত গভীৰ চাঞ্চল্য ঃ এছডিআৰএফৰ উদ্ধাৰ অভিযান

## ব্ৰহ্মপুত্ৰত সন্ধানহীন ১০৮ নৌকা এম্বুলেন্সৰ চালক



**অসম বাৰ্তা, উজনী মাজুলী, ১ ছেপ্টেম্বৰ ঃ** মাজুলীৰ অফলামুখ ফেৰী ঘাটত সোমবাৰে নিশা ব্ৰহ্মপুত্ৰৰ বুকুত ১০৮ নৌকা এম্বুলেন্সৰ চালক মাধৱ দাস (৪৫) সন্ধানহীন হোৱাৰ ঘটনাই সমগ্ৰ জিলাখনত গভীৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, সোমবাৰে নিশা প্ৰায় ৮Ê ৩০ বজাত নিমাতী ঘাটত এগৰাকী ৰোগীক সুৰক্ষিতভাৱে নমাই নৌকা এম্বুলেন্সখন মাজুলীৰ অফলামুখ ❑ ৬ পৃষ্ঠাত

## তিনিখন বানপীড়িত জিলালৈ ২৫ কোটি টকা অসম চৰকাৰৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১ ছেপ্টেম্বৰ ঃ** চলিত বৰ্ষত অসমৰ তিনিখন জিলাত সংঘটিত ভয়াৱহ বানপানীৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালবোৰলৈ ৰাজ্য চৰকাৰে অন্তৰ্বৰ্তীকালীন সাহায্য হিচাপে মুঠ ২৫.১২ কোটি টকা হস্তান্তৰ কৰিছে। মঙলবাৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব ❑ ৬ পৃষ্ঠাত

### বাস্তৱ আৰু আনুমাণিক জিডিপিৰ মাজত ২.৩% পাৰ্থক্য

## জিডিপি তথ্য মনসজা বুলি মোদী চৰকাৰক কংগ্ৰেছৰ সমালোচনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ ছেপ্টেম্বৰ ঃ** ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত ভাৰতৰ জিডিপি ৭.৮' বৃদ্ধি হোৱা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিত্তমন্ত্ৰীয়ে একেযোগে ঘোষণা কৰাৰ প্ৰতিবাদত কংগ্ৰেছ সাংসদ জয়ৰাম ৰমেশে একেযোগে তীব্ৰ সমালোচনা কৰে। ৰমেশে দাবী কৰে যে চৰকাৰে প্ৰকাশ কৰা জিডিপিৰ তথ্যত বাস্তৱ ❑ ৬ পৃষ্ঠাত

## গুৱাহাটীত ভূমিস্খলন আৰু কৃত্ৰিম বানপানীৰ তাণ্ডৱত চাৰিজনৰ মৃত্যু

### মুষলধাৰ বৰষুণত জীৱন স্তব্ধ; নিষ্কাশন ব্যৱস্থাৰ অভাৱত ক্ষোভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ ছেপ্টেম্বৰ ঃ** অতিৰিক্ত বৰষুণ আৰু জনবসতিৰ চাপত গুৱাহাটী মহানগৰী পুনৰ কৃত্ৰিম বানপানীৰ কবলত পৰিছে। সোমবাৰে নিশাৰ পৰা হোৱা মুষলধাৰ বৰষুণৰ ফলত একাধিক অঞ্চলত হোৱা বানপানীৰ লগতে ভূমিস্খলনৰ দুটা ঘটনাত প্ৰাণ হেৰুৱালে চাৰিগৰাকী ব্যক্তিয়ে। মঙলবাৰে পুৱা প্ৰায় ৮ বজাত মঠঘৰীয়াৰ লক্ষ্মী মন্দিৰ সংলগ্ন অঞ্চলত ❑ ৬ পৃষ্ঠাত



## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লোকসেৱা ভৱনত আৰ্থিক সাহায্য বিতৰণ

## তিনিখন বানপীড়িত জিলালৈ ২৫ কোটি টকা অসম চৰকাৰৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১ ছেপ্টেম্বৰ ঃ** চলিত বৰ্ষত অসমৰ তিনিখন জিলাত সংঘটিত ভয়াৱহ বানপানীৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালবোৰলৈ ৰাজ্য চৰকাৰে অন্তৰ্বৰ্তীকালীন সাহায্য হিচাপে মুঠ ২৫.১২ কোটি টকা হস্তান্তৰ কৰিছে। মঙলবাৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰি কয় যে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ প্ৰতিটো বানাক্ৰান্ত পৰিয়ালে ৰপ্ত হাজাৰ টকাকৈ লাভ কৰিছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰেৰণ কৰা এক পোষ্টত উল্লেখ কৰা মতে, নাগৰিকৰ কল্যাণ আৰু যুৱক- ❑ ৬ পৃষ্ঠাত

## মৃতকৰ সংখ্যা ১০০৩লৈ বৃদ্ধি; এটা ঘৰৰ পৰা উদ্ধাৰ ২৪টা মৃতদেহ

### নেপালৰ বানপানীত বৰ্তমানেও নিখোঁজ ৪ সহস্ৰাধিক লোক



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ ছেপ্টেম্বৰ ঃ** বিগত ২৬ আগষ্টত নেপালত সংঘটিত আকস্মিক বানপানীৰ পিছত মঙলবাৰে সপ্তমটো দিন, আৰু উদ্ধাৰকাৰী দলসমূহে অনুসন্ধান আৰু উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। এতিয়ালৈকে পোৱা তথ্য অনুসৰি এই বানপানীৰ ফলত ১০০৩ জনতকৈ অধিক লোকৰ মৃত্যু নিশ্চিত হৈছে, আনহাতে প্ৰায় ৪ হাজাৰ লোক এতিয়াও সন্ধানহীন হৈ আছে। বিভাগীয় কৰ্তৃপক্ষৰ ❑ ৭ পৃষ্ঠাত

### আইআইটি গুৱাহাটীৰ বিশেষজ্ঞ দলৰ লগত লোকসেৱা ভৱনত আলোচনা

## কৃত্ৰিম বানমুক্ত গুৱাহাটী গঢ়াৰ প্ৰতিশ্ৰুতি ! মন্ত্ৰী কৌশিক ৰায়ৰ বিশেষ বৈঠক



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ ছেপ্টেম্বৰ ঃ** এজাক বৰষুণ দিলেই গুৱাহাটী মহানগৰী মহাসাগৰ সদৃশ হৈ পৰা এই সমস্যা নতুন নহয় যদিও ৰাজ্য চৰকাৰে এই কৃত্ৰিম বানৰ পৰা মহানগৰীখন মুক্ত কৰাৰ বাবে এক উচ্চাভিলাষী পৰিকল্পনা হাতত লৈছে। মঙলবাৰে লোকসেৱা ভৱনত অনুষ্ঠিত এক বিশেষ বৈঠকত মন্ত্ৰী কৌশিক ৰায়ৰ নেতৃত্বত গুৱাহাটী মহানগৰীৰ ভিন্ন প্ৰান্তত হোৱা কৃত্ৰিম বান আৰু ৰাষ্ট্ৰীয় ঘাইপথত হোৱা বানপানী সমস্যা সম্পৰ্কে গভীৰভাৱে আলোচনা কৰা হয়। এই বৈঠকত আইআইটি গুৱাহাটীৰ এটা বিশেষজ্ঞ দল, গৃহ নিৰ্মাণ আৰু ❑ ৬ পৃষ্ঠাত

### ক্ষতিপূৰণৰ পৰিমাণ 'হাস্যকৰ' বুলি অভিযোগ; কংগ্ৰেছক 'গেলা আৰু ভ্ৰষ্টাচাৰী' আখ্যা

## অসমৰ দুৰ্যোগ সাহায্য নিয়মৰ বিৰুদ্ধে অখিল গগৈৰ তীব্ৰ ক্ষোভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ দুৰ্যোগ পীড়িত লোকসকলক প্ৰদান কৰা অতি কম পৰিমাণৰ সাহায্য আৰু ক্ষতিপূৰণৰ নিয়মক লৈ শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে সংবাদমেল সম্বোধন কৰি ৰাজ্য চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰিছে। ৰাজ্যৰ দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণৰ (ASDMA) পুৰণি ৰিলিফ মেনুৱেল সলনি ❑ ৬ পৃষ্ঠাত

## আফগানিস্তানৰ বিৰুদ্ধে টি-২০ শৃংখলাৰ বাবে ভাৰতীয় দল ঘোষণা

### নেতৃত্বত শ্ৰেয়াছ আয়াৰ, সঞ্জু-বৈভৱৰ প্ৰত্যাৱৰ্তন



**নিউজ ডেস্ক, অসম বাৰ্তা, ১ ছেপ্টেম্বৰ ঃ** আফগানিস্তানৰ বিৰুদ্ধে আগন্তুক তিনিখনীয়া টি-২০ শৃংখলাৰ বাবে ভাৰতীয় ক্ৰিকেট দল ঘোষণা কৰা হৈছে। শ্ৰেয়াছ আয়াৰৰ নেতৃত্বত গঢ়া ১৫ জনীয়া এই দললৈ প্ৰত্যাৱৰ্তন ঘটিছে অভিজ্ঞ উইকেটকীপাৰ বেটছমেন সঞ্জু ছেমছনৰ, লগতে যুৱ প্ৰতিভা বৈভৱ সূৰ্যবংশীয়েও পুনৰ দলত স্থান লাভ কৰিছে। তিলক বাৰ্মাক সহ-অধিনায়ক হিচাপে নিযুক্তি দিয়া হৈছে, যাৰ ফলত দলটোত যুৱ আৰু অভিজ্ঞ খেলুৱৈৰ এক সুন্দৰ সংমিশ্ৰণ ঘটিছে। উল্লেখযোগ্য ❑ ৬পৃষ্ঠাত

### ২৬ ছেপ্টেম্বৰৰ পৰা বেংগালুৰু আৰু কলকাতাত ত্ৰিদেশীয় টুৰ্নামেণ্ট

## ব্ৰাজিল, উৰুগুৱে আৰু পানামাৰ বিৰুদ্ধে ভাৰতীয় ফুটবল দল ঘোষণা



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ ছেপ্টেম্বৰ ঃ** ক্ৰিকেটৰ উন্মাদনাৰ সমান্তৰালকৈ ভাৰতত ফুটবলৰ প্ৰতি এখন নতুন ঢৌই গতি লাভ কৰিছে, কাৰণ শীঘ্ৰেই তিনিটা আগশাৰী আন্তঃৰাষ্ট্ৰীয় ফুটবল দল ভাৰত ভ্ৰমণলৈ আহি দেশীয় দলৰ বিৰুদ্ধে মেচত অংশগ্ৰহণ কৰিব। ২৬ ছেপ্টেম্বৰৰ পৰা ভাৰতত আৰম্ভ হ'বলগীয়া ত্ৰিদেশীয় আন্তঃৰাষ্ট্ৰীয় বন্ধুত্বমূলক ❑ ৬ পৃষ্ঠাত

### মাজুলীৰ ৩৩খন সত্ৰ, চাৰি শতাধিক নামঘৰত তিথি উদ্‌যাপন

## দ্বিতীয় বৈকুণ্ঠপুৰিলৈ পৰিণত সত্ৰভূমি মাজুলী

### মহাপুৰুষ মাধৱদেৱৰ ৪৩০ সংখ্যক তিৰোভাৱ তিথিত খোল তাল, বৰগীত, নাম-প্ৰসংগৰে মুখৰিত আকাশ-বতাহ

**অসম বাৰ্তা, উজনী মাজুলী, ১ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ মাধৱদেৱ যাক শ্ৰীমন্ত শংকৰদেৱে বঢ়াৰ পো বুলি সম্বোধন কৰিছিল সেইজনা অৱতাৰী মহাপুৰুষৰ আজি ৪৩০ সংখ্যক তিৰোভাৱ তিথি সমগ্ৰ অসমৰ নামঘৰ, সত্ৰ তথা ঠাই বিশেষে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আধ্যাত্মিক পৰিৱেশৰ মাজেৰে বৈষ্ণৱ ধৰ্মীয় পৰম্পৰা অনুসৰি উদযাপন কৰে। সমান্তৰালভাৱে সত্ৰ সংস্কৃতিৰ পীঠ স্থান, এটকা মহত্তৰ থলী, শংকৰ-মাধৱৰ মনিকাঞ্চন সংযোগ স্থলী মাজুলীৰো সত্ৰ, নামঘৰত মাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰিছে। পহিলা ভাদৰ পৰাই ভক্তি ৰসৰ নিজৰা বৈ থকা মাজুলীত মাধৱদেৱৰ তিথি উপলক্ষে যেন দ্বিতীয় বৈকুণ্ঠপুৰিলৈ পৰিণত হৈছে। মাজুলীৰ প্ৰতিখন সত্ৰৰ ভকত বৈষ্ণৱে মহাপুৰুষ মাধৱদেৱক যথা ৰীতি অনুসৰি স্মৰণ কৰিছে। একপ্ৰকাৰে যেন গুৰু বন্দনাৰে মাজুলীৰ আকাশ বতাহ মুখৰিত হোৱাৰ এক পৰিৱেশ সূচনা হৈছে। ❑ ৬ পৃষ্ঠাত



ভট্টদেৱ বিশ্ববিদ্যালয়ৰ কৃষানু-ভাৰ্গৱৰ যুটীৰ শ্ৰেষ্ঠত্ব

# দেৰগাঁৱত 'দৌৰ'ৰ সদৌ অসম কুইজ প্ৰতিযোগিতা



**অসম বাৰ্তা, দেৰগাঁও, ১ ছেপ্তেম্বৰ ঃ** জ্ঞান, বুদ্ধিমত্তা আৰু তাংক্ষণিক উত্তৰৰ এক ৰোমাঞ্চকৰ যুঁজৰ মাজেৰে দেৰগাঁৱত সফলতাৰে সম্পন্ন হ'ল সদৌ অসম ভিত্তিক কুইজ প্ৰতিযোগিতা। গোলাঘাট জিলাৰ আগশাৰীৰ বেচৰকাৰী সংগঠন 'দৌৰ—এক প্ৰগতিশীল লক্ষ্যৰ দিশে'ৰ উদ্যোগত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ হৰকান্ত মহন্ত প্ৰেক্ষাগৃহত অনুষ্ঠিত এই কুইজ প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ শিক্ষানুষ্ঠানৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। বিশিষ্ট কুইজ মাষ্টাৰ তথা 'দৈনিক অসম' কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক দিপাংকৰ কৌশিকে পৰিচালনা কৰা প্ৰতিযোগিতাখনে উপস্থিত দৰ্শকৰ মাজতো ব্যাপক উৎসাহৰ সৃষ্টি কৰে। প্ৰতিযোগিতাৰ বিভিন্ন পৰ্যায়ত প্ৰতিযোগীসকলে নিজৰ জ্ঞান, উপস্থিত বুদ্ধি আৰু তীক্ষ্ণ বিশ্লেষণ ক্ষমতাৰ পৰিচয় দাঙি ধৰে। প্ৰতিযোগিতাৰ অন্তিম পৰ্যায়ত চমকপ্ৰদ প্ৰদৰ্শনেৰে বজালিৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ কৃষানু কাশ্যপ বিশ্বপতি আৰু ভাৰ্গৱ ভূষণ বিশ্বপতিৰ যুটীয়ে শ্ৰেষ্ঠত্ব অৰ্জন কৰি প্ৰথম স্থান লাভ কৰে। যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অনুপম দেৱচৌধুৰী আৰু অৰ্ণববাজ দাসৰ দলে দ্বিতীয় স্থান, মহাৰ্ণৱ কাশ্যপ (জেইচি) আৰু মানস জ্যোতি বৈশ্য (তেজপুৰ বিশ্ববিদ্যালয়)ৰ যুটীয়ে তৃতীয় স্থান লাভ কৰে। আনহাতে, কৌস্তভ বৰগোহাঁই (জেইচি) আৰু পূৰ্বাহ্ণ বৰা (ডিব্ৰুগড় বিশ্ববিদ্যালয়)ৰ যুটীয়ে চতুৰ্থ স্থান, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাৰ্থপ্ৰতিম ভৰলুৱা আৰু নেৰিম আইন কলেজৰ নিশিকেষ পৰাশৰৰ দলে পঞ্চম স্থান আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ কৃষাণ জ্যোতি কলিতা আৰু নলবাৰী কলেজৰ বনদ্বীপ শৰ্মাৰ দলে ষষ্ঠ স্থান লাভ কৰে। দৰ্শকৰ মাজৰ পৰাও শ্ৰেষ্ঠ প্ৰতিভা নিৰ্বাচন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উজ্জ্বল মণি তালুকদাৰ আৰু এল টি কে কলেজৰ প্ৰণৱ জ্যোতি গগৈয়ে 'শ্ৰেষ্ঠ দৰ্শক'ৰ বঁটা লাভ কৰে। প্ৰতিযোগিতাৰ সফল সামৰণিৰ পাছত প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি ডঃ ক্ষীৰেশ্বৰ লয়িঙৰ সভাপতিত্বত অনুষ্ঠিত হয় বঁটা বিতৰণী সভা। সভাত বিজয়ী প্ৰতিযোগীসকলক নগদ ধনসহ বিভিন্ন পুৰস্কাৰেৰে সন্মানিত কৰা হয়। সংগঠনটোৰ সাধাৰণ সম্পাদক জিসান জংগম বৰাই আঁত ধৰা বঁটা বিতৰণী সভাত কুইজ মাষ্টাৰ দিপাংকৰ কৌশিক, ডি কে ডি কলেজৰ উপাধ্যক্ষ বিক্ৰম জ্যোতি মহন্ত, প্ৰতিযোগিতাৰ মুখ্য তত্ত্বাৱধায়ক বিচিত্ৰ ভূষণ কলিতা, গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সম্পাদক প্ৰণৱ চক্ৰৱৰ্তী, দেৰগাঁও সাংবাদিক সংস্থাৰ সম্পাদক ইন্দুভূষণ মহন্ত, সমাজকৰ্মী বুবুল চন্দ্ৰ বৰা, ৰাজীৱ শৰ্মা, পলাশ বৰা, নয়ন হাজৰিকা, নেত্ৰজ্যোতি গগৈ হাজৰিকা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাখনত কুইজ মাষ্টাৰ দিপাংকৰ কৌশিকক তেওঁৰ কুইজ পৰিচালনাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে গোলাঘাট জিলা সাংবাদিক সংস্থাৰ নৱনিৰ্বাচিত সম্পাদক প্ৰণৱ চক্ৰৱৰ্তীকো সম্বৰ্ধনা জনোৱা হয়। একেদৰে প্ৰতিযোগিতাৰ বঁটাৰ দাতাসকলকো উদ্যোক্তাসকলৰ তৰফৰ পৰা সন্মান জনোৱা হয়। উল্লেখযোগ্য যে, 'দৌৰ—এক প্ৰগতিশীল লক্ষ্যৰ দিশে'ৰ এই উদ্যোগে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জ্ঞানচৰ্চা, প্ৰতিযোগিতামূলক মানসিকতা আৰু বৌদ্ধিক বিকাশৰ পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত এক ইতিবাচক পদক্ষেপ হিচাপে বিবেচিত হৈছে।

# বোকাখাতত ভয়ংকৰ অগ্নিকাণ্ড

## ফটকা আৰু চিলিণ্ডাৰৰ বিস্ফোৰণত জাহ গ'ল কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠান, বাসগৃহ

**অসম বাৰ্তা, নুমলীগড়, ১ ছেপ্তেম্বৰ ঃ** গোলাঘাট জিলাৰ বোকাখাতৰ মুল চহৰৰ চৰকাৰী বাচ আস্থানৰ সমীপত বোকাখাত পৌৰসভাৰ ৪নং ৱাৰ্ডস্থিত চাৰিকা ষ্ট'ৰত সংঘটিত হোৱা বিধ্বংসী অগ্নিকাণ্ডৰ ফলত সোমবাৰে এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে কেইবাখনো দোকান আৰু এটা বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ফলত অঞ্চলটোত ব্যাপক আতংকৰ সৃষ্টি হয়। প্ৰাপ্ত তথ্য অনুসৰি, বোকাখাতৰ ব্যৱসায়ী ৰিংকু নিমোদিয়াৰ ব্যৱসায়িক প্ৰতিষ্ঠানত মজুত কৰি ৰখা ফটকাৰ গুদামৰ পৰা অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ কৰা হৈছে। প্ৰাথমিকভাৱে বৈদ্যুতিক বিজুতিৰ ফলতে জুইৰ সূত্ৰপাত হোৱাৰ সন্দেহ প্ৰকাশ কৰা হৈছে যদিও অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ তদন্তৰ পিছতহে স্পষ্ট হ'ব। অগ্নিকাণ্ডৰ জুই কাষতে থকা ব্যৱসায়িক চিলিণ্ডাৰ মজুত কৰা গুদামলৈ বিয়পি পৰাত পৰিস্থিতি অধিক ভয়ংকৰ হৈ পৰে। মজুত থকা চিলিণ্ডাৰসমূহৰ বিস্ফোৰণৰ ফলত জুই দ্ৰুতগতিত চৌদিশে বিয়পি পৰে। ইয়াৰ ফলত ৰিংকু নিমোদিয়াৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বাসগৃহৰ উপৰি কাষৰ ইলেক্ট্ৰিকেল সামগ্ৰীৰ দোকান, গেলামালৰ দোকান, হোটেলসহ আন কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠান অগ্নিকাণ্ডত জাহ যায়। স্থানীয় লোকৰ অভিযোগ অনুসৰি, অগ্নিকাণ্ড সংঘটিত হোৱাৰ পিছত বোকাখাতৰ অগ্নিনিৰ্বাপক বাহিনীৰ সহায় পোৱাত পলম হয়। লগতে অগ্নিনিৰ্বাপক বাহনৰ পানী আৰু অন্যান্য ব্যৱস্থাক লৈও স্থানীয় ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰিছে। যিহেতু অগ্নিকাণ্ড ৭১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ একেবাৰেই সংলগ্ন সেয়েহে প্ৰশাসনে উজনি নামনি যাতায়তৰ কাৰণে তাংক্ষণিক ভাৱে বিকল্প পথৰ জৰুৰীকালীন জাননী জাৰী কৰে। যোৰহাট আৰু গোলাঘাট দিশৰ পৰা অহা বাহন সমূহ নাহৰজান তিনিআলিৰ বাওঁ ফালৰ পথেৰে অতিক্ৰম কৰি কাকচাং হৈ বোকাখাত চাৰিআলিৰ পুলিচ পইণ্টৰ পথ ব্যৱহাৰ কৰি পাৰ হোৱা আৰু কলিয়াবৰ, নগাওঁ আৰু গুৱাহাটী দিশৰ পৰা অহা গাড়ী সমূহ বোকাখাত চাৰিআলিৰ পুলিচ পইণ্টৰ বাওঁফালে থকা চিকন আতা থানৰ পথেৰে অতিক্ৰম কৰি শনি মন্দিৰ পথেৰে গৈ ৰাষ্ট্ৰীয় ঘাই পথত পুনৰ ওলাবলৈ আহ্বান জনাই অগ্নি নিৰ্বাপনৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথৰ যানবাহনৰ যাতায়ত সাময়িক ভাৱে সালসলনি কৰে। ইফালে, অগ্নিকাণ্ডৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় প্ৰশাসনে তৎপৰতা গ্ৰহণ কৰি উপযুক্ত নুমলীগড় শোধনাগাৰ, দেৰগাঁও, গোলাঘাট আৰু কলিয়াবৰৰ পৰা অগ্নিনিৰ্বাপক বাহন ঘটনাস্থলীলৈ অনাৰ ব্যৱস্থা কৰে। কেইবাখনো অগ্নিনিৰ্বাপক বাহনৰ সহযোগত দীৰ্ঘ সময়ৰ প্ৰচেষ্টাৰ অন্তত জুই নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ সময়ত স্থানীয় লোকসকলে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ পৰা যি যেনেকৈ পাৰে সামগ্ৰী বাহিৰলৈ উলিয়াবলৈ চেষ্টা কৰে। ইয়াৰ ফলত কিছু সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। অগ্নিকাণ্ডক কেন্দ্ৰ কৰি বোকাখাতৰ বিভিন্ন জাতীয় দল-সংগঠনে অগ্নিনিৰ্বাপক ব্যৱস্থাক লৈ উত্থাপিত অভিযোগৰ তদন্ত দাবী কৰিছে। অগ্নিকাণ্ডৰ ফলত ক্ষয়ক্ষতিৰ হিচাপ বাতৰি লিখা পৰ্যন্ত কোনো নিশ্চিত তথ্য লাভ কৰা হোৱা নাই। ইতিমধ্যে সামগ্ৰিক ঘটনাৰ এটা প্ৰশাসনিক তদন্ত আৰম্ভ কৰা হৈছে।

# মঃ মিছামৰা স্বাস্থ্য খণ্ড স্থানান্তৰক লৈ সৰ্বদলীয় সভাৰ আহ্বান

**অসম বাৰ্তা, দেৰগাঁও, ১ ছেপ্তেম্বৰ ঃ** মিছামৰা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (Missamora Block PHC) স্থানান্তৰ কৰাৰ কাৰ্যক লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চৰকাৰী নথিতো মিছামৰা BPHC স্বাস্থ্য খণ্ডৰ অন্তৰ্গত এক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ হিচাপে তালিকাভুক্ত হৈ আছে। স্বাস্থ্য কেন্দ্ৰটো স্থানান্তৰৰ বিৰোধিতা কৰি অহা কাইলৈ, ১ ছেপ্টেম্বৰত মিছামৰা ৰাজহুৱা ভৱনত এখন জৰুৰী সৰ্বদলীয় সভা আহ্বান কৰা হৈছে। দিনৰ ২ বজাত অনুষ্ঠিত হ'বলগীয়া সভাখনত স্বাস্থ্য কেন্দ্ৰটো স্থানান্তৰৰ বিষয়টোক লৈ আলোচনা কৰাৰ লগতে পৰৱৰ্তী কাৰ্যপন্থা নিৰ্ধাৰণ কৰা হ'ব। সভাখনৰ গুৰুত্ব উপলব্ধি কৰি প্ৰতিটো ঘৰৰ গৃহস্থক সভাত উপস্থিত থাকিবলৈ আয়োজক সকলে সাদৰে আহ্বান জনাইছে। উল্লেখযোগ্য যে চৰকাৰী তথ্য অনুসৰি মিছামৰা স্বাস্থ্য খণ্ডৰ অধীনত কেইবাটাও স্বাস্থ্য কেন্দ্ৰ আছে আৰু মিছামৰা BPHC ইয়াৰ অন্যতম।

# দৰং জিলাৰ বিভিন্ন মক্তবত ছমহীয়া পৰীক্ষা সম্পন্ন

**অসম বাৰ্তা, খাৰুপেটীয়া, ১ ছেপ্তেম্বৰ ঃ** দৰং জিলা দ্বীনি তালিমী ব'ৰ্ডৰ তত্ত্বাৱধানত আজি দেওবাৰে দৰং জিলাৰ বিভিন্ন অঞ্চলৰ মক্তবসমূহত ছমহীয়া পৰীক্ষা অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন মক্তবৰ ছাত্ৰ-ছাত্ৰীসকলে এই পৰীক্ষাত অংশগ্ৰহণ কৰে। অতি সুন্দৰ আৰু সুশৃংখলভাৱে অনুষ্ঠিত হোৱা পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। পৰীক্ষাৰ পূৰ্বে মক্তবৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে ছাত্ৰ-ছাত্ৰীসকলক প্ৰস্তুত কৰোৱাৰ ক্ষেত্ৰত বিশেষভাৱে মেহনত কৰা বুলি জানিব পৰা গৈছে। দ্বীনি শিক্ষাৰ জৰিয়তে শিশুসকলক ইলমে দ্বীনৰ জ্ঞান প্ৰদান কৰাৰ লগতে উত্তম চৰিত্ৰ আৰু নৈতিক মূল্যবোধেৰে গঢ়ি তোলাৰ উদ্দেশ্যে মক্তবসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মক্তবৰ এই সৰু সৰু ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ আমানত হিচাপে লৈ তেওঁলোকক দ্বীনি শিক্ষাৰে শিক্ষিত কৰি সমাজৰ উপযোগী আৰু আদৰ্শবান নাগৰিক হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইফালে, ছমহীয়া পৰীক্ষা সফলভাৱে অনুষ্ঠিত হোৱাত মক্তবৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু কৰ্মকৰ্তা সকলৰ মাজত সন্তুষ্টি প্ৰকাশ পাইছে। ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনাত সফলতা, ইলমে দ্বীন অৰ্জনৰ তৌফীক আৰু উজ্জ্বল ভৱিষ্যতৰ বাবে সকলোৱে আল্লাহ তাআলাৰ ওচৰত দোৱা কৰে।

# উদমাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ সাধাৰণ সভা ও নতুন পৰিচালনা সমিতি গঠন

**অসম বাৰ্তা, ডবকা, ১ ছেপ্তেম্বৰ ঃ** হোজাই জিলাৰ যোগীজান শিক্ষা খণ্ডৰ অন্তৰ্গত ডবকাৰ উদমাৰী মধ্য ইংৰাজী বিদ্যালয়ত প্ৰধান শিক্ষক মইনুল হক লস্কৰৰ আহ্বানত ৰবিবাৰে বিদ্যালয় পৰিচালনা সমিতিৰ সাধাৰণ সভা অনুষ্ঠিত হয়। স্থানীয় সমাজসেৱক আমিৰ উদ্দিনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বিদ্যালয়ৰ উন্নতি প্ৰকল্পে বিভিন্ন আলাপ-আলোচনাৰ অন্তত নতুন পৰিচালনা সমিতি গঠণ প্ৰক্ৰিয়া আৰম্ভ হয়। সভাত উপস্থিত ৰাইজে সভাপতি পদৰ বাবে তিনি গৰাকী ব্যক্তিক প্ৰস্তাৱ-সমৰ্থন আগবঢ়ায়। তাৰে প্ৰথম প্ৰস্তাৱ নিবাৰুন বেগম পাটোৱাৰী দ্বিতীয় প্ৰস্তাৱ আকিল আলী আৰু তৃতীয় প্ৰস্তাৱ চইফ উদ্দিনক আগবঢ়ায় যদিও আকিল আলী আৰু চইফ উদ্দিনৰ কোনো সন্তান বিদ্যালয়ৰ শিক্ষাৰ্থী নথকাৰ বাবে সভাই সৰ্ব-সন্মতি ক্ৰমে উক্ত প্ৰস্তাৱ নাকচ কৰে। উল্লেখ্য যে বিদ্যালয়ৰ নৱ-নিৰ্বাচিত সভানেত্ৰী নিবাৰুন বেগম পাটোৱাৰীৰ শিক্ষাগত অৰ্হতা উচ্চমানৰ হোৱাৰ উপৰিও তেওঁৰ সন্তানে সপ্তমমান শ্ৰেণীত অধ্যয়নৰত থকাৰ বাবে উপস্থিত ৰাইজে নিৰ্বাচিত কৰে। লগতে বিদ্যালয়ৰ ভূমি সংক্ৰান্তত চলি থকা বিবাদ সমাধানৰ বাবে জামাল উদ্দিন তালুকদাৰ, আকিল আলী, হবিবুৰ ৰহমান, ফয়জুৰ ৰহমান, হাচিব উদ্দিন চৌধুৰীক লৈ পাঁচজনীয়া উপ-সমিতি গঠন কৰি দিয়া হয়। এই উপ-সমিতিয়ে অতি শীঘ্ৰে বিদ্যালয়ৰ ভূমি বিবাদৰ সমস্যা সমাধান কৰাৰ বাবে উপস্থিত ৰাইজে অনুৰোধ জনায়।

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ২৪জন আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ৩৪জনক চেক প্ৰদান

# মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ লোহিত খাবলুৰ ২৩ নং পৰিষদীয় সমষ্টিত "টাবুৰাম টাইদ শিক্ষা জ্যোতি আঁচনি"ৰ মেধাৱী ছাত্ৰ-ছাত্ৰীক চেক বিতৰণ



**অসম বাৰ্তা, উজনী মাজুলী, ১ ছেপ্তেম্বৰ ঃ** আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ মেধাৱী ছাত্ৰ ছাত্ৰীসকলক আৰ্থিক সাহায্য প্ৰদানৰ বাবে মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ উদ্যোগত আজি "টাবুৰাম টাইদ শিক্ষা জ্যোতি আঁচনি"ৰ অধীনত চেক বিতৰণ কৰা হয়। উক্ত, অনুষ্ঠানত সমষ্টিটোৰ অন্তৰ্গত সুদক্ষ খেলুৱৈ সকলক সম্বৰ্ধনা জনোৱা হয়। মাজুলী বিধানসভা সমষ্টিৰ অন্তৰ্গত নামনি মাজুলীৰ লোহিত খাবলুৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিত আজি সমষ্টিটোৰ বিভিন্ন বিদ্যালয়- মহাবিদ্যালয়ৰ পৰা ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৫৮জন মেধাৱী ছাত্ৰ ছাত্ৰীক সাত হেজাৰ টকাকৈ চেক বিতৰণ কৰা হয়। ২৩ নং লোহিত পৰিষদীয় সমষ্টিৰ আজি টাবুৰাম টাইদ শিক্ষা জ্যোতি আঁচনিৰ চেক বিতৰণ উপলক্ষে লোহিত খাবলুৰ চিতাদাৰচুক ৰঙ্গমঞ্চত আজি একঁকালীন আৰ্থিক সাহায্য চেক বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। আজি দুপৰীয়া এঘাৰ বজাৰ পৰা আৰম্ভ হোৱা উক্ত অনুষ্ঠানটোৰ আঁত ধৰে যুৱ সমাজকৰ্মী ৰূপজ্যোতি কমানে। উক্ত, একঁকালীন আৰ্থিক সাহায্য চেক বিতৰণ অনুষ্ঠানটো উদ্বোধন কৰে ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য মুকুল পেগুৱে। নিজৰ উদ্বোধনী ভাষণত তেওঁ ২০১৩ বৰ্ষৰ পৰা বৰ্তমানলৈকে ৩০ হেজাৰ মেধাৱী ছাত্ৰ ছাত্ৰীক অৰ্থ সাহায্য প্ৰদান কৰা বুলি কয় আৰু মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ উদ্যোগত সমগ্ৰ অসমৰ মিচিং ৰাইজক জীৱন-জীৱিকাৰ বাবে ৰূপায়ণ কৰা বিভিন্ন আঁচনিসমূহ ব্যাখ্যা কৰে। পেগুৱে মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ উদ্যোগত যোৱা তেৰ বছৰে ৰূপায়ণ কৰা বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ বিষয়ে বিশদভাৱে ব্যাখ্যা কৰে। বিশিষ্ট সমাজকৰ্মী, প্ৰাক্তন ছাত্ৰ নেতা তথা লোহিত খাবলু সমষ্টি সমিতিৰ সভাপতি হৰেন নৰহৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত চেক বিতৰণ অনুষ্ঠানত সমল ব্যক্তি হিচাপে নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক সঞ্জীৱ কুমাৰ পায়েং, বিশিষ্ট যুৱ সমাজকৰ্মী নৃপেন কমান আৰু পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতাই ছাত্ৰ ছাত্ৰীসকলক উদ্দেশ্যি তত্ত্বগধুৰ আৰু অনুপ্ৰেৰণা মূলক ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত, আমন্ত্ৰিত অতিথি হিচাপে টি এম পি কে'কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক বিনোদ দলে, মাজুলী জিলা সমিতিৰ এম এম কে'ৰ সম্পাদক নৱ দলে, লোহিত খাবলু গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী তথা টি এম এম কে'ৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদিকা দিপ্তী পাদুন দলে, নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বুদ্ধিন পায়েং, কাকৰিকটা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণ জ্যোতি পামেগাম, মাজুলী জিলা টি এম পি কে'ৰ উপ-সভাপতি গোবিন পেগু, শিক্ষা সম্পাদক সঞ্জীৱ চিৰাং, জিলা সদস্য নৱজিত পায়েং, বিশিষ্ট সমাজকৰ্মী অনিল টাইদ, নাৰায়ণ পায়েং, টি এম পি কে' লোহিত খাবলু আঞ্চলিক সমিতিৰ সভাপতি আনন্দ পেগু, সম্পাদক ৰনোজ পেগু, এম এম কে'ৰ সভাপতি জিতেন মিলি, টি এম এম কে'ৰ কেন্দ্ৰীয় সমিতিৰ জ্যোৎস্না দলে, নিভা ৰাণী দলে, মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ অভিযন্তা নিকুঞ্জ পেগু, যুৱ সমাজকৰ্মী জগন্নাথ পেগু, ৱাৰ্ড সদস্য খগেন পায়েং, মৌচুমী পেগু, প্ৰবীণ পায়েং আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত লোহিত খাবলু পৰিষদীয় সমষ্টিৰ কেইবা শতাধিক ৰাইজে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৫৮জন মেধাৱী ছাত্ৰ ছাত্ৰীৰ লগতে লোহিত খাবলু পৰিষদীয় সমষ্টিৰ অন্তৰ্গত জিলা পৰ্যায়ৰ তিনিজন, ৰাজ্যিক পৰ্যায়ৰ চাৰিজন পুৰস্কাৰ বিজয়ী সুদক্ষ খেলুৱৈকো আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰা হয়। অনুষ্ঠানত সমষ্টিটোৰ অন্তৰ্গত মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ জীৱন জীৱিকা আঁচনিৰে স্বাৱলম্বী হোৱা ১৪জন স্বাৱলম্বী লোকক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ ২৩ নং লোহিত পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য মুকুল পেগুৱে।

# বঙাইগাঁৱত PM-AJAY আঁচনিৰ অনুমোদন পত্ৰ বিতৰণ; উপস্থিতি সাংসদ ফণীভূষণ চৌধুৰী



**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ১ ছেপ্তেম্বৰ ঃ** বঙাইগাঁৱৰ বীৰঝৰা পাব্লিক লাইব্ৰেৰীত সোমবাৰে প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় যোজনা (PM-AJAY)ৰ অধীনত হিতাধিকাৰীসকলৰ মাজত অনুমোদন পত্ৰ বিতৰণ কৰা হয়। অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান (ASRLM) আৰু পঞ্চায়ত তথা গ্ৰামোন্নয়ন বিভাগৰ সহযোগত আত্মসহায়ক গোটসমূহৰ জৰিয়তে ৰূপায়িত এই আঁচনিৰ লক্ষ্য হৈছে অনুসূচিত জাতিৰ লোকসকলৰ আৰ্থ-সামাজিক অৱস্থা উন্নত কৰাৰ লগতে জীৱিকা উন্নয়নৰ বাবে আৰ্থিক সহায় আগবঢ়োৱা। অনুষ্ঠানত বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণী ভূষণ চৌধুৰী, বঙাইগাঁও সমষ্টিৰ বিধায়িকা দীপ্তিময়ী চৌধুৰী, জিলা পৰিষদৰ সভানেত্ৰী মৃদুলা সিংহ, মুখ্য কাৰ্যবাহী বিষয়া গয়া প্ৰসাদ আগৰৱালাৰ লগতে জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে। বঙাইগাঁও জিলাত আঁচনিখনৰ অধীনত ১২গৰাকী ব্যক্তিগত হিতাধিকাৰী আৰু ১৩১টা আত্মসহায়ক গোটসহ মুঠ ১৪৩গৰাকী হিতাধিকাৰীয়ে সুবিধা লাভ কৰিব।

থিতাতে নিহত বৃদ্ধ পথচাৰী

# হাউলীৰ কদমগুৰিত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, কুমুল্লী পাৰা, ১ ছেপ্তেম্বৰ ঃ** হাউলীৰ কদমগুৰিত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী বৃদ্ধ পথচাৰীৰ থিতাতে মৃত্যু হয়। উদণ্ডভাৱে বাইক চলাই অহা এজন বাইক চালকে পথচাৰীজনক খুন্দা মৰাৰ ফলতে এই শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত নিহত লোকজনক হাউলীৰ দাবালিয়াপাৰাৰ বাসিন্দা হাছেন আলী বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে, ৩০ আগষ্টৰ নিশা কদমগুৰি অঞ্চলত পথচাৰী হিচাপে গৈ থকা অৱস্থাত তীব্ৰবেগী বাইকখনে তেওঁক খুন্দা মাৰে। বাইকখনৰ প্ৰচণ্ড খুন্দাত গুৰুতৰভাৱে আহত হাছেন আলী ঘটনাস্থলীতে মৃত্যুক সাৱটি লয়। ঘটনাটোৰ পাছতে অঞ্চলটোত শোকৰ ছাঁ পৰাৰ লগতে পথ সুৰক্ষাক লৈ পুনৰ উদ্বেগ সৃষ্টি হৈছে। স্থানীয় ৰাইজে অভিযোগ কৰা মতে, একাংশ বাইক চালকে নিয়ম-নীতি অৱজ্ঞা কৰি অত্যধিক গতিবেগত বাহন চলোৱাৰ ফলত পথ দুৰ্ঘটনাৰ আশংকা বৃদ্ধি পাইছে। সেয়ে উদণ্ড আৰু অসাৱধান বাহন চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে কদমগুৰি অঞ্চলত পথ সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ দাবী জনাইছে ৰাইজে। ইফালে, দুৰ্ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। তদন্তৰ পাছতহে ঘটনাৰ সম্পূৰ্ণ কাৰণ আৰু জড়িত বাইক চালকৰ বিৰুদ্ধে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে অধিক তথ্য স্পষ্ট হ'ব।

১, ৫০০ কাৰ্টন খোৱাপানী আৰু ৩৫০টা প্ৰেছাৰ কুকাৰ বিতৰণ

# শিৱসাগৰ আৰু চৰাইদেউৰ বানাক্ৰান্তলৈ বাজাজ ইলেক্ট্ৰিকেলছ ফাউণ্ডেশ্যনৰ সাহায্য

**অসম বাৰ্তা, গেলেকী, ১ ছেপ্তেম্বৰ ঃ** প্ৰলয়ংকাৰী বানৰ তাণ্ডৱত সৰ্বস্বান্ত হোৱা শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানপীড়িত ৰাইজৰ কাষত থিয় দিছে 'বাজাজ ইলেক্ট্ৰিকেলছ ফাউণ্ডেশ্যন'। নলবাৰীৰ স্বনামধন্য স্বেচ্ছাসেৱী অনুষ্ঠান 'গ্ৰাম্য বিকাশ মঞ্চ' (জিভিএম)ৰ জৰিয়তে ফাউণ্ডেশ্যনটোৱে এই বানত আক্ৰান্ত অঞ্চলসমূহত জৰুৰীকালীন সাহায্য সামগ্ৰী বিতৰণ কৰে। সাহায্য কাৰ্যসূচীৰ অংশস্বৰূপে শিৱসাগৰ জিলাৰ কেইবাটাও বানগ্ৰস্ত অঞ্চল আৰু আশ্ৰয় শিবিৰত আশ্বস্তকৰ পদক্ষেপ হিচাপে ১, ৫০০ কাৰ্টন খোৱাপানীৰ বটল বিতৰণ কৰা হয়। ইয়াৰোপৰি, বানে ৰন্ধনশালৰ সামগ্ৰীসমূহ উটুৱাই নিয়া বা নষ্ট কৰা দুৰ্ভগীয়া পৰিয়ালসমূহক পুনৰ সংস্থাপনৰ বাবে ফাউণ্ডেশ্যনৰ তৰফৰ পৰা ৩৫০টা প্ৰেছাৰ কুকাৰ প্ৰদান কৰা হয়। গ্ৰাম্য বিকাশ মঞ্চৰ নিৰালস্য প্ৰচেষ্টাত এই সামগ্ৰীসমূহ পোনপটীয়াভাৱে দুৰ্গত লোকসকলৰ হাতত তুলি দিয়া হয়। এই গুৰুত্বপূৰ্ণ সাহায্য অভিযানত বাজাজ ইলেক্ট্ৰিকেলছ ফাউণ্ডেশ্যনৰ এটা উচ্চস্তৰীয় সঁজাতী দলেও উপস্থিত থাকি সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। দলটোত উপস্থিত আছিল ফাউণ্ডেশ্যনৰ চি এছ আৰ মূৰব্বী শ্ৰেয়া সুধীৰ, এন ই এছ এ (NESA)ৰ ষ্টেট হেড ধনঞ্জয় নাথ, এৰিয়া চেলছ মেনেজাৰ জিতেন্দ্ৰ কুমাৰ, যোৰহাট ক্লাষ্টাৰৰ কনজিউমাৰ প্ৰডাক্টছৰ টেৰিটৰী হেড প্ৰিয়াংশু প্ৰীতম শৰ্মা, লাইটিং বিভাগৰ টেৰিটৰী হেড চন্দন বাৰ্মা আৰু লখিমপুৰ ক্লাষ্টাৰৰ টেৰিটৰী হেড ৰণদীপ চক্ৰৱৰ্তী। ঘৰুৱা সম্পত্তিৰ ক্ষয়-ক্ষতি আৰু মৌলিক সা-সুবিধাৰ অভাৱত হাহাকাৰ কৰা পৰিয়ালসমূহৰ বাবে এই সাহায্য এক ডাঙৰ সকাহ হৈ পৰিছে। বিশুদ্ধ খোৱাপানীতে তাংক্ষণিক প্ৰয়োজনীয়তা পূৰণ হোৱাৰ বিপৰীতে প্ৰেছাৰ কুকাৰসমূহে বানাক্ৰান্ত পৰিয়ালসমূহক দুনাই দৈনন্দিন ঘৰুৱা জীৱন আৰম্ভ কৰাত ব্যৱহাৰিকভাৱে যথেষ্ট সকাহ দিব। ফাউণ্ডেশ্যনৰ তৰফৰ পৰা অনাগত দিনতো এনে সাহায্য অব্যাহত ৰখাৰ পৰিকল্পনা হাতত লোৱা বুলি জানিব পৰা গৈছে। বিপদৰ এই বেলিটোত বানপীড়িত ৰাইজক আগবঢ়োৱা এই মানৱীয় সহযোগিতাৰ বাবে গ্ৰাম্য বিকাশ মঞ্চই বাজাজ ইলেক্ট্ৰিকেলছ ফাউণ্ডেশ্যনলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখযোগ্য যে, এই বাতৰি প্ৰস্তুত হোৱালৈকে নলবাৰীস্থিত গ্ৰাম্য বিকাশ মঞ্চই বিভিন্ন সাহায্য সামগ্ৰীৰে ৰাজ্যৰ ৭, ০ শতাধিক বানাক্ৰান্ত পৰিয়ালক সহায়ৰ হাত আগবঢ়াই এক আদৰ্শনীয় দৃষ্টান্ত স্থাপন কৰিছে।

# তিনিচুকীয়াত ভূপেন্দ্ৰ জয়ন্তী আৰু 'জুবিনৰ দিন' পালনৰ প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১ ছেপ্তেম্বৰ ঃ** বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ উদ্যোগত আৰু তিনিচুকীয়া বয়োজ্যেষ্ঠ নাগৰিক কল্যাণ সংস্থা, তিনিচুকীয়া চৰকাৰী পেঞ্চনাৰ সন্থা, চলিহা-বৰদলৈ নগৰ বাসিন্দা সন্থা আৰু সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ তিনিচুকীয়া শাখাৰ সহযোগত অহা ৮ ছেপ্টেম্বৰত ১০১ সংখ্যক ভূপেন্দ্ৰ জয়ন্তী আৰু ১৯ ছেপ্টেম্বৰত 'জুবিনৰ দিন' পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উপলক্ষে ৩১ আগষ্টত বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি ড° মদন শৰ্মাৰ সভাপতিত্বত উক্ত সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ উপস্থিতিত অনুষ্ঠিত এক সভাত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ সিদ্ধান্ত অনুসৰি, অহা ৮ ছেপ্টেম্বৰত ভূপেন্দ্ৰ জয়ন্তী উপলক্ষে পুৱা ১০ বজাত পতাকা উত্তোলন আৰু শ্ৰদ্ধাঞ্জলি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। একেদৰে গধূলি ৫ বজাত বিষ্ণুজ্যোতিৰ সভাকক্ষত "গীতে-মাতে ভূপেন্দ্ৰ সন্ধিয়া" শীৰ্ষক এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ইফালে, অহা ১৯ ছেপ্টেম্বৰত 'জুবিনৰ দিন' পালন উপলক্ষে আবেলি ৪ বজাৰ পৰা বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ বহিঃচৌহদত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণৰ লগতে এক বিশেষ গীত-মাত পৰিৱেশনৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আয়োজক সমিতিয়ে উক্ত সকলো কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি আৰু সৰ্বাত্মক সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

**NAME CORRECTION**

Sworn before Notary Public at Dibrugarh, dated 14/07/2026, that my actual and correct name is REBO SONOWAL, S/O Sri Dibya Deka Boruah, resident of Jamira Gaon, P.O. Bamrajabari, P/S Demow, Dist. Sivasagar, Assam. But in my son Rajdeep Sonowal's Birth Certificate (No. 2232228, dated 30/09/2026), my name is wrongly entered as BIKI SONOWAL, and in my Aadhar Card (No. 8874 7397 5538), my name is wrongly entered as REBA DEKA BORUAH. REBO SONOWAL, BIKI SONOWAL and REBA DEKA BORUAH are one and the same person i.e. myself. This is for information of the concerned authorities.

AB-151/2026

**NAME CORRECTION**

Sworn before Notary Public at Kokrajhar, dated 16th October, 2025, that I, Kurup Ali Sheikh, aged 46 years, S/o Late Rahman Sheikh, resident of Vill–Nowerbhita, P.O. & P.S.–Dotma, Dist.–Kokrajhar, Assam, do hereby declare that my deceased father's actual and correct name is RAHMAN SHEIKH. But in his Land Document (Dag No. 72, Patta No. 123) issued by Dotma Revenue Circle, his name has been wrongly recorded as BERA KATA SEIKH, S/o Late Yazuddin Sk. I declare that BERA KATA SEIKH and RAHMAN SHEIKH are one and the same person, none other than my deceased father. This is for information of the concerned authorities.

AB-152/2026

## ডিব্ৰুগড়ৰ দীপাংকৰ দাসলৈ 'গল্ডেন বুট'

# 'গ্ৰীণ লীফ কাপ'ৰ চূড়ান্ত খিতাপ অৰ্জন ডিব্ৰুগড়ৰ 'চাহ ক্ৰীড়া সন্থা'ৰ



**অসম বাৰ্তা, লীলাবাৰী, ১ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলাৰ জহিং খেলপথাৰত অনুষ্ঠিত 'গ্ৰীণ লীফ কাপ' ফুটবলৰ চূড়ান্ত খেলখনত ডিব্ৰুগড়ৰ চাহ ক্ৰীড়া সন্থাই চৰাইদেউৰ ডিপলিং ইউনাইটেড ক্লাবৰ বিৰুদ্ধে যুঁজ দিয়ে। তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনৰ প্ৰথমাৰ্দ্ধৰ প্ৰথমটো মিনিটতে ডিব্ৰুগড়ৰ দীপাংকৰ দাসে প্ৰথমটো গ'ল কৰে। ডিব্ৰুগড়ৰ দীপাংকৰ দাসৰ গ'লৰ পাছতেই চৰাইদেউৰ ফৰৱাৰ্ডৰ বিজুলী বেগৰ শ্বোটে ডিব্ৰুগড়ৰ গ'লৰক্ষকক ভেদ কৰে। প্ৰথমাৰ্দ্ধৰ শেষৰ ফালে আন এটা গ'ল কৰি ২-১ ৰ ব্যৱধানত ডিব্ৰুগড় চাহ ক্ৰীড়া সন্থাই আগবাঢ়ি থাকে। যদিও, দ্বিতীয়াৰ্ধৰ অন্তিম মিনিটত চৰাইদেউ দলৰ ফৰৱাৰ্ডৰ সুন্দৰ এছিষ্টৰ জৰিয়তে ২-২ গ'লৰ ব্যৱধানত মেচখন টাই হয়। ৰেফাৰীৰ ফাইনেল হুইচেলত মেচখন অমীমাংসিত হোৱাত ট্ৰাইবেকাৰত জয়ী হ'বলৈ সক্ষম হয়। উল্লেখযোগ্য যে, স্মৃতি তৰ্পনেৰে আৰম্ভণি হোৱা প্ৰতিযোগিতাখনত ডিব্ৰুগড়ৰ চাহ ক্ৰীড়া সন্থাৰ খেলুৱৈয়ে তিনিওটা শ্ৰেষ্ঠ বঁটা লাভ কৰে। চূড়ান্ত খেলখনত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সভাপতি জগদীশ বড়াইকে মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰে। বিশিষ্ট অতিথি ৰূপে লখিমপুৰ জিলা প্ৰশাসনৰ আয়ুক্ত প্ৰণৱজিৎ কাকতী, আৰক্ষী অধীক্ষক গুণেন্দ্ৰ ডেকা, নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° বিমান চন্দ্ৰ চেতীয়া, লক্ষ্মীমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোহিত হাজৰিকাৰ সমান্তৰালকৈ আটছাৰ সাধাৰণ সম্পাদক সুনীল তিৰ্কী, প্ৰাক্তন উপ-সভাপতি অৰূপ বড়াইক, চাহ মজদুৰ সংঘৰ লখিমপুৰ শাখাৰ সম্পাদক সঞ্জীত তাঁতিৰ লগতে চাহ জনজাতি মহিলা সন্থাৰ সহকাৰী সম্পাদিকা বিপ্লৱীকা কুৰ্মিয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ বঁটা বিতৰণী অনুষ্ঠানত প্ৰতিযোগিতাখনত ৫টা গ'ল কৰি 'গল্ডেন বুট' অৰ্থাৎ শীৰ্ষ গ'লদাতাৰ বঁটা লাভ কৰে ডিব্ৰুগড়ৰ দীপাংকৰ দাসে। ডিব্ৰুগড়ৰ গ'লৰক্ষক জগত পাটনায়কে 'শ্ৰেষ্ঠ গ'লৰক্ষক' আৰু অধিনায়ক ৰোহিত মুণ্ডাই 'শ্ৰেষ্ঠ খেলুৱৈ'ৰ সন্মান লাভ কৰে। অসম ৰাজ্যৰ মুঠ আঠটা শক্তিশালী ফুটবল দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ চূড়ান্ত মেচৰ বিজয়ী আৰু বিজিত দুয়োটা দলকে ট্ৰফীসহ প্ৰাইজমাণি প্ৰদান কৰে।

## অৰুণাচল প্ৰদেশৰ বালিজান সংযোগী গড়কাপ্তানী পথ ছিগি যোগাযোগ বিচ্ছিন্ন

# গহপুৰত ছত্ৰং নৈৰ কালৰূপ; খহাই নিলে কোটিটকীয়া গাৰ্ড ৱালৰ ৪০ মিটাৰ অংশ

## নিম্নমানৰ নিৰ্মাণকাৰ্যৰ অভিযোগত জলসম্পদ বিভাগৰ বিৰুদ্ধে ৰাইজৰ ক্ষোভ

**অসম বাৰ্তা, গহপুৰ, ১ ছেপ্টেম্বৰ ঃ** গহপুৰত পুনৰ কালৰূপ ধাৰণ কৰিলে ছত্ৰং নৈয়ে। খৰস্ৰোতা বাঢ়নী পানীৰ প্ৰচণ্ড সোঁতে আজি পুৱাই উটুৱাই নিলে কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা গাৰ্ড ৱালৰ প্ৰায় ৪০ মিটাৰ অংশ। গাৰ্ড ৱাল ভাঙি যোৱাৰ লগে লগে ছত্ৰং নৈৰ পানী তীব্ৰ গতিত জনাঞ্চললৈ সোমাই অহাত সৃষ্টি হয় আতংকময় পৰিৱেশৰ। গহপুৰ পৌৰসভাৰ অন্তৰ্গত ৭ নং ৱাৰ্ডত সংঘটিত এই ঘটনাই জলসম্পদ বিভাগৰ কোটি কোটি টকাৰ আঁচনিৰ বাস্তৱ ৰূপক লৈ পুনৰবাৰ প্ৰশ্ন উত্থাপন কৰিছে। বছৰৰ পিছত বছৰ বান আৰু খহনীয়া প্ৰতিৰোধৰ নামত কোটি কোটি টকা ব্যয় কৰা হৈছে যদিও এজাক বাঢ়নী পানীৰ সোঁতে গাৰ্ড ৱাল উটুৱাই নিয়াৰ ঘটনাই নিৰ্মাণকাৰ্যৰ গুণগত মানক লৈ গভীৰ সন্দেহৰ সৃষ্টি কৰিছে স্থানীয় ৰাইজে। স্থানীয় ৰাইজৰ অভিযোগ— গাৰ্ড ৱাল নিৰ্মাণৰ সময়ত প্ৰয়োজনীয় কাৰিকৰী আৰু বিজ্ঞানসন্মত পদ্ধতি অনুসৰণ কৰা হোৱা নাছিল। অভিযন্তা আৰু কাৰিকৰী বিভাগে কামৰ মান নিৰীক্ষণ কৰাৰ পৰিৱৰ্তে কেৱল মিস্ত্ৰী-যোগালীৰ ওপৰত কাম এৰি দিয়াৰ ফলতেই এনে দুৰ্যোগৰ সৃষ্টি হোৱা বুলি অভিযোগ কৰিছে ৰাইজে। ৰাইজৰ প্ৰশ্ন— কোটি কোটি টকাৰ আঁচনি ৰূপায়ণৰ পিছতো যদি এখন গাৰ্ড ৱাল কেইঘণ্টামানৰ বাঢ়নী পানীৰ সোঁততে উটি যায়, তেন্তে সেই নিৰ্মাণৰ গুণগত মান ক'ত? গাৰ্ড ৱালৰ বৃহৎ অংশ খহি যোৱাৰ ফলত সৃষ্টি হোৱা অংশৰে তীব্ৰ গতিত পানী জনাঞ্চললৈ সোমাই মধ্য ছত্ৰং গাঁৱৰ লগতে দাঁতিকাষৰীয়া বিস্তীৰ্ণ অঞ্চল জলমগ্ন কৰি তোলে। নৈৰ প্ৰচণ্ড সোঁতে গাৰ্ড ৱালৰ কাষৰ দুটাকৈ অসম আৰ্হিৰ ঘৰতো ক্ষতিসাধন কৰে। বিশেষভাৱে ক্ষতিগ্ৰস্ত হৈছে মধ্য ছত্ৰংৰ বহু পৰিয়াল। গাৰ্ড ৱাল ভাঙি যোৱাৰ ফলত অঞ্চলটোৰ যাতায়ত ব্যৱস্থাও ব্যাহত হৈ পৰিছে। ঘটনাৰ পিছতে পৰিস্থিতিৰ বুজ ল'বলৈ পুৱা ঘটনাস্থলীত উপস্থিত হয় গহপুৰৰ বিধায়ক উৎপল বৰা, বিশ্বনাথ জিলাৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, গহপুৰ সমজিলাৰ আয়ুক্ত আদিত্য প্ৰতাপ সিং আৰু গহপুৰ পৌৰসভাৰ পৌৰপতি অতুল বৰা। সংবাদ মাধ্যমৰ আগত বিধায়ক উৎপল বৰা আৰু জিলা আয়ুক্ত কৰবী শইকীয়া কৰণে গাৰ্ড ৱাল নিৰ্মাণত কোনো কাৰিকৰী ত্ৰুটি বা টেকনিকেল ফল্ট হৈছিল নেকি, সেই বিষয়ত তদন্ত কৰা হ'ব বুলি জানিবলৈ দিয়ে। লগতে বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক উপযুক্ত বান সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে সদৰী কৰে। ইফালে কেৱল ছত্ৰং নৈয়ে নহয়। সোলেঙী, কুকুৰজান, বালিজান আৰু ব্ৰহ্মাজান নৈৰ বাঢ়নী পানীয়েও গহপুৰৰ বিস্তীৰ্ণ অঞ্চলত বিভীষিকাৰ সৃষ্টি কৰিছে। সোলেঙী নৈৰ মথাউৰি পুনৰ দুটা স্থানত ছিগি যোৱাৰ ফলত পৰিস্থিতি অধিক জটিল হৈ পৰিছে। গহপুৰ নগৰৰ হাস্পতাল ৰোড, গহপুৰ মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়, গহপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, গহপুৰ মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালত আৰু ছহিদ কনকলতা বৰুৱা অসামৰিক চিকিৎসালয়কে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ অঞ্চল জলমগ্ন হৈ পৰিছে। ব্ৰহ্মাজান নৈৰ বাঢ়নী পানীয়ে আমজাৰণি, কেকুঁৰিজান, তিনিকোণীয়া আদি অঞ্চলত সৃষ্টি কৰিছে জলবন্দী পৰিস্থিতি। দৰিয়াখাটৰ সমীপতো বাঢ়নী পানীৰ প্ৰচণ্ড সোঁতে মথাউৰিৰ বিস্তীৰ্ণ অংশ ছিঙি নিয়াত নৈপৰীয়া ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইয়াৰ মাজতে আন এক উদ্বেগজনক খবৰ পোহৰলৈ আহিছে। খৰস্ৰোতা বাঢ়নী পানীয়ে কাৰিবিল মঙ্গলবৰীয়া সাপ্তাহিক বজাৰৰ পৰা ডফলাগড়-বালিজান হৈ অৰুণাচল প্ৰদেশৰ ইটানগৰলৈ যোৱা গুৰুত্বপূৰ্ণ গড়কাপ্তানী পথটোৰ এটা অংশ সম্পূৰ্ণৰূপে ছিঙি নিয়াত উক্ত পথেৰে যাতায়ত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। উল্লেখযোগ্য যে ছত্ৰং, সোলেঙী, ব্ৰহ্মাজান, কুকুৰজান আদি নৈৰ বান আৰু খহনীয়া প্ৰতিৰোধৰ নামত জলসম্পদ বিভাগে বছৰৰ পিছত বছৰ কোটি কোটি টকাৰ আঁচনি ৰূপায়ণ কৰি আহিছে। কিন্তু বাস্তৱ ক্ষেত্ৰত বাৰিষা আহিলেই যদি মথাউৰি ছিগে, গাৰ্ড ৱাল খহে আৰু জনাঞ্চল জলমগ্ন হয়, তেন্তে এই বিপুল ৰাজহুৱা ধনৰ ব্যয়ৰ ফলাফলক লৈ স্বাভাৱিকতে প্ৰশ্ন উত্থাপন হয়। ৰাইজৰ অভিযোগ, আঁচনিৰ নামত বৃহৎ পৰিমাণৰ ধন ব্যয় হোৱাৰ পিছতো যদি বানৰ সময়ত নিৰ্মাণকাৰ্যই নৈৰ সোঁতৰ সন্মুখত থিয় দিব নোৱাৰে, তেন্তে আঁচনি ৰূপায়ণৰ গুণগত মান, কাৰিকৰী তদাৰকী আৰু ধনৰ সদ্ব্যৱহাৰ সম্পৰ্কে নিৰপেক্ষ তদন্ত অতি জৰুৰী। ইফালে বিশ্বনাথ জিলাৰ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণে আজি পুৱা প্ৰায় ৯ বজাৰ পৰা গহপুৰ সমজিলাৰ বিভিন্ন বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক উপযুক্ত সাহায্য প্ৰদানৰ বাবে সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়াৰ লগতে ভগ্ন মথাউৰিসমূহ যথাসম্ভৱ সোনকালে মেৰামতি কৰাৰ ব্যৱস্থা কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশনা প্ৰদান কৰা বুলি জানিব পৰা গৈছে। এতিয়া মূল প্ৰশ্নটো হ'ল— কোটি কোটি টকাৰ আঁচনিৰ পিছতো কিয় সুৰক্ষিত নহয় গহপুৰৰ নৈপৰীয়া ৰাইজ? কাৰ গাফিলতিৰ বাবে বাৰিষা আহিলেই মথাউৰি আৰু গাৰ্ড ৱাল ভাঙি জনজীৱন বিপৰ্যস্ত হয়? ৰাইজে এই ঘটনাৰ কেৱল জৰুৰী মেৰামতি নহয়, গাৰ্ড ৱাল নিৰ্মাণৰ সমগ্ৰ প্ৰক্ৰিয়া, ব্যৱহৃত সামগ্ৰী, নিৰ্মাণৰ গুণগত মান, ব্যয় হোৱা ধন আৰু দায়িত্বত থকা বিষয়া-অভিযন্তা-ঠিকাদাৰৰ ভূমিকা নিৰপেক্ষভাৱে তদন্ত কৰাৰ দাবী জনাইছে।

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মাকুম আঞ্চলিক সমিতিৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, মাকুম, ১ ছেপ্টেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মাকুম আঞ্চলিক সমিতিৰ যোড়শ দ্বি-বাৰ্ষিক প্ৰতিনিধি সভাখন আজি মাকুম যুগল কিশোৰ কেযান ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ তিনিচুকীয়া জিলাৰ কেইবাখনো আঞ্চলিক আৰু শাখা পৰা অহা ৩০০ৰো অধিক প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত সভাত নিশা ভোট দান প্ৰক্ৰিয়াৰে আৰু সৰ্বসন্মতিক্ৰমে নতুন আঞ্চলিক সমিতিখন গঠন কৰা হয়। নৱগঠিত সমিতিখনত অংকুৰজিৎ মৰাণক সভাপতি আৰু নৰেন্দ্ৰ মৰাণক সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। উক্ত সভাত সংগঠনটোৰ কেন্দ্ৰীয় আৰু তিনিচুকীয়া জিলা সমিতিৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। তিনিচুকীয়া জিলা সমিতিৰ উপদেষ্টা উত্তম গোহাঁয়ে নৱগঠিত সমিতিখনলৈ শুভেচ্ছা জ্ঞাপন কৰি আগন্তুক দিনত সংগঠনটোৱে অধিক শক্তিশালীভাৱে কাম কৰি যাব বুলি আশা প্ৰকাশ কৰে। দায়িত্ব গ্ৰহণ কৰি নৱনিৰ্বাচিত সভাপতি আৰু সম্পাদকে সংগঠনৰ কৰ্মকৰ্তা আৰু প্ৰতিনিধিসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মাকুম অঞ্চলৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত সংগঠনটোৱে অধিক সক্ৰিয় আৰু ঐক্যবদ্ধ ভূমিকা গ্ৰহণ কৰিব বুলি সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে।

## মণিপুৰটুপ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসকৰ অনুপস্থিতিত ৰোগীৰ হাহাকাৰ; প্ৰতি শনিবাৰে বন্ধ চিকিৎসা সেৱা

# ৰহা মণিপুৰটুপ স্বাস্থ্যকেন্দ্ৰত অৰাজকতা

**অসম বাৰ্তা, ৰহা, ১ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ ৰহা বিধানসভা সমষ্টিৰ অন্তৰ্গত মণিপুৰটুপ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এতিয়া চৰম অৰাজকতাই বিৰাজ কৰিছে। চিকিৎসক আৰু কৰ্মচাৰীৰ তীব্ৰ অভাৱৰ বাবে স্বাস্থ্যকেন্দ্ৰটোলৈ চিকিৎসাৰ বাবে অহা সাধাৰণ ৰোগীৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ গুৰুতৰ অভিযোগ অনুসৰি, এই চৰকাৰী চিকিৎসালয়খনত নিয়োজিত চিকিৎসক গৰাকী কেতিয়াও সময়মতে উপস্থিত নাথাকে। নিয়ম অনুসৰি পুৱা ১০ বজাত উপস্থিত হ'ব লগা চিকিৎসক দুপৰীয়ালৈকে আহি নাপায় বুলি ৰাইজে অভিযোগ কৰিছে। বহু সময়ত চিকিৎসক নহাৰ বাবে ৰোগীয়ে ঘণ্টা-ঘণ্টা অপেক্ষা কৰি ঘূৰি যাবলগীয়া হয়। তাতকৈও ডাঙৰ কথা হ'ল, প্ৰতি শনিবাৰে স্বাস্থ্য কেন্দ্ৰটোলৈ কোনো চিকিৎসকেই নাহে। যাৰ বাবে প্ৰতি শনিবাৰে চিকিৎসালয়খনত চিকিৎসা সেৱা সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰে। জৰুৰীকালীন ৰোগী আহিলেও চিকিৎসা নোপোৱাকৈ ঘূৰি যাবলগীয়া হয় বুলি স্থানীয় ৰাইজে জনায়। কেৱল চিকিৎসকেই নহয়, হস্পিতালখনৰ লেবৰেটৰীটোতো নাই কোনো কৰ্মচাৰী। দীৰ্ঘদিন ধৰি লেবৰেটৰী টেকনিচিয়ানৰ পদটো খালী হৈ আছে। ফলত তেজ, প্ৰস্ৰাৱ আদিৰ দৰে অতি জৰুৰী পৰীক্ষা সমূহ কৰিবলৈ অহা দৰিদ্ৰ ৰোগীসকল চৰকাৰী বিনামূলীয়া সেৱাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। বাধ্য হৈ তেওঁলোকে ব্যক্তিগত লেবৰেটৰীত গৈ হেজাৰ হেজাৰ টকা খৰচ কৰি পৰীক্ষা কৰিবলগীয়া হৈছে। যিটো দুখীয়া ৰাইজৰ বাবে অতি কষ্টকৰ। ইয়াৰ উপৰিও স্বাস্থ্যকেন্দ্ৰটোত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আৰু নাৰ্ছৰ তীব্ৰ নাটনি অব্যাহত আছে। এজন-দুজন কৰ্মচাৰীয়ে কোনোমতে চম্ভালিব লগা হৈছে সমগ্ৰ হস্পিতালখন। চাফাইৰ পৰা আৰম্ভ কৰি সকলো কামতে দেখা গৈছে বিশৃংখলতা। এই ক্ষেত্ৰত জিলা স্বাস্থ্য বিভাগে কোনো গুৰুত্ব প্ৰদান কৰা নাই বুলি ৰাইজে অভিযোগ কৰিছে। বহুবাৰ অভিযোগ দিয়াৰ পিছতো বিভাগীয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। শীঘ্ৰে এই অৰাজকতাৰ অন্ত পেলাই মণিপুৰটুপ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত নিয়মীয়া চিকিৎসা সেৱা, লেবৰেটৰী সেৱা আৰু পৰ্যাপ্ত কৰ্মচাৰী নিযুক্তিৰে চিকিৎসা সেৱা নিশ্চিত কৰিবলৈ স্থানীয় ৰাইজে নগাঁও জিলা উপায়ুক্ত আৰু জিলা স্বাস্থ্য বিভাগৰ ওচৰত জোৰদাৰ দাবী জনাইছে। অন্যথা ৰাইজে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সকীয়াই দিছে।

# নুমলীগড় ৰিফাইনাৰী অফিচাৰ্ছ এছোচিয়েচনৰ পৰা মুখ্যমন্ত্ৰীৰ সহায়ক ধননিধিলৈ ১৫ লাখ টকাৰ অৰদান




**অসম বাৰ্তা, নুমলীগড়, ১ ছেপ্টেম্বৰ ঃ** নুমলীগড় ৰিফাইনাৰী লিমিটেড (NRL) অফিচাৰ্ছ এছোচিয়েচনৰ প্ৰতিনিধিসকলে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীৰ সহায়ক ধননিধিলৈ ১৫ লাখ টকাৰ চেক প্ৰদান কৰে। এছোচিয়েচনৰ সাধাৰণ সম্পাদক জগদীশ চন্দ্ৰ শৰ্মাৰ নেতৃত্বত প্ৰতিনিধি দলটোৱে লোক সেৱা ভৱনত মুখ্যমন্ত্ৰীক এই চেক প্ৰদান কৰে। এই অনুষ্ঠানত সদৌ অসম আই এম এফ এল ৰিটেলাৰ্ছ এছোচিয়েচনেও সমপৰিমাণৰ ১৫ লাখ টকাৰ চেক আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে উভয় সংগঠনৰ এই দ্ৰুত আৰু জনহিতকৰ পদক্ষেপৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ কয় যে এনে অৰদানে ৰাজ্যৰ চলিত সহায় আৰু পুনৰ সংস্থাপনৰ প্ৰচেষ্টাক শক্তিশালী কৰিব। উল্লেখযোগ্য যে শেহতীয়াকৈ অসমৰ বানপীড়িত লোকসকলৰ বাবে মুখ্যমন্ত্ৰীৰ সহায়ক ধননিধিলৈ বিভিন্ন সংস্থা, ব্যক্তি আৰু সংগঠনে অৰদান আগবঢ়াই আহিছে। NRLএ ইয়াৰ আগতেও ৰিফাইনাৰীৰ পৰা পোনপটীয়াকৈ বৃহৎ পৰিমাণৰ অৰদান আগবঢ়াইছে। এই অৰদানসমূহ বানপীড়িত পৰিয়ালসমূহৰ সহায় আৰু পুনৰ সংস্থাপনৰ কামত ব্যৱহাৰ কৰা হ'ব।

# চলন্তপাৰা, কাবাইটাৰী, বৰজানা, মালেগড়, যোগীঘোপা আৰু খৰাগাঁও অঞ্চলৰ গ্ৰাহকৰ বাবে গুৰুত্বপূৰ্ণ জাননী

**অসম বাৰ্তা, অভয়াপুৰী, ১ ছেপ্টেম্বৰ ঃ** বিদ্যুৎ গ্ৰাহকসকলৰ বাবে গুৰুত্বপূৰ্ণ জাননী। জৰুৰী বিদ্যুৎ লাইন পুনৰ সংযোগ তথা সংশ্লিষ্ট কাৰিকৰী কাম সম্পন্ন কৰাৰ বাবে ২৯ আগষ্টৰ পৰা ১০ ছেপ্টেম্বৰলৈ প্ৰতিদিনে পুৱা ৫ বজাৰ পৰা ৭: ৩০ বজালৈ কেইবাটাও অঞ্চলত বিদ্যুৎ যোগান সাময়িকভাৱে ব্যাহত থাকিব। জানিব পৰা মতে, বিদ্যুৎ বিভাগৰ জৰুৰী লাইন পুনৰ সংযোগৰ কাম আৰু আনুষংগিক কাৰিকৰী কাম নিৰ্ধাৰিত সময়ছোৱাত সম্পন্ন কৰা হ'ব। এই কামৰ সময়ত বিদ্যুৎ ব্যৱস্থাৰ সুৰক্ষা আৰু কামৰ সুবিধাৰ্থে সংশ্লিষ্ট অঞ্চলসমূহত সাময়িকভাৱে বিদ্যুৎ যোগান বন্ধ ৰখা হ'ব পাৰে। এই সাময়িক বিদ্যুৎ বিচ্ছিন্নতাৰ ফলত চলন্তপাৰা, কাবাইটাৰী, বৰজানা, মালেগড়, যোগীঘোপা আৰু খৰাগাঁও অঞ্চলৰ লগতে ইয়াৰ সংশ্লিষ্ট এলেকাসমূহৰ গ্ৰাহকসকল প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে। নিৰ্ধাৰিত সময় অনুসৰি প্ৰতিদিনে পুৱা ৫: ০০ বজাৰ পৰা ৭:৩০ বজালৈ বিদ্যুৎ সেৱা উপলব্ধ নাথাকিব পাৰে। অৱশ্যে কাম নিৰ্ধাৰিত সময়তকৈ আগতে সম্পূৰ্ণ হ'লে পৰিস্থিতি স্বাভাৱিক হোৱাৰ লগে লগে বিদ্যুৎ যোগানো পুনৰ আৰম্ভ কৰা হ'ব। উল্লেখ্য যে, পুৱা সময়ছোৱাত বিদ্যুৎ সেৱা বন্ধ থকাৰ ফলত ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, ক্ষুদ্ৰ উদ্যোগ, বিভিন্ন চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান আৰু সাধাৰণ গ্ৰাহকসকলে কিছু অসুবিধাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। বিশেষকৈ পুৱাৰ সময়ত পানীৰ পাম্প, বৈদ্যুতিক সঁজুলি আৰু অন্যান্য বিদ্যুৎচালিত ব্যৱহাৰিক সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল লোকসকলে আগতীয়াকৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন হ'ব। সেয়ে সংশ্লিষ্ট অঞ্চলসমূহৰ ৰাইজক নিৰ্ধাৰিত সময়ছোৱাৰ কথা মনত ৰাখি দৈনন্দিন প্ৰয়োজনীয় কাম-কাজ আগতীয়াকৈ সম্পন্ন কৰি ল'বলৈ আহ্বান জনোৱা হৈছে। বিদ্যুৎ লাইন পুনৰ সংযোগ আৰু কাৰিকৰী কাম সম্পূৰ্ণ কৰাৰ পিছত গ্ৰাহকসকলক স্বাভাৱিক বিদ্যুৎ সেৱা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব। বিদ্যুৎ সেৱা ব্যাহত হ'বলগীয়া অঞ্চলসমূহ চলন্তপাৰা, কাবাইটাৰী, বৰজানা, মালেগড়, যোগীঘোপা, খৰাগাঁও। সময়- পুৱা ৫: ০০ বজাৰ পৰা ৭: ৩০ বজালৈ সময়ছোৱা- ২৯ আগষ্টৰ পৰা ১০ ছেপ্টেম্বৰলৈ।

## ৰাহুল গান্ধীৰ দিনত কংগ্ৰেছে নিৰ্বাচনত পৰাজয় বৰণৰ চেঞ্চুৰী কৰিলে ঃ পীযুষ হাজৰিকা

# নগাঁও লোকসভা উপ-নিৰ্বাচন উপলক্ষে লাহৰীঘাটৰ বৰছলা খেলপথাৰত বিজেপিৰ বৃহৎ ৰাজহুৱা সভা




**অসম বাৰ্তা, ভূৰাগাঁও, ১ ছেপ্টেম্বৰ ঃ** নগাঁও লোক সভাৰ উপ-নিৰ্বাচনক লৈ ক্ৰমে গৰম হৈ পৰিছে ৰাজনৈতিক বতাহ। যিকোনো প্ৰকাৰে সমষ্টিটো বিজিপি দখললৈ নিবৰ বাবে তৎপৰ হৈ পৰিছে বিজেপিৰ নেতৃত্ব। আজি মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ বৰছলাত ভাৰতীয় জনতা পাৰ্টি, মৰিগাঁও জিলা সমিতিৰ উদ্যোগত, বৰছলা আৰু মৈৰাবাৰী মণ্ডল সমিতিৰ সহযোগত আগন্তুক নগাঁও লোক সভাৰ উপ-নিৰ্বাচন উপলক্ষে এখন বৃহৎ ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মন্ত্ৰী পীযুষ হাজৰিকা। মন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত লাহৰীঘাটৰ ৰজা গাধোৱা জিলা পৰিষদৰ কংগ্ৰেছী সদস্যা ছাবিকুন নেহাৰকে প্ৰমোখ্য কৰি স্থানীয় শতাধিক কংগ্ৰেছ কৰ্মীয়ে আনুষ্ঠানিক ভাৱে যোগদান কৰে বিজেপিত। উল্লেখ্য যে পূৰ্বে বিজেপিৰ সভাত লাহৰীঘাটৰ লাহৰীঘাটত শূন্য আসন পৰি থকা বিপৰীতে আজিৰ সভাত দেখা গ'ল বিপৰীত ছবি। বৰযুনকো আওকান কৰি পুৱাৰ পৰা বৰছলা সভালৈ আগমন ঘটে শ শ সংখ্যালঘু মহিলাৰ। বিভিন্ন প্ৰান্তৰ পৰা অহা সংখ্যালঘু মহিলাই বিৰদি বাট নেপোৱা অৱস্থা কৰে সভাস্থলীত। সভাস্থলীত প্ৰায় ১০ সহস্ৰাধিক লোকৰ সমাগম দেখি মন্ত্ৰী পীযুষ হাজৰিকায়ো ভাষণ প্ৰসঙ্গত এয়া লাহৰীঘাট সমষ্টিৰ ৰাজনীতিত যুগান্তকাৰী ঘটনা বুলি অভিহিত কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই ভাষণ আৰম্ভ কৰিয়ে ৬০ বছৰে কংগ্ৰেছে দখল কৰি ৰখা ৫৩ নং লাহৰীঘাটৰ সমষ্টিৰ উন্নয়নৰ হিচাপ বিচাৰে ভোটাৰ সকলক। কংগ্ৰেছৰ বিৰুদ্ধে মন্ত্ৰী গৰাকী আক্ৰমণাত্মক হৈ পৰে। ভাষণ প্ৰসঙ্গত তেওঁ কয় "কংগ্ৰেছ দলে ৬০ বছৰে সমাধান কৰিব নোৱাৰা মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বান-গড়াখহনীয়া সমস্যা তিনি মাহত সমাধান কৰিছিল ড° মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। মই নিজে জলসম্পদ মন্ত্ৰী হৈ থাকোঁতে এডিবিৰ ৫০০ কোটিৰ প্ৰকল্পৰে সমাধান কৰা হৈছিল লাহৰীঘাটৰ জ্বলন্ত সমস্যা। যাৰবাবে বৰ্তমান মাযঙৰ পৰা লাহৰীঘাটলৈ কৃষক সকলে হাজাৰ হাজাৰ বিঘা মাটিত মাকৈ খেতি কৰি আৰ্থিকভাৱে সৱল হৈছে। বাট পথৰ উন্নয়ন হৈছে। কংগ্ৰেছৰ দালাল আৰু গুণ্ডা লাহৰীঘাটত এতিয়া ঠাণ্ডা। কংগ্ৰেছক আৰু গুণ্ডাৰাজ চলাব দিয়া নহ'ব। এইখন চৰকাৰৰ দিনত প্ৰতিটো বছৰত লাহৰীঘাট সমষ্টিত ৭-৮ লাখ বিভিন্ন ফল-মূলৰ পুলি কৃষক সকলক যোগান ধৰা হব। লাহৰীঘাটত ৩-৪ হাজাৰ হেক্টৰত কৃষি ভূমিত পানী যোগান ব্যৱস্থাৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছে। ইউৰিয়া বেপাৰীয়ে যাতে কৃষকৰ পৰা অধিক দাম লব নোৱাৰে তাৰ বাবে নাকী লগোৱা হব। বিজেপিয়ে কংগ্ৰেছৰ দৰে দালালি নকৰে। সেৱাহে কৰে। নিযুত মইনা, অৰুনোদয় আদি আঁচনিৰে সকলোকে সামৰি লৈছে এই চৰকাৰে। লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ এজন ভেন্সাৰ এম এল এ। নাজাৰৰ এতিয়া কোনো কাম নাই। পাম যোৱা বেলুন দৰে হৈ পৰিছে নাজাৰ। এনেদৰে কংগ্ৰেছক কঠোৰ বাক্যবানেৰে সমালোচনা কৰে মন্ত্ৰী হাজৰিকাই। ইফালে ২০২৯ ত ৰাহুল গান্ধি প্ৰধান মন্ত্ৰী হব বুলি গৌৰৱ গগৈয়ে মৰিগাঁৱত অলপতে দাবী কৰা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয়- গৌৰৱ গগৈ নিজৰ বুথতে বেয়াকৈ হাৰিছে। এয়া তেওঁৰ অলিক কল্পনা। ৰাহুল গান্ধীৰ দিনত কংগ্ৰেছ দলে ১০০টা নিৰ্বাচনত হাৰি চেঞ্চুৰী কৰিছে। হাৰাৰ চেঞ্চুৰী। ইফালে অখিল গগৈৰ ৰাজনৈতিক স্থিতিৰ সন্দৰ্ভত তেওঁ কয় কংগ্ৰেছ আৰু অখিল গগৈৰ ধাৰণাৰ মিল আছে। গতিকে অখিল গগৈৰ সন্দৰ্ভত মোৰ কোনো মন্তব্য প্ৰকাশৰ ইচ্ছা নাই। আগন্তুক নিৰ্বাচনত বিজেপি দলে কাক প্ৰাৰ্থীত্ব দিব বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰতো তেওঁ দলে যজনকে প্ৰক্ষেপ কৰে তেওঁকে জিকাবৰ মৰণপণ চেষ্টা কৰিব বুলি মন্তব্য কৰে। উল্লেখ্য যে লাহৰীঘাটৰ সংখ্যালঘু ভোটাৰ সকলক আকৃষ্ট কৰিবৰ বাবে আজি পীযুষ হাজৰিকাই বহু সময় বাংলা ভাষাতে বক্তব্য ৰাখে। ফলত তেওঁৰ বক্তব্যত স্বাভাৱিকতেই একাংশ জ্যেষ্ঠ সংখ্যালঘু ভোটাৰ আকৃষ্ট হৈ মঞ্চৰ নিচেই কাষলৈ চাপি আহি প্ৰায় চিঞৰিয়ে কয় - "আল্লাহত কছম, এইবাৰ আমি বিজেপিত ভোট দিম।" ভোটাৰ সকলৰ এনে আচৰণে মন্ত্ৰী গৰাকীক উৎসাহিত কৰে। আৰু তেৰো সেইসকলৰ সুৰতে সুৰ মিলায় কয়। আল্লাহত কছম খাবলৈ মই কিন্তু কোৱা নাই। আপোনালোকে কৈছে। সচাঁকৈ কৈছে যদি এইবাৰ নগাঁও লোকসভা সমষ্টিত আমাৰ বিজয় নিশ্চিত। এনেদৰেই মন্ত্ৰী পীযুষ হাজৰিকাই লাহৰীঘাটত একপ্ৰকাৰ ৰাজনৈতিক বতাহ গৰম কৰি থৈ গ'ল। অৱশ্যে এই সংখ্যালঘু মহিলা আৰু পুৰুষ ভোটাৰ সকল প্ৰকৃততে বিজেপিৰ প্ৰতি আকৃষ্ট হৈ বিজেপিৰ সভাত অংশ গ্ৰহণ কৰিলে নে আচনিৰ পৰা নাম কটা যোৱাৰ ভয়ত সভাৰ সৌন্দৰ্য বৰ্ধন কৰিলে সেয়া নিৰ্বাচনৰ ফলাফলতহে স্পষ্ট হ'ব।

# মেৰাপানীৰ বৰডুবিত ধৰ্মপৰায়ণা মহিলা ডিম্বেশ্বৰী বৰাৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, মেৰাপানী, ১ ছেপ্টেম্বৰ ঃ** মেৰাপানীৰ বৰডুবি গাঁৱৰ নিবাসী তথা স্বৰ্গীয় অৰ্জুন বৰাৰ সহধৰ্মিণী ডিম্বেশ্বৰী বৰাৰ শনিবাৰে দুপৰীয়া প্ৰায় ২ বজাত নিজ বাসগৃহত ৯২ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁৰ মৃত্যুত বৰডুবি, দৈয়াং আৰু মেৰাপানী অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। ডিম্বেশ্বৰী বৰা আছিল এগৰাকী ধৰ্মপৰায়ণা, সৰল আৰু সমাজৰ সৈতে ওতপ্ৰোতভাৱে জড়িত মহিলা। তেওঁৰ পুত্ৰ ভদ্ৰেশ্বৰ বৰা বৰডুবি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ, মেৰাপানী প্ৰেছ ক্লাবৰ সম্পাদক, দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ সম্পাদক তথা নিউজ আছাম টুডেৰ পৰিচালন সঞ্চালক মেৰাপানীৰ বিশেষ সংবাদদাতা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ডিম্বেশ্বৰী বৰাৰ পৰলোকপ্ৰাপ্তিৰ বাতৰি বিয়পি পৰাৰ লগে লগে বিভিন্ন দল-সংগঠন আৰু শুভাকাংক্ষীসকলে শোক প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত দৈয়াং অঞ্চলৰ বিভিন্ন দল-সংগঠনৰ উদ্যোগত প্ৰয়াত ডিম্বেশ্বৰী বৰাৰ স্মৃতিত এখনি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। দৈয়াং সাহিত্য সভাৰ সম্পাদক হিৰণ্য গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ড° বিদুৰ কুমাৰ বৰুৱা, মেৰাপানী প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি সুনীল বৰা, সম্পাদক ৰাজু মণি শইকীয়া, সদস্য জোন গগৈ, দৈয়াং কৃষক সন্থাৰ সভাপতি দেৱজিৎ বৰা, সাংগঠনিক সম্পাদক দীপক বৰা, আলোক সন্ধানী শাখা সাহিত্য সভাৰ সভাপতি মদন গগৈ আৰু সাংগঠনিক সম্পাদক অনিল বৰা উপস্থিত থাকে। অনুষ্ঠানটোত গোলাঘাট জিলা মইনা পাৰিজাত তথা দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি চন্দ্ৰদ্বীপ গগৈ, দৈয়াং আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি কেশৱ চন্দ্ৰ ফুকন, কে বি এড স্কুলৰ অধ্যক্ষ ৰাজু ঠেঙাল, বৰডুবি জাতীয় বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মিণ্টু বৰুৱা আৰু এন কে টিভিৰ সাংবাদিক মহেন্দ্ৰ শইকীয়াও উপস্থিত থাকে। উপস্থিত বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিসকলে প্ৰয়াত ডিম্বেশ্বৰী বৰাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে। এগৰাকী ধৰ্মপৰায়ণা, সৰল আৰু সমাজৰ প্ৰতি দায়বদ্ধ মহিলা হিচাপে ডিম্বেশ্বৰী বৰাৰ পৰলোকপ্ৰাপ্তিয়ে অঞ্চলটোত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিছে। তেওঁৰ মৃত্যুত বিভিন্ন মহলত গভীৰ শোকৰ অনুভূতি প্ৰকাশ পাইছে।

## সম্পাদকীয়

# প্ৰত্যাহ্বান, ৰাজনীতি আৰু সাধাৰণ নাগৰিকৰ প্ৰশ্ন

২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন বা জিডিপি ৭.৮ শতাংশলৈ বৃদ্ধি পোৱাৰ খবৰে দেশৰ অৰ্থনৈতিক প্ৰেক্ষাপটত এক নতুন আশা আৰু ব্যাপক বিতৰ্কৰ সূচনা কৰিছে। বিশ্বজুৰি চলি থকা সামৰিক সংঘাত, বিশেষকৈ আমেৰিকা-ইজৰাইল আৰু ইৰাণৰ মাজৰ উত্তেজনা আৰু আন্তঃৰাষ্ট্ৰীয় যোগান শৃংখলৰ ব্যাঘাতৰ সত্ত্বেও ভাৰতে অৰ্জন কৰা এই বৃদ্ধিক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীৰ সামূহিক শক্তি আৰু পৰিশ্ৰমৰ ফল বুলি অভিহিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে এই সাফল্যৰ কৃতিত্ব জনসাধাৰণক সমৰ্পণ কৰাৰ লগতে 'আত্মনিৰ্ভৰ ভাৰত' আৰু 'ভোকেল ফৰ লোকেল'ৰ মন্ত্ৰ অধিক জোৰদাৰ কৰিবলৈ আহ্বান জনাইছে। বিদেশত বিয়া পতা বা অনাহক ভ্ৰমণৰ সলনি দেশৰ সম্পদ দেশতে ৰখা আৰু সোণ ক্ৰয়ৰ দৰে বিষয়ত সংযম অৱলম্বন কৰাৰ যি পৰামৰ্শ তেওঁ দিছে, সেয়া স্বদেশী অৰ্থনীতিক সুদৃঢ় কৰাৰ এক কৌশলগত প্ৰয়াস বুলি ধৰিব পাৰি।

যি সময়ত পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰণালয়ৰ তথ্য অনুসৰি উৎপাদন আৰু সেৱা খণ্ডৰ সক্ৰিয়তাই জিডিপিক ৭.৮ শতাংশৰ উচ্চতালৈ লৈ গৈছে, ঠিক সেই সময়তে বিৰোধীৰ ফালৰ পৰা প্ৰবল সমালোচনাৰ সৃষ্টি হৈছে। কংগ্ৰেছ সাংসদ জয়ৰাম ৰমেশে এই পৰিসংখ্যাত ভুল গণনা পদ্ধতি আৰু বাস্তৱৰ সৈতে সংগতিহীনতাৰ গুৰুতৰ অভিযোগ তুলিছে। তেওঁৰ মতে, বাস্তৱ আৰু আনুমানিক জিডিপিৰ মাজত ২.৩ শতাংশৰ পাৰ্থক্য থকাৰ উপৰি পাইকাৰী মূল্য সূচকত ৯ শতাংশ মূল্যবৃদ্ধি হৈ থকাটোৱে চৰকাৰী দাবীৰ বিপৰীতে এক চিন্তনীয় ছবিৰ সৃষ্টি কৰিছে। বিৰোধীৰ যুক্তি হ'ল যে 'মেক ইন ইণ্ডিয়া' বা অৰ্থনৈতিক বিকাশৰ খতিয়ান যিমানেই বিজ্ঞাপনভিত্তিক কৰা নহওক কিয়, সঁচা ছবিখন বাস্তৱৰ পথাৰতহে দেখা যায়।

চৰকাৰী কৃতিত্ব আৰু ৰাজনৈতিক বোকা ছটিওৱাৰ এই পৰিৱেশত ওলমি ৰৈছে সাধাৰণ জনগণৰ দৈনন্দিন জীৱন। এজন সাধাৰণ নাগৰিকৰ মনত স্বাভাৱিকতেই প্ৰশ্ন হয় যে জিডিপিৰ এই ৭.৮ শতাংশ বৃদ্ধিয়ে তেওঁলোকৰ পকেটত কিমান ধন যোগ কৰিলে বা ক্ৰয়ক্ষমতা বৃদ্ধি কৰিবলৈ সক্ষম হ'ল। যদি অৰ্থনীতিৰ বিকাশ ইমান দ্ৰুত হৈছে, তেন্তে দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰী, খাদ্য আৰু ইন্ধনৰ জুই-চাই দামৰ পৰা ৰাইজে কেতিয়া পৰিত্ৰাণ পাব, সেয়া এক ডাঙৰ প্ৰশ্ন। একেদৰে সেৱা আৰু উৎপাদন খণ্ডৰ সক্ৰিয়তাৰ বাৰ্তাই কিমান শতাংশ নিবনুৱা যুৱক-যুৱতীলৈ সংস্থাপনৰ বাস্তৱ সুযোগ আনিছে, সেয়াও চিন্তনীয় বিষয়। দেশৰ সম্পদ দেশতে ৰখাৰ আহ্বান নিশ্চিতভাৱে যোগাত্মক, কিন্তু দেশীয় পৰ্যটন আৰু সামগ্ৰীৰ মান বা মূল্য সাধাৰণ মানুহৰ সাধ্যৰ ভিতৰত নাথাকিলে কেৱল আৱেগেৰে 'ভাৰতত বিয়া' বা 'স্বদেশী ক্ৰয়' প্ৰচাৰ কৰাটো কিমানদূৰ কাৰ্যকৰী হ'ব, তাক লৈও ৰাইজৰ মনত সংশয় আছে।

ভাৰতীয় অৰ্থনীতিৰ স্থিতিস্থাপকতা সন্দেহাতীতভাৱে শক্তিশালী আৰু গোলকীয় প্ৰত্যাহ্বানৰ মাজতো ৭.৮ শতাংশ বৃদ্ধি এক উল্লেখযোগ্য সফলতা। কিন্তু জিডিপি কেৱল সংখ্যাৰ খেলা হৈ ৰোৱাটো অনুচিত, ইয়াৰ সুফল দেশৰ প্ৰতিটো শ্ৰেণীৰ নাগৰিকৰ ওচৰলৈ যাব লাগিব। চৰকাৰে বিৰোধীৰ প্ৰশ্নসমূহক কেৱল ৰাজনৈতিক বিৰোধিতা বুলি এৰাই চলিলেই নহ'ব, মূল্যবৃদ্ধি নিয়ন্ত্ৰণ আৰু সঁচা অৰ্থত সংস্থাপন সৃষ্টিৰ জৰিয়তেহে এই অৰ্থনৈতিক সাফল্যক সৰ্বজনীন কৰি তুলিব পৰা যাব। বিকাশৰ গতি তেতিয়াহে অৰ্থপূৰ্ণ হ'ব, যিদিনা চৰকাৰী পৰিসংখ্যা আৰু জনসাধাৰণৰ বাস্তৱ অভিজ্ঞতা একেডাল ৰেখাত আগবাঢ়িব।

# কাজিৰঙাৰ প্ৰতিধ্বনি সংবেদনশীল এলেকাৰ পৰিসীমা

প্ৰমোদ দোৱনীয়া

*বৰ্তমান হাবি-জংঘল বিলাকত খাদ্যৰ অভাৱ হোৱাত , বাসস্থানৰ অভাৱ হোৱাত, হাতী-মানুহৰ সংঘাত, বান্দৰ-মানুহৰ সংঘাত চলি আছে। ইয়াৰ বাবে জগৰীয়া মানুহহে, হাবিত থকা বনৰীয়া জীৱকুল নহয়। কাৰণ, মানুহে হাবি-জংঘল কাটি নিজৰ বসতি স্থাপন কৰাৰ লগে লগে তেওঁলোকৰ বসস্থানৰ সংকুচিত হৈছে। ফলত খাদ্য বস্তুৰো নাটনি হৈছে। গতিকে তেওঁলোক বাধ্য হৈছে জনবসতি এলেকাত সোমাবলৈ খাদ্যৰ সন্ধানত। তেনেকৰোঁতে কেতিয়াবা মানুহৰ লগত সংঘাতত লিপ্ত হ'বলৈ বাধ্য হৈছে। কাৰণ তেওঁলোকো জীয়াই থাকিব লাগিব। এইবোৰৰে আচিলাতে কাজিৰঙাৰ অভয়াৰণ্যৰ প্ৰতিধ্বনি সংবেদনশীল এলেকাৰ কিছু সংকোচন কৰি চৰকাৰে তেওঁলোকৰ বাসস্থানৰ এলেকা বঢ়াব খুজিছে। যাতে বনৰীয়া জীৱ-জন্তুৰ লগত মানুহৰ সংঘাত কমে, বনৰীয়া জীৱ-জন্তুৰ বাসস্থানৰ পৰিসৰ বাঢ়ে, খাদ্য সামগ্ৰী বাঢ়ে আৰু দাতি-কাষৰীয়া মানুহৰ জীৱন আৰু জীৱিকাৰ মানদণ্ড উন্নত হয়। সঁচাকৈয়ে যদি সেইটোৱেই হয় বৰ ভাল কথা। আমি চৰকাৰৰ লগত থাকিম। চৰকাৰৰ শলাগ ল'ম। পাছে, ৰাইজে চৰকাৰৰ এই সিদ্ধান্তত কিছু ষড়যন্ত্ৰৰ গোন্ধ পাইছে।*

শুনিবলৈ পালো বোলে কাজিৰঙাৰ দাতিকাষৰীয়া মাটিখিনি ইতিমধ্যেই কাৰোবাক ৯৯ বছৰৰ বাবে চুক্তি কৰি লিজত দিয়া হৈ গৈছে। চুক্তিখন সম্পাদিত হৈছিল ২০২৩ চনৰ মাৰ্চতে। সেই ঠাইত ৪ লাখ ২০হেজাৰ বৰ্গফুটৰ ১০৬ কোঠাৰ এখন ৰিজৰ্ট হ'ব। ইতিমধ্যে সেই ৰিৰ্টখনৰ জোখ-মাখ সকলো হৈ গৈছে। বৰ্তমান কাৰ্যকৰী কৰিবলৈহে লোৱা হৈছে। কথাটো কিমান সত্য নেজানো। কথাটো শুনি বৰ দুখ লাগিল। প্ৰকৃততে যদি সেইটোৱে হয়, অসমীয়াৰ পৰিচয় কিন্তু শেষ।

কাজিৰঙা কি বুলি যদি কোনোবাই আমাক প্ৰশ্ন কৰে, সৰ্বপ্ৰথমে ক'ম অসমীয়াৰ স্বাভিমান বুল। তাৰ পিছত ক'ম—এখন অভয়াৰণ্য। বিশ্ব ঐতিহ্যক্ষেত্ৰ। ক'ত বুলি প্ৰশ্ন কৰিলে আমাৰ উত্তৰটো হ'ব—যদিও কাজিৰঙাখন মূলতঃগোলাঘাট জিলাতেই , তথাপি ক'ব লাগিব যে— ইয়াৰ সীমাই পূৱে যোৰহাট জিলা, দক্ষিণে কাৰ্বি আংলং জিলা, পশ্চিমে নগাঁও জিলা আৰু উত্তৰে বিশ্বনাথ চাৰিআলি জিলাক চুই আছে। কাজিৰঙা মাটিকালি প্ৰায় ৪৩০ বৰ্গ কিলোমিটাৰ অৰ্থাৎ ১৬৬ বৰ্গ মাইল। ভুপেনদাৰ ভাষাত কাজিৰঙাৰ মাজেদি অসমীয়া জাতিৰ আয়ুষ ৰেখা ব্ৰহ্মপুত্ৰ নদী বৈ গৈছে। ঠিক সেইদৰেই কাজিৰঙাৰ বুকুয়েদিয়ে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটোৱে পূবৰ পৰা পশ্চিমলৈকে বোলক বা পশ্চিমৰ পৰা পূবলৈকে বোলক ঢপলি মেলিছে। কাজিৰঙাক ইউনেস্কোই ১৯৮৫ চনত ৱৰ্ল্ড হেৰিটেজ স্থান হিচাপে ঘোষনা কৰিছে। লগতে, ভাৰতবৰ্ষই কাজিৰঙাক ২০০৬ চনত সংৰক্ষিত বাঘ্ৰ প্ৰকল্প হিচাপেও ঘোষনা কৰিছে। বৰ্তমান কাজিৰঙাত ২৬১৩ টা এশিঙিয়া গঁড়, ( ই ভাৰতত পোৱা মুঠ গঁড়ৰৰ প্ৰায় ৯০ শতাশ) ১৪৮টা পুৰ্ণবয়স্ক মতা ঢেকায়ীপতীয়া বাঘ ( ৰয়েল বেংগল টাইগাৰ) আৰু ৫৫ জনী মাইকী বাঘিনী আছে। (২০২৫ চনৰ পৰিসংখ্যা মতে বৰ্তমান)। গৌৰৱৰ কথা যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনত বৰ্তমান সোনালী ৰঙৰ ঢেকীয়াপতীয়া বাঘ প্ৰত্যক্ষ কৰা হৈছে । যিটোক ইতিমধ্যে বিশ্বত দুস্প্ৰাপ্য বুলি ঘোষণা কৰা হৈছে। বৰ্তমান অভয়াৰণ্যখনত হাতীৰ পৰিমাণ হ'ল—১১৮৩ টা। এই কথাটো বিভিন্ন সময়ত পাৰ্কখন পৰিভ্ৰমন কৰা পৰ্যটক আৰু বন্যপ্ৰানী বিভাগৰ মানুহৰ লগতে পৰ্যটক সকলক নিৰাপদে লৈ ফুৰা গাইড সকলে কৈছে। যিহেতু , তেওঁলোকে অভয়াৰণ্যখনৰ ভিতৰত বিভিন্ন সময়ত দুস্ৰপ্ৰাপ্য ঘঁৰিয়াল প্ৰত্যক্ষ কৰিছে। অৰ্থাৎ কাজিৰঙা অভয়াৰণ্যখনত ঘঁৰিয়ালো আছে। দীৰ্ঘদিন ধৰি কাজিৰঙা অভয়াৰণ্যত কাম কৰা অভিজ্ঞতাৰে পুষ্ট মাননীয় ধৰণী ধৰ বড়োৱে কৈছে যে— কাজিৰঙাত গোটে গোটে মানুহ গিলি থ'ব পৰা সমান ডাঙৰ অজগৰ সাপো আছে। কাজিৰঙাৰ মাজত থকা বিল আৰু পিতনি বিলাকত কিমান ডাঙৰ ডাঙৰ কাছ , মাছ, কুচীয়া, সাপ, বেঙ আদি আছে তাক ভাষাৰে বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। এই কথা মোক কৈছিলে এটা সময়ত অৰুণাচল প্ৰদেশৰ মুখ্য সচিবৰ পদ



শুৱনি কৰা মাননীয় জ্যোতি প্ৰসাদ ৰাজখোৱা ডাঙৰীয়দেৱৰ মোমায়েক যোৰহাট নিবাসী আশিটিপৰ শ্ৰীযুত অমূল্য কুমাৰ বৰাদেৱে। বৰা ডাঙৰীয়া কাজিৰঙা অভয়াৰণ্যৰ এজন প্ৰাক্তন ডি এফ ' । তেখেতে কৈছিল ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথটোৰ, গুৱাহাটীৰ পৰা যোৰহাটৰ ফালে গ'লে , উত্তৰ দিশত থকা ইকৰাণী, বিৰিণানী, নলনী, দলনীৰে আৰৱা জলাহ বিলাকত কি কি জীৱ-জন্তু আছে সেইটোৱেই আচল কথা নহয়, কাজিৰঙা হাবিৰ দক্ষিণ দিশত থকা কাৰ্বি পাহাৰটোৰ অন্তৰ ভাগতো বহুত মূল্যবান সম্পদ আছে। বৰ্তমানলৈকে সেইবোৰৰ কথা বিভাগীয় কতৃপক্ষ আৰু ভাৰত চৰকাৰে জানিলেও, কিন্তু কোনো বনিয়া বা ৰাজনৈতিক দালালে নেজানে বুলিয়ে মই ভাবোঁ। যদিহে এইবোৰ সম্পদৰ কথা কেনেবাকৈ ভাৰতীয় বনিয়াসকলৰ লগতে ৰাজনৈতিক দালাল সকলে ভূ-পায় তেতিয়া হ'লে কথা বিষমতকৈয়ো বিষম হ'ব। মানুহজনৰ লগত মই এই বিলাক কথা পতা বহুত বছৰেই হ'ল। বৰ্তমান মানুহজন এলজেইমাৰত ৰোগত ভোগী আছে। কথাবোৰ পাহৰিছে। আজি কাজিৰঙাৰ বুকুত শেষৰটো পেকিং গজাল মাৰিবলৈ ওলোৱাৰ সময়ত মনত পৰিছে মানুহজনে কোৱা কথাবিলাকলৈ।

আমি তেতিয়া সৰু । ষাঠিৰ দশকৰ কথা। চীন ভাৰত আৰু ভাৰত পাকিস্তানৰ যুদ্ধ প্ৰায় শেষ হৈছে। আমাৰ ঘৰৰ পৰা পশ্চিমত নুমলীগড়। নুমলীগড়ৰ পৰা দক্ষিণ -পশ্চিমলৈ ডিমাপুৰৰ দিশে সোমাই যোৱা ৩৯ নং ৰাষ্ট্ৰীয় ঘাই পথটোৰে অলপ দূৰ গ'লেই পোৱা যায় বাবা থান। বাবাথান মানে একেবাৰে ৰজাদিনিয়া শিৱ বাবাৰ থান। ৰাষ্ট্ৰীয় ঘাই পথটোক স্থানীয় মানুহে পাহাৰ লাইন বোলে। ঠাই ডোখৰ হাবি-জংঘলে আৱৰা বৰ জয়াল। আমাক সেই ফালে তাহানি বৌ-পিতায়ে যাবলৈ নিদিছিল। দিনতে বনৰীয়া হাতী ওলায়। সেই বাবাথানৰ পৰা আৰু অলপ দূৰ আগবাঢ়ি গ'লেই পোৱা যায় ধনশিৰীৰ পাৰৰ লৱণঘাট নামৰ ঠাইখন। কালিয়নী নদীৰ পাৰত। এই লৱণঘাটৰ বালিত চানমাইকা আছে। সেই তেতিয়াই আমি শুনিছিলো লৱণঘাটত সোণৰ খনি ওলোৱা বুলি। সেই সময়ত ঠাইখন মুকলি আছিল। আজিৰ নিচিনাকৈ মানুহৰ বসতিও নাছিল, বেহা-বেপাৰো নাছিল। তাৰ অলপ দিনৰ পিছত দেখিলো ঠাইখন ইটা-বালিৰে গাঁঠি পকী বেৰেৰে বেঢ়ি পেলোৱা হ'ল। কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনীৰ দ্বাৰা ঠাইখন পহৰা দিয়া ব্যৱস্থা কৰা হ'ল। কিন্তু, ঠাইখনৰ ভিতৰত কি আছে আজিও কোনেও নিশ্চয়কৈ নেজানিলো।

তাৰ পিছত ইন্দিৰা মিৰি বাইদেউৰ 'মই আৰু নেফা' নামৰ কিতাপখনত পঢ়িছিলো— কাজিৰঙাৰ লগতে লাগি থকা কাৰ্বি পাহাৰত ইমানেই ডাঙৰ ডাঙৰ অজগৰ সাপ আছে যে সাপটোৱে এটা পুৰ্ণ বয়স্ক মানুহ গোটে গোটে গিলি পেটত ভৰাব পাৰে। সেই টো তেখেতে নিজ চকুৰে দেখা বুলি কিতাপখনত লিখিছে। কথাখিনি ভাবিলে তাহানিৰ আইতা-ককাহঁতে কোৱা চম্পাৱতীৰ সাধুটো সঁচা সঁচা যেন লাগে। বোলে—'হুৰ হুৰ বতা চৰাই মোৰ ধান নেখাবি তোক দিম টোটা কৰাই। ধানো খাম চাউলো খাম চম্পাৱতীক বিয়া কৰাই ঘৰলৈ লৈ গুচি যাম।' অৱশ্যে, নগাঁও আৰু কাৰ্বিপাহাৰৰ সীমাত থকা চম্পাৱতী নামৰ ঠাইখন দেখিলে তেনে যেন লাগেও। সেয়ে ঠাইখন আজিও বৰ জয়াল। সেই ঠাইত ইমন ডাঙৰ অজগৰ বা তেনেধৰণৰ আন সাপ থকাতো একো আচৰিত কথা নহয়।

কাৰ্বি পাহাৰত মই নিজে দেখিছিলো দুমুখীয়া সাপ। দেউপানী থানৰ সন্মুখত ২০১১ চনৰ ৪ নৱেম্বৰ তাৰিখে, দিনতে। হাতী, বাঘ, বান্দৰ, পহু বিভিন্ন চৰাইৰ কথা নকৰেঁই। কাৰ্বি পাহাৰত কি নাছিল। পাছে, মানুহৰ বিধ্বংসী হাতোৰাৰ আচোঁৰত সকলো এফালৰ পৰা শেষ হৈ আহিল। শুনিবলৈ পোৱা মতে দেউপানীত থকা মা দুৰ্গদেবীৰ মন্দিৰ ভাগো কোনোবা মালপানী উপাধিৰ ব্যক্তিয়ে সজোৱাহে কাৰ্বি পাহাৰত গছ-বন কাটিবৰ সুবিধা কৰি দিবৰ বাবে দেৱীমাক সন্তুষ্ট কৰাৰ উদ্দেশ্যে( ?) কিমান সত্য নেজানো। এই মন্দিৰ ভাগ তাহানি নিচেই সৰু আছিল । মই প্ৰাইমেৰী স্কুলত পঢ়ি থাকোঁতেই তালৈ গৈছিলো। তাৰ পিছত বহুতবাৰ গৈছো। বৰ্তমান বহুত ডাঙৰ হ'ল। মন্দিৰ ভাগৰ গছে বনে বন্ধা ৰঙা ফিটাৰ প্ৰকোপত ভয়ানকভাৱে জয়াল হৈ উঠিল। এইখিনিতে আৰু এটা কথা কৈ যাওঁ— কাৰ্বি আংলং জিলাৰ মাজেৰে পাৰহৈ যোৱা ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়ো কাষৰ মানুহবোৰ কিন্তু বেচি ভাগেই অনাকাৰ্বি। এই ধৰক —বিহাৰি, নেপালী, বেঙ্গুলী, আদিবাসী মানুহৰ বসতিৰ লগতে বেহা বেপাৰ।

আমাৰ আজিৰ আলোচনাৰ বিষয় হ'ল কাজিৰঙাৰ ইক' চেনচিটিভ জ'ন অৰ্থাৎ প্ৰতিধ্বনি সংবেদনশীল এলেকাৰ সীমা সংকোচন। তাহানি কাজিৰঙাৰ গঁড়, হাতী, বাঘ, হৰিণা আদি আঘোন-পুহ মাহত আমাৰ গোলাঘাটৰ গাঁও উলাইছিল গৈ। সেই পৰিবেশ সৌ-সিদিনালৈকে আছিল। প্ৰমাণ আমাৰ ঘৰৰ ওচৰৰ আলুতলীয়া চুকত বিৰেন গগৈ ছাৰক ঘৰতে পূৱতি নিশা বনৰীয়া হাতীয়ে গছকি মাৰিছিল আজিৰে পৰা চাৰি কি পাঁচ বছৰৰ আগতে। আজিকালি সেই পৰিবেশ নাই। বিগত ১৯৮১ চনত নামবৰ হাবিৰ পৰা এটা বৃহৎ বনৰীয়া হাতীৰ জাক গৈছিল বৰবামত থকা বাবা থানত পুজা দিবলৈ। ৰাধাবাৰী বাগানৰ নলা খান্দি থাকোঁতে কাজিৰঙাৰ পৰা যোৱা গঁড়ে খুন্দিয়াই বিহাৰী নুনিয়াক মাৰিছিল। মধ্য বনগাঁৱৰ বঙালী ল'ৰাৰ কুঁহিয়াৰণীত বাঘ ওলাইছিল। আজিকালি তেনেকুৱা হয়নে নহয় নেজানো। নামবৰ ৰিজাৰ্ভখনো কাজিৰঙাৰে লগত সংলগ্ন। সেয়ে হয়তো খুমটাই অঞ্চলৰ মানুহৰ ঘৰৰ গোহালীত, খেৰৰ ঘৰত আজিও কেকো সাপে কিলবিল কৰি থকা দেখা যায়। গতিকে, সেই ফালৰ পৰা চাবলৈ গ'লে গোটেই গোলাঘাট জিলাখনেই কাজিৰঙা অভয়াৰণ্যৰ অন্তৰ্গত। তথাপিতো লেটেকুজানত নুমলীগড তেল শোধনাগাৰ বহুৱাই দিয়া হ'ল। তাৰ মজেতো হাতীৰ লগত, বনৰীয়া জীৱ-জন্তুৰ লগত মানুহে আৰু মানুহৰ লগত হাতীয়ে সহাৱস্থান কৰি চলি আছে। অৱশ্যে, হাতী খেদিবলৈ যোৱা মানুহৰ লগত হাতীৰ দুই এটা সংঘাত নোহোৱা নহয়, হৈছে। হাতীয়ে মানুহো মাৰিছে; মানুহেও হাতীক কমখন অত্যাচাৰ কৰা নাই। কিন্তু মনত ৰাখিব হাতীৰ বাসস্থানত আমিহে সোমাইছোঁ, বনৰীয়া হাতী নিজে আহি আমাৰ বাসস্থানত প্ৰবেশ কৰা নাই। যদিহে ক'ৰবাত কেনেবকৈ হাতী সোমাইছে, সেইয়া পেটৰ তাৰনাত বাধ্য-বাধকতাত পৰিহে। বোলে—ভোকে নেমানে চাউল নে চিৰা, টোপনিয়ে নেমানে বটা-বকৰা।

বৰ্তমান হাবি-জংঘল বিলাকত খাদ্যৰ অভাৱ হোৱাত , বাসস্থানৰ অভাৱ হোৱাত, হাতী মানুহৰ সংঘাত, বান্দৰ-মানুহৰ সংঘাত চলি আছে। ইয়াৰ বাবে জগৰীয়া মানুহহে, হাবিত থকা বনৰীয়া জীৱকুল নহয়। কাৰণ, মানুহে হাবি-জংঘল কাটি নিজৰ বসতি স্থাপন কৰাৰ লগে লগে তেওঁলোকৰ বসস্থানৰ সংকুচিত হৈছে। ফলত খাদ্য বস্তুৰো নাটনি হৈছে। গতিকে তেওঁলোক বাধ্য হৈছে জনবসতি এলেকাত সোমাবলৈ খাদ্যৰ সন্ধানত। তেনেকৰোঁতে কেতিয়াবা মানুহৰ লগত সংঘাতত লিপ্ত হ'বলৈ বাধ্য হৈছে। কাৰণ তেওঁলোকো জীয়াই থাকিব লাগিব। এই বোৰৰে আচিলাতে কাজিৰঙাৰ অভয়াৰণ্যৰ প্ৰতিধ্বনি সংবেদনশীল এলেকাৰ কিছু সংকোচন কৰি চৰকাৰে তেওঁলোকৰ বাসস্থানৰ এলেকা বঢ়াব খুজিছে। যাতে বনৰীয়া জীৱ-জন্তুৰ লগত মানুহৰ সংঘাত কমে, বনৰীয়া জীৱ-জন্তুৰ বাসস্থানৰ পৰিসৰ বাঢ়ে, খাদ্য সামগ্ৰী বাঢ়ে আৰু দাতি-কাষৰীয়া মানুহৰ জীৱন আৰু জীৱিকাৰ মানদণ্ড উন্নত হয়। সঁচাকৈয়ে যদি সেইটোৱেই হয় বৰ ভাল কথা। আমি চৰকাৰৰ লগত থাকিম। চৰকাৰৰ শলাগ ল'ম। পাছে, ৰাইজে চৰকাৰৰ এই সিদ্ধান্তত কিছু ষড়যন্ত্ৰৰ গোন্ধ পাইছে । বোলে, দেখুৱাই এইবোৰ হ'লেও, প্ৰকৃত উদ্দেশ্য বেলেগ। এইবোৰ সাধাৰণ মানুহক আভুৱা ভৰা কথাহে। ইয়াৰ অন্তৰালত আছে গভীৰ ষড়যন্ত্ৰ আৰু দীৰ্ঘম্যাদী উদ্দেশ্য । এই ষড়যন্ত্ৰ কাজিৰঙা অভয়াৰণ্যক লৈ নহয়, কাজিৰঙা অভয়াৰণ্যৰ গাতে লাগি থকা অৰ্থাৎ কাজিৰঙা অভয়াৰণ্যখনৰ পৰা প্ৰায় ডেৰকিলোমিটাৰ নিলগত থকা কাৰ্বি পাহাৰটোৰ বুকুত লুকাই থকা — গ্ৰেনাইট শিল, চিলিকা আৰু কেৱলিন নামৰ অতি মূল্যবান খনিজ পদাৰ্থ বিলাকহে। এইখিনি খনিজ পদাৰ্থ কেনেবাকৈ হস্তগত কৰিব পাৰিলেই, চৰকাৰৰ সকলো আশা পূৰণ হয়। জল্পনা-কল্পনাৰ ওৰ পৰে ।

উল্লেখযোগ্য যে কাজিৰঙা অভয়াৰণ্যখনক আগুৰি থকা পাহাৰটোত মূলৰবান খনিজ পদাৰ্থ থকা খবৰটো ২০১৮ চনত প্ৰথম প্ৰকাশ পাইছিল অসমৰ কেইখনমান বাতৰি কাকতত। লগতে, কাকত কেইখনত ইয়াকো প্ৰকাশ পাইছিল যে— এই খনিজ পদাৰ্থ সমূহ অসমৰ কেৱল গোৱালপাৰা, নগাঁও আৰু প্ৰকৃতিৰ ৰম্যভুমি কাৰ্বি আলং জিলাতহে পোৱা যায়। মনত ৰাখিব ৰাইজ, ইমান মূল্যবান খনিজ সম্পদ হেনো কেৱল চীন দেশতহে পোৱা যায়। সেই কাৰণেই ,এই খনিজাত সামগ্ৰী খিনিৰ মূল্য আৰু গুৰুত্ব বুজি তদানিন্তন চৰকাৰে আইন প্ৰস্তুত কৰি ইয়াৰ খননত বাধা আৰোপ নকৰা হ'লে, লগতে সংৰক্ষণৰ ব্যৱস্থা নকৰা হ'লে, ইমানদিনে হয়তো ইয়াৰ অস্তিত্বই নেথাকিলে হেতেঁন। কিন্তু , এতিয়া মন কৰক ৰাইজ, গোপীনাথ বৰদলৈকে আদি কৰি বহুকেইজন মুখ্যমন্ত্ৰীয়ে অসমৰ মুখ্যমন্ত্ৰীৰ আসনখন শুৱনি কৰিথৈ গ'ল। কোনেও ইয়াত হাত নিদিলে বা হাত দিবলৈ সাহস নকৰিলে। কিন্তু বৰ্তমানৰ সৰ্বকালৰ শ্ৰেষ্ঠ আৰু দূৰদৃষ্টি সম্পন্ন ঘুণি-জ্ঞানী সাহসী মুখ্যমন্ত্ৰীজনে অনাঅসমীয়া কোটিপতি ব্যৱসায়িসকলৰ লগত হাত মিলাই( ?) এই পাহাৰ কেইটাতত খনন কাৰ্য চলাই সম্পদবিলাক বেচি নিজে ধনি হ'ব বিচৰাৰ লগতে অনা অসমীয়া বনিয়াকো ধনি কৰিব বিচাৰিছে ,যেন অনুভৱ হয়। এইক্ষেত্ৰত কেৱল বাধা হিচাপে ঠিয় দি আছে 'ইক' চেনচিটিভ জ'ন আইন ১৯৮৬ 'খন। গতিকে, কাজিৰঙাৰ ইক' চেনচিটিভ জ'নৰ পৰিসৰ সংকোচন কৰি ১ কিলোমিটাৰ কৰিব পাৰিলেই সকলো লেঠা মৰে । সেই কাৰণেই বৰ্তমান চৰকাৰখনৰ মুৰব্বীজন উঠি-পৰি লাগিছে পাকে-প্ৰকাৰে এই কামটো কৰিবলৈ । তাকে কৰিব নোৱাৰিলে সান্দহ খোৱা বালি তল পৰিব। গতিকে, কাজিৰঙাৰ লগতে কাজিৰঙাৰ গাতে অৰ্থাৎ কাজিৰঙা অভয়াৰণ্যখনৰ পৰা মাত্ৰ ১.৫ কিলোমিটাৰ দূৰৈত থকা কাৰ্বিপাহাৰটোক ৰক্ষা কৰাৰ দায়িত্ব এতিয়া ৰাইজৰ ওপৰত। সেয়েহে, কাজিৰঙাৰ আশে-পাশে বসবাস কৰা ৰাইজ আৰু অসমৰ লগতে বিশ্বৰ প্ৰকৃতি প্ৰেমী ৰাইজে কথাটোৰ গুৰুত্ব জানক আৰু বুজক বুলিয়ে এইখিনি লিখিলো। যিহেতু, ওপৰত উল্লেখ কৰা খানিজ পদাৰ্থ সমূহ মজুত থকা পাহাৰটোৰ দূৰত্ব কাজিৰঙা অভয়াৰণ্যখনৰ সীমাৰ পৰা ডেৰ কিলোমিটাৰ দূৰত্বত । গতিকে, কাজিৰঙাৰ ইক' চেনচিটিভ জ'নৰ পৰিসৰ ১ কিলোমিটাৰ কৰিব পাৰিলেই সকলো শেষ। মনত ৰাখিব ৰাইজ, সেইটোকে যদি কৰিব পাৰে অতি বেচি পাঁচ বছৰৰ ভিতৰত সকলো খনিজ পদাৰ্থ শেষ হ'ব। লগতে, উটি-ভাহি যাব বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙাৰ জৈৱ-বৈচিত্ৰ, আদ্ৰভূমি আৰু জীৱকুল। গতিকে, ৰাইজ সময় থাকোঁতেই ভাৱক আপোনাৰ আত্মীয়জন নোহোৱা হ'লে কেইটামান টকা আপোনাক চৰকাৰে হাতত ধৰাই দিব পাৰিব কিন্তু আপোনাৰ যিটো হেৰালে সেইটো ঘূৰাই দিব পাৰিবনে (?) ক্ষতিপূৰণ বা কেইটামান নগদ ধনেই সকলো সমস্যাৰ সমাধান হ'ব পাৰে জানে ? গতিকে,বিশ্ব পৰিপাৰ্শ্বিকতাৰ স্বাৰ্থত কাজিৰঙাৰ ইক' চেনচিটিভ জ'নৰ পৰিসৰ আগৰ দৰেই থাকিবলৈ দিয়ক বুলি প্ৰকৃতি প্ৰেমী যাদৱ পায়েঙ ডাঙৰীয়াৰ লগতে আমি অসমৰ সাধাৰণ ৰাইজেও চৰকাৰৰ ওচৰত দাবী জনাইছো। আপোনালোকেও জনাওক। আৰু এটা কথা, কাজিৰঙাৰ পাৰ্শ্বৱতী এলেকাত যিমানেই পঞ্চতাৰকা যুক্ত হোটেল নবনাওক, আন্তঃৰাষ্ট্ৰীয় মানদন্দৰ স্কুল-কলেজ নবনাওক অভয়াৰণ্যখনৰ বণ্যপ্ৰণীবিলাক নেথাকিলে তালৈ কোনো নাহে।

# মন গঢ়াৰ শিল্প

মানুহৰ জীৱনৰ আটাইতকৈ জটিল অথচ শক্তিশালী উপাদানটো হৈছে— মানুহৰ মন। বাহ্যিক পৃথিৱীক আমি যিমানেই পৰিৱৰ্তন কৰিবলৈ চেষ্টা নকৰোঁ কিয়, আমাৰ চিন্তা, দৃষ্টিভংগী আৰু মানসিকতাৰ পৰিৱৰ্তন অবিহনে সেই পৰিৱৰ্তন কেতিয়াও সম্পূৰ্ণ নহয়। মানুহে প্ৰথমে নিজৰ মনত এখন পৃথিৱী নিৰ্মাণ কৰে আৰু পৰৱৰ্তী সময়ত সেই মানসিক পৃথিৱীৰ প্ৰতিফলনেই তেওঁৰ কৰ্ম, আচৰণ আৰু জীৱন-যাত্ৰাত প্ৰকাশ পায়। এই অৰ্থত "Designing Mind" কেৱল এটা আধুনিক ধাৰণা নহয়; ই ব্যক্তিত্ব আৰু ভৱিষ্যৎ নিৰ্মাণৰ এক গভীৰ প্ৰক্ৰিয়া।

বৰ্তমান সময় বিজ্ঞান, প্ৰযুক্তি আৰু তথ্যৰ বিস্ফোৰণৰ সময়। কৃত্ৰিম বুদ্ধিমত্তা, সামাজিক মাধ্যম আৰু ডিজিটেল যোগাযোগে মানুহৰ জীৱনক অভূতপূৰ্বভাৱে সহজ কৰি তুলিছে। কিন্তু তথ্যৰ সহজলভ্যতাই মানুহক স্বয়ংক্ৰিয়ভাৱে জ্ঞানী বা বিবেচনাশীল কৰি নোতোলে। বৰং এই তথ্যৰ সোঁতত কোনটো গ্ৰহণযোগ্য, কোনটো সত্য আৰু কোনটো বিভ্ৰান্তিকৰ—সেই বিচাৰ কৰিব পৰা ক্ষমতাই মানুহৰ প্ৰকৃত মানসিক শক্তিৰ পৰিচয় দিয়ে। সেয়েহে আজিৰ পৃথিৱীত জ্ঞান আহৰণৰ লগতে বিচাৰশক্তি, সমালোচনামূলক চিন্তা আৰু সৃষ্টিশীল মানসিকতা গঢ়ি তোলাটো অধিক প্ৰয়োজনীয়।

এটা সুগঠিত মন মানে কেৱল ইতিবাচক চিন্তা কৰা মন নহয়। ই এনে এক মন, যিয়ে বাস্তৱতাক স্বীকাৰ কৰে, সমস্যাক বিশ্লেষণ কৰে, প্ৰশ্ন কৰে আৰু সম্ভাৱনাৰ সন্ধান কৰে। ব্যৰ্থতাক শেষ বুলি গণ্য নকৰি অভিজ্ঞতা হিচাপে গ্ৰহণ কৰা, ভুলৰ পৰা শিক্ষা লোৱা আৰু নতুন পৰিস্থিতিৰ সৈতে নিজকে খাপ খুৱাই লোৱাৰ সামৰ্থ্যই এজন ব্যক্তিৰ মানসিক পৰিপক্কতাৰ পৰিচয় বহন কৰে। জীৱনৰ প্ৰতিটো বাধাই আমাক ভাঙি পেলাব লাগিব বুলি কোনো কথা নাই; কেতিয়াবা সেই বাধাই আমাক অধিক শক্তিশালী আৰু অধিক পৰিণত কৰি তোলে।

এই ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অনস্বীকাৰ্য। শিক্ষা যদি কেৱল পৰীক্ষাত ভাল নম্বৰ লাভ কৰাৰ উপায়ত সীমাবদ্ধ থাকে, তেন্তে তাৰ উদ্দেশ্য অসম্পূৰ্ণ হৈ ৰয়। প্ৰকৃত শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া, যিয়ে মানুহক নিজে চিন্তা কৰিবলৈ, যুক্তিৰে সিদ্ধান্ত ল'বলৈ, প্ৰশ্ন কৰিবলৈ আৰু মানৱীয় মূল্যবোধেৰে আচৰণ কৰিবলৈ সক্ষম কৰে। এজন শিক্ষকৰ সফলতা কেৱল কিমানজন শিক্ষাৰ্থীয়ে উচ্চ নম্বৰ লাভ কৰিলে তাত নিৰ্ভৰ নকৰে; বৰং কিমানজন শিক্ষাৰ্থীৰ



মনত স্বাধীন চিন্তাৰ বীজ ৰোপণ কৰিব পাৰিলে, তাতহে তেওঁৰ শিক্ষাদানৰ সাৰ্থকতা নিহিত থাকে।

আনহাতে, বৰ্তমানৰ যুৱ সমাজে এক নতুন ধৰণৰ মানসিক চাপৰ সন্মুখীন হৈছে। সামাজিক মাধ্যমত আনৰ সফলতা, জীৱনশৈলী আৰু বাহ্যিক আকৰ্ষণ দেখি বহুতে নিজৰ জীৱনক তাৰ সৈতে তুলনা কৰিবলৈ আৰম্ভ কৰে। ফলত আত্মবিশ্বাস হ্ৰাস পায় আৰু নিজৰ সামৰ্থ্যৰ ওপৰত সন্দেহ জন্মে। কিন্তু জীৱনৰ সৌন্দৰ্য তুলনাত নহয়, নিজৰ সম্ভাৱনাক উপলব্ধি কৰাতহে নিহিত। প্ৰতিজন মানুহৰ পথ পৃথক, সময় পৃথক আৰু সফলতাৰ সংজ্ঞাও পৃথক। সেয়েহে মনক গঢ়ি তোলাৰ অন্যতম চৰ্ত হৈছে- নিজৰ যাত্ৰাক সন্মান কৰা।

মনক সুস্থ আৰু সঠিক দিশত পৰিচালিত কৰিবলৈ আত্ম-অনুশাসনো অতি প্ৰয়োজনীয়। সুস্পষ্ট লক্ষ্য নিৰ্ধাৰণ, সময়ৰ সঠিক ব্যৱহাৰ, নিয়মীয়া অধ্যয়ন, আত্মসমীক্ষা আৰু ইতিবাচক পৰিৱেশে মানুহৰ মানসিক গঠনক সুদৃঢ় কৰে। মন এখন বাগিচাৰ দৰে; তাত আমি যি চিন্তাৰ বীজ ৰোপণ কৰোঁ, সময়ৰ সৈতে তেনে চিন্তাৰেই ফল লাভ কৰোঁ। সেয়েহে নেতিবাচকতা, হীনমন্যতা আৰু হতাশাৰ পৰিৱৰ্তে আশা, আত্মবিশ্বাস, সহমৰ্মিতা আৰু সৃষ্টিশীলতাৰ বীজ ৰোপণ কৰাটো আমাৰ নিজৰ দায়িত্ব।

অৱশ্যে ইতিবাচক মানসিকতা মানে বাস্তৱ সমস্যাৰ পৰা পলাই যোৱা নহয়। প্ৰকৃত ইতিবাচকতা হৈছে সমস্যাক সাহসেৰে স্বীকাৰ কৰি তাৰ সমাধান বিচাৰি উলিওৱা। "মই নোৱাৰোঁ"ৰ ঠাইত "মই চেষ্টা কৰিম" বুলি ক'ব পৰা মানসিকতাই মানুহৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰে। মনৰ এই পৰিৱৰ্তনেই কেতিয়াবা সাধাৰণ জীৱনক অসাধাৰণ কৰি তুলিব পাৰে। ব্যক্তিগত সফলতাৰ বাহিৰেও এটা সুগঠিত মনৰ সামাজিক মূল্য অসীম। সহানুভূতিশীল, যুক্তিবাদী আৰু দায়িত্বশীল নাগৰিক অবিহনে এখন উন্নত সমাজ গঢ়ি তোলা সম্ভৱ নহয়। বিজ্ঞানৰ অগ্ৰগতি, শিক্ষাৰ বিকাশ, সামাজিক ন্যায়, পৰিৱেশ সংৰক্ষণ অথবা মানৱীয় সম্প্ৰীতি— প্ৰতিটো ক্ষেত্ৰতে সুস্থ চিন্তাৰ প্ৰয়োজন। সেয়েহে মন গঢ়াৰ প্ৰক্ৰিয়া আচলতে কেৱল এজন ব্যক্তিৰ ভৱিষ্যৎ নিৰ্মাণ নহয়; ই এখন সমাজৰ ভৱিষ্যৎ নিৰ্মাণৰো প্ৰাথমিক পদক্ষেপ।

শেষত ক'ব পাৰি, মানুহৰ ভৱিষ্যৎ কেৱল বাহ্যিক পৰিস্থিতিয়ে নিৰ্ধাৰণ নকৰে; তেওঁৰ চিন্তা আৰু মানসিকতাই সেই ভৱিষ্যৎ নিৰ্মাণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমি কেনেদৰে চিন্তা কৰোঁ, কেনেদৰে সমস্যাক গ্ৰহণ কৰোঁ আৰু কেনেদৰে সিদ্ধান্ত লওঁ— এইবোৰেই আমাৰ জীৱনৰ গতিপথ নিৰ্ধাৰণ কৰে। সেয়েহে আজিৰ যুগৰ প্ৰশ্ন কেৱল "আমি কি শিকিম ?" নহয়; প্ৰশ্নটো হ'ব লাগে—"আমি কেনেদৰে চিন্তা কৰিবলৈ শিকিম ?"

এই প্ৰশ্নৰ উত্তৰ বিচৰাৰ পৰাই আৰম্ভ হয় মন গঢ়াৰ শিল্প- Designing Mind; আৰু এই মনৰ সঠিক নক্সাৰ ওপৰতেই নিৰ্ভৰ কৰে আমাৰ ব্যক্তি, সমাজ আৰু ভৱিষ্যতৰ নিৰ্মাণ।

ভণিতা নাথ
নেৰী, শ্বিলং

মানৱতাৰ হকে কাম কৰা 'মানুহে মানুহৰ বাবে-' সংগঠনক প্ৰশংসা; প্ৰকল্প নিৰ্মাণৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱাৰ অঙ্গীকাৰ

# মুখ্যমন্ত্ৰী সাহায্য পূঁজিলৈ আশাৰ আলোক, য়ুথ ক্লাব, ব্ৰাহ্মণ সভাৰ ২.৬ৰ লাখ টকা প্ৰদান

**অসম বাৰ্তা, মঙলদৈ, ১ ছেপ্তেম্বৰ** ঃ দৰং জিলাৰ তিনিটা স্বেচ্ছাসেৱী অনুষ্ঠানে কালি নিশা ৯ বজাত দিশপুৰৰ জনতা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাক সাক্ষাৎ কৰি 'মুখ্যমন্ত্ৰী সাহায্য পূঁজি'লৈ মুঠ দুই লাখ ৬১ হাজাৰ টকা প্ৰদান কৰে। মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ মীন, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কেবিনেট মন্ত্ৰী নীলিমা দেৱীৰ উপস্থিতিত মানৱতাবাদী সংগঠন 'আশাৰ আলোক'-মানুহে মানুহৰ বাবে, দৰং, অসমৰ তৰফৰ পৰা এক লাখ এহেজাৰ টকা, য়ুথ ক্লাব মঙলদৈৰ পৰা এক লাখ টকা আৰু দৰং - ওদালগুৰি জিলা ব্ৰাহ্মণ সভাৰ পৰা ৬০ হাজাৰ টকা প্ৰদান কৰা হয়। এই উপলক্ষে 'আশাৰ আলোক'ৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীক ফুলাম গামোচাৰে সম্ভাষণ জনাই সংগঠনটোৰ দ্বাৰা প্ৰকাশিত 'অধ্যাপক ৰাজেন্দ্ৰ বৰুৱাঃ জীৱন আৰু কৃতি, সাংবাদিক প্ৰশান্ত বৰুৱাঃ জীৱন আৰু কৃতি, ৰক্তদাতা কন্দৰ্প ডেকা সোঁৱৰণী গ্ৰন্থ, সংগঠনটোৰ বাৰ্ষিক পত্ৰিকা আৰু প্ৰতীক চিহ্ন প্ৰদান কৰাৰ লগতে এক লাখ এহেজাৰ টকাৰ চেক সভাপতি হৰিচন্দ্ৰ শৰ্মা, সাধাৰণ সম্পাদক গণেশ দত্ত, সম্পাদক জয়প্ৰকাশ শৰ্মা, কোষাধ্যক্ষ গোলোক বৰাই প্ৰদান কৰে। দোকান পোহাৰ, ঘৰ দুৱাৰত গৈ অথবা কাৰোবাক তাগিদা দি চান্দা সংগ্ৰহ নকৰি শুভাকাংক্ষী সকলে জন্মদিন, মৃত্যু তিথি তথা অন্যান্য শুভ কৰ্মত স্ব-ইচ্ছাই আগবঢ়োৱা ধন সংগঠনটোৱে বেংক একাউণ্টত জমা কৰি আৰ্থিকভাৱে দুৰ্বল ৰোগীৰ চিকিৎসা, ছাত্ৰ ছাত্ৰীক কিতাপ পত্ৰ প্ৰদান, জৰাজীৰ্ণ গৃহ মেৰামতি আদি বিভিন্ন সমাজসেৱামূলক কাম কৰি ইতিমধ্যে জনপ্ৰিয় হৈ পৰা এই সংগঠনটোৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰে মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা। তেওঁ কয়- 'আপোনালোকে বহু ভাল কাম কৰি আছে। এই কামত সহযোগ কৰিম। আপোনালোকে জিলা ভূমি উপদেষ্টা পৰিষদ, দৰঙৰ পৰা পোৱা আধা বিঘা ভূমিত গৃহ নিৰ্মাণৰ বাবে ধন দিম। এই ক্ষেত্ৰত আপোনালোকে মন্ত্ৰী নীলিমা দেৱীৰ লগত যোগাযোগ ৰাখিব।' উল্লেখ্য যে, উজনি অসমত হোৱা বানপানীৰ সময়ত ৰাইজে স্ব-ইচ্ছাই আগবঢ়োৱা ধনেৰে যোৱা ২৮ জুলাইত শিৱসাগৰ-চৰাইদেউ অঞ্চলত এই মানৱতাবাদী সংগঠনটোৱে ৬খন বাহনৰে বিভিন্ন সামগ্ৰী লৈ গৈ বিতৰণ কৰাৰ পিছতো সংগঠনটোৰ পূঁজিত প্ৰায় ৩ লাখ টকা জমা থকাত এই জমাকৃত



ধনৰ পৰাই মুখ্যমন্ত্ৰী সাহায্য পূঁজিলৈ এক লাখ এহেজাৰ টকা দিয়াৰ লগতে বানবিধ্বস্ত দৰঙৰ ঔতলাৰ দুটা পৰিয়ালৰ ঘৰ মেৰামতি কৰি দিছে। ইয়াৰ পিছতো সংগঠনটোৰ একাউণ্টত জমা থকা প্ৰায় ১.৭০ লাখ টকাৰে অচিৰেই বানপীড়িতৰ বাবে আৰু ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব বুলি সাধাৰণ সম্পাদক গণেশ দত্তই জনাইছে। ইপিনে দৰঙৰ অগ্ৰণী সামাজিক সাংস্কৃতিক অনুষ্ঠান য়ুথ ক্লাব মঙলদৈৰ সভাপতি গিৰিশ চন্দ্ৰ ডেকা, কাৰ্যকৰী সভাপতি দুলাল চন্দ্ৰ ডেকা, সাধাৰণ সম্পাদক ৰাজীৱ কুমাৰ ডেকা, উপসভাপতি ধীৰেন্দ্ৰ শৰ্মাই এক লাখ টকাৰ চেক আৰু ক্লাবৰ সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ মুখ্যমন্ত্ৰীৰ হাতত প্ৰদান কৰে। আনহাতে দৰং-ওদালগুৰি জিলা ব্ৰাহ্মণ সভাৰ তৰফৰ পৰা সভাপতি তপন কুমাৰ শৰ্মা, সম্পাদক সঞ্জীৱ কুমাৰ শৰ্মাই মুখ্যমন্ত্ৰী সাহায্য পূঁজিলৈ ৬০ হাজাৰ টকাৰ চেক প্ৰদান কৰে। এই অনুষ্ঠানত ব্ৰাহ্মণ মহাসভা অসমৰ কাৰ্যকৰী সভাপতি মাধৱ শৰ্মা আৰু মঙলদৈ চপাইস্থিত শ্ৰী শ্ৰী নৱগ্ৰহ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি কেশৱ কুমাৰ শৰ্মা উপস্থিত থাকি দৰং-ওদালগুৰি জিলা ব্ৰাহ্মণ সভাৰ বাবে ভূমি আৱণ্টন, শ্ৰীশ্ৰী নৱগ্ৰহ মন্দিৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আৰ্থিক অনুদান আৰু দৰঙৰ মহীৰূহ পণ্ডিত দীনেশ্বৰ শৰ্মাৰ পূৰ্ণ অৱয়বৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি আৰু উদ্যান মঙলদৈ চহৰত নিৰ্মাণৰ বাবে এখন স্মাৰক পত্ৰ প্ৰদান কৰে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে আঁচনি সমূহৰ ৰূপায়ণৰ প্ৰক্ৰিয়া তৰান্বিত কৰিবলৈ মঙলদৈ সমষ্টিৰ বিধায়িকা তথা মন্ত্ৰী শ্ৰী নীলিমা দেৱীক নিৰ্দেশ দিয়ে।

# নুমলীগড় লেটেকু চাহ বাগিছা অঞ্চলত পুনৰ বন্যহস্তী অসুস্থ

**আনহাতেদি ৫নং ৰংবং এলেকাত বন্যহস্তীৰ আক্ৰমণত দ্ৰোন হাজৰিকা নামৰ এজন পথাচাৰী আহত**

**অসম বাৰ্তা, নুমলীগড়, ১ ছেপ্তেম্বৰ** ঃ নুমলীগড়ৰ লেটেকু চাহ বাগিচা অঞ্চলত পুনৰ কনফাতি নামৰ এটা বনৰীয়া হাতীৰ অসুস্থ হোৱাৰ খবৰে সকলোকে চিন্তিত কৰি তুলিছে। উল্লেখ্য যে এই এলেকাতে গত ১৭ আগষ্ট তাৰিখে দুৰ্গা নামৰ গৰ্ভৱতী বন্যহস্তী এজনি অসুস্থ হৈ মৃত্যুমুখত পৰিছিল। সেয়েহে পুনৰ এটা বন্যহস্তীৰ অসুস্থ হোৱা বুলি সদৰি হোৱাৰ লগে লগে অঞ্চলটোত উদ্বেগ বৃদ্ধি পাইছে। এফালে 'কানফাতি' নামেৰে পৰিচিত এজনী বন্যহস্তী অসুস্থ অৱস্থাত উদ্ধাৰ হোৱাক লৈ বন বিভাগ চিন্তিত হৈ পৰাৰ সময়তে আনফালে বনৰীয়া হাতীৰ আক্ৰমণত এজন চাইকেল আৰোহী গুৰুতৰভাৱে আহত হোৱা ঘটনাই অঞ্চলটোত নতুনকৈ আতংকৰ সৃষ্টি কৰিছে। খবৰ অনুযায়ী তেল গৰমৰ ৫নং ৰংবং অঞ্চলত পুৱাই চাইকেলেৰে গৈ থকা অৱস্থাত বনৰীয়া হাতীৰ মুখামুখি হয় দ্ৰোণ হাজৰিকা নামৰ এজন লোক। হঠাৎ হাতীৰ আক্ৰমণৰ সন্মুখীন হৈ পথতে ঢলি পৰে লোকজন। ঘটনাত গুৰুতৰভাৱে আহত দ্ৰোণ হাজৰিকাক স্থানীয় লোকৰ সহযোগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইফালে, এটা বন্যহস্তীৰ জাকে অঞ্চলটোৰ সমীপৱৰ্তী চাহ বাগিচা আৰু গাঁও অঞ্চলত বিচৰণ কৰি থকাত আতংকিত হৈ পৰিছে স্থানীয় ৰাইজ। পুৱাৰ সময়ত গাঁও পথ, চাহ বাগিচা আৰু জনবসতিপূৰ্ণ অঞ্চলৰ সমীপত হাতীৰ বিচৰণে সাধাৰণ জনজীৱনলৈও ভাবুকি কঢ়িয়াই আনিছে। ইয়াৰ মাজতে মৰঙী-লেটেকু চাহ বাগিচা অঞ্চলত 'কানফাতি' নামেৰে পৰিচিত এজনী বন্যহস্তীক অসুস্থ অৱস্থাত দেখা পোৱাত বন বিভাগৰ মাজতো উদ্বেগ সৃষ্টি হৈছে। হাতীজনীৰ পেটৰ তলত এটা বৃহৎ ফুলা বা গাঁঠিৰ দৰে অংশ দেখিবলৈ পাইছে নিৰীক্ষক সকলে। এই অংশটোত পানী জমা হোৱা অথবা ঘা পকি যোৱাৰ আশংকা প্ৰকাশ কৰা হৈছে। ঘটনাৰ খবৰ লাভ কৰাৰ পাছতে গোলাঘাটৰ বন বিভাগৰ ডি, এফ, অ, ৰেঞ্জাৰ, তথা বকিয়াল খণ্ডবনবিভাগৰ বন কৰ্মী সকলৰ লগতে বিশেষজ্ঞ পশু চিকিৎসকৰ এটা দল ঘটনাস্থলীত উপস্থিত হয়। চিকিৎসকৰ দলে অসুস্থ হাতীজনীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে গতিবিধি আৰু শাৰীৰিক অৱস্থা নিৰীক্ষণ কৰি আছে। বন্যহস্তীজনীক কেনেদৰে নিৰাপদভাৱে উপযুক্ত চিকিৎসা প্ৰদান কৰি সুস্থ কৰি তুলিব পাৰি, সেই বিষয়ে বন বিভাগ আৰু বিশেষজ্ঞ চিকিৎসকৰ মাজত আলোচনা অব্যাহত আছে। হাতীজনীৰ স্বাস্থ্যৰ অৱনতি নঘটাকৈ পৰৱৰ্তী পদক্ষেপ গ্ৰহণৰ বাবে বন বিভাগে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছে। এফালে অসুস্থ বন্যহস্তীক লৈ উদ্বেগ, আনফালে হাতীৰ আক্ৰমণত স্থানীয় লোক আহত হোৱা ঘটনাই গোলাঘাট জিলাৰ এই নুমলীগড়, মৰঙি, ৰংবং তথা লেটেকু জান অঞ্চলত পুনৰবাৰ মানুহ-বন্যহস্তীৰ সংঘাতৰ ভয়াবহ ছবিখন স্পষ্ট কৰি তুলিছে। হাতীৰ জাকটো যাতে জনাঞ্চললৈ প্ৰৱেশ কৰি অধিক ক্ষয়-ক্ষতি কৰিব নোৱাৰে, তাৰ বাবে বন বিভাগে তেওঁলোকে গজমিত্ৰ সকলৰ সহযোগিতাৰে আৰু দ্ৰোন কেমেৰাৰ সহায়েৰে ৰাইজক অধিক সতৰ্কতাৰে সহযোগিতাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি গোলাঘাট জিলাৰ বন বিষয়াই কেইটামান দিনৰ আগত সংবাদ সেৱাৰ যোগেদি সদৰি কৰাৰ পিছতে পুনৰ এজন লোক বনৰীয়া হাতীৰ আক্ৰমণৰ বলী হ'ব লগীয়া পৰিস্থিতিয়ে সকলোকে চিন্তিত কৰি তুলিছে।

# ডিব্ৰুগড়ত নিউ গ্ৰীণ এ'প' আমব্ৰেলা ফেষ্টিভেল



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১ ছেপ্তেম্বৰ** ঃ ডিব্ৰুগড়ৰ চৌকিডিঙী খেলপথাৰত ৩০ আগষ্টৰ পৰা ১৭ ছেপ্তেম্বৰলৈকে আৰম্ভ হৈছে সম্ভাৱনাৰ উদ্যোগত আয়োজিত "নিউ গ্ৰীণ এ'প' আমব্ৰেলা ফেষ্টিভেল"। প্ৰকৃতি সুৰক্ষাৰ বাবে সেউজীকৰণৰ ধাৰণাক মূলধন হিচাপে লৈ আয়োজন কৰা এই অনন্য মেলাখনৰ ফিতা কাটি আনুষ্ঠানিকভাৱে মুকলি কৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি তথা 'অসম আদিত্য' কাকতৰ সম্পাদক মনজিৎ বৰাই। বৰাই এই ফেষ্টিভেলক কেৱল এক বাণিজ্য মেলা নহয়, বৰঞ্চ এক সেউজ আন্দোলন হিচাপে উল্লেখ কৰে। সমগ্ৰ পৃথিৱীজুৰি বৰ্তমান গ্ৰহণ কৰা পৰিৱেশ সুৰক্ষা আৰু সেউজীকৰণৰ লক্ষ্যৰ সৈতে সংগতি ৰাখি আয়োজকসকলে 'গ্ৰীণ ফেষ্টিভেল'ৰ এই যোগাত্মক চিন্তা-চৰ্চা হাতত লোৱাক তেওঁ বিশেষভাৱে প্ৰশংসা কৰে। ইয়াৰ উপৰিও স্থানীয় অৰ্থনৈতিক উন্নয়নৰ দিশটো স্পষ্ট কৰি বৰাই কয় যে বহিঃৰাজ্য তথা বিভিন্ন প্ৰান্তৰ পৰা অহা নানাধৰণৰ সুকীয়া সামগ্ৰী আৰু খাদ্য সম্ভাৰৰ বিপনীসমূহে স্থানীয় ক্ৰেতাৰ সমাদৰ লাভ কৰিব। ইয়াৰ দ্বাৰা অঞ্চলটোৰ অৰ্থনৈতিক ক্ষেত্ৰখনত এক যোগাত্মক প্ৰভাৱ পৰাৰ লগতে কাৰ্যতঃ এক অৰ্থনৈতিক আন্দোলনৰ সূচনা হ'ব। খাদ্য-ৰসিকসকলৰ বাবে বিভিন্ন সুস্বাদু ব্যঞ্জনৰ উপৰিও নিত্য-ব্যৱহাৰ্য নানাধৰণৰ মনোগ্ৰাহী সামগ্ৰীৰে ভৰি পৰা এই এ'পলৈ ডিব্ৰুগড়বাসীক আদৰণি জনাই মনজিৎ বৰাই এই উদ্যোগৰ পূৰ্ণ সফলতা কামনা কৰে। উল্লেখ্য যে, ডিগবৈত সফলতাৰে প্ৰথমখন আমব্ৰেলা ফেষ্টিভেল সম্পন্ন কৰাৰ পাছত এইবাৰ দ্বিতীয়বাৰৰ বাবে আয়োজকসকলে ডিব্ৰুগড়ত আয়োজন কৰিছে। অসমৰ প্ৰাকৃতিক পৰিৱেশ তথা বতৰৰ কথা মনত ৰাখিয়েই বিশেষভাৱে এই মেলাৰ পৰিকল্পনা কৰা হৈছে। এই উপলক্ষে আয়োজক যুৱ ব্যৱসায়ী বিকাশ গগৈয়ে কয় যে, বাণিজ্য মেলাখনত অসমৰ লগতে দেশৰ বিভিন্ন ৰাজ্যৰ স্বনামধন্য ব্যৱসায়ীসকলে অংশগ্ৰহণ কৰিছে। মেলাখনত মুঠ ৯০ খনতকৈও অধিক বিপণী স্থাপন কৰা হৈছে। এই বিপণিসমূহৰ জৰিয়তে গ্ৰাহকসকলৰ বাবে উপলব্ধ কৰোৱা হৈছে উত্তৰ প্ৰদেশৰ বিখ্যাত কাৰ্পেট, গুজৰাটৰ বিছনা চাদৰ, কলকাতাৰ মেলামাইনৰ সামগ্ৰী, আচাৰ আৰু আকৰ্ষণীয় জুৱেলাৰী। ইয়াৰ উপৰিও গোৱাৰ পৰা অনা পৰম্পৰাগত মণি-মুকুতাৰ সংগ্ৰহে গ্ৰাহকসকলক বিশেষভাৱে আকৰ্ষিত কৰিব বুলি আশা কৰা হৈছে। কেৱল বহিঃৰাজ্যৰে নহয়, থলুৱা শিল্প আৰু লোক'কলাক উৎসাহিত কৰাৰ উদ্দেশ্যৰে মেলাখনত স্থান পাইছে অসমৰ বিভিন্ন প্ৰান্তৰ খ্যাতিসম্পন্ন সামগ্ৰীয়ে। ধেমাজি আৰু লখিমপুৰৰ গুণগত মানৰ মুগাৰ মেখেলা-চাদৰ, কৰঙাৰ দা-কটাৰী, টিহু, নলবাৰী আৰু বৰপেটাৰ বাঁহ-বেতৰ সামগ্ৰীৰ লগতে খাটি অসমীয়া গহনাৰ বৃহৎ সংগ্ৰহে মেলাখনৰ শোভা বৰ্ধন কৰিছে। মেলাখনৰ জৰিয়তে থলুৱা তথা বহিঃৰাজ্যৰ ব্যৱসায়ীসকলক সঠিক মঞ্চ প্ৰদানৰ লগতে উৎসাহিত কৰাৰ লক্ষ্য ৰখা হৈছে। আয়োজক বিকাশ গগৈয়ে ডিব্ৰুগড় বাসী তথা সমীপৱৰ্তী অঞ্চলৰ সমূহ ৰাইজক পৰিয়ালসহ মেলালৈ আহি এই প্ৰচেষ্টাক সফল কৰি তুলিবলৈ অনুৰোধ জনায়। সাংস্কৃতিক কৰ্মী বিবিজান দত্তই আঁত ধৰা অনুষ্ঠানৰ শুভাৰম্ভণি মুহূৰ্তত মঙ্গল প্ৰদীপ প্ৰজ্বলন কৰে বিশিষ্ট নিবন্ধকাৰ তথা সাংবাদিক চন্দন ফুকন আৰু মনজিৎ বৰাই। ইয়াৰ পিছতেই মাংগলিক ৰীতি-নীতিৰে নাৰিকল ভাঙি কাৰ্যসূচীৰ আনুষ্ঠানিক উদ্বোধন কৰে সু-লেখক, সাংবাদিক তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোঁহাইয়ে। অঞ্চলটোৰ বহুকেইগৰাকী গণ্য-মান্য ব্যক্তিয়ে নিজৰ উপস্থিতিৰে অনুষ্ঠানটোৰ শোভা বৰ্ধন কৰে।

# সোণাপুৰ তেঁতেলীয়াৰ শোকাৱহ পথ দুৰ্ঘটনাত লাহৰীঘাটৰ ইদ্ৰীছ আলীৰ মৃত্যু

**অসম বাৰ্তা, লাহৰীঘাট, ১ ছেপ্তেম্বৰ** ঃ দেওবাৰে সোণাপুৰ আৰক্ষী থানাৰ অন্তৰ্গত তেঁতেলীয়াত সংঘটিত হোৱা শোকাৱহ দুৰ্ঘটনাটোত লাহৰীঘাটৰ ইদ্ৰীছ আলীৰ মৃত্যু হয়। দেওবাৰে সন্ধিয়া ৭-৩০ মান বজাত নগাঁৱৰ পৰা গুৱাহাটী অভিমুখী গৈ থকা এএছ ০১ এএইছচি ০৭১৬ নম্বৰৰ যাত্ৰীবাহী ট্ৰেভেলাৰ এখনে তেঁতেলীয়াৰ ভৰাগাঁৱৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাজত প্ৰকাণ্ড গাতত নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইডাৰৰ ওপৰেদি ওফৰি গৈ গুৱাহাটী পৰা নগাঁও অভিমুখী মালবাহী এএছ ০৭ বিচি ৪২৭১ নম্বৰৰ ট্ৰাকখনত খুন্দা মৰাত থিতাতে ৪জন লোকে প্ৰাণ হেৰুৱাইছিল আৰু গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত সাতজনকৈ লোকক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল। চিকিৎসাধীন অৱস্থাতে তিনিগৰাকীকৈ ব্যক্তিৰ মৃত্যু হোৱাত শোকাৱহ দুৰ্ঘটনাটোত বৰ্তমানলৈ মুঠ সাতগৰাকী লোকে কৰুণ মৃত্যুক আঁকোৱালি ল'বলগীয়া হয়। ইয়াৰে ইদ্ৰীছ আলী নামৰ লোকজন লাহৰীঘাটৰ আব্দুল হুছেইনৰ পুত্ৰ বুলি পৰিয়ালৰ লোকে সংবাদ মাধ্যমৰ জৰিয়তে চিনাক্ত কৰে। মৃত ইদ্ৰীছ আলী কৰ্মসূত্ৰে দীৰ্ঘদিন ধৰি গুৱাহাটীৰ উলুবাৰী আছিল যদিও এমাহ ধৰি লাহৰীঘাটৰ নিজা গৃহতে আছিল আৰু কালি নিজ গৃহৰ পৰা ওলাই গৈছিল গুৱাহাটীৰ উদ্দেশ্যে। যাত্ৰা পথতে শোকাৱহ দুৰ্ঘটনাটো প্ৰাণ হেৰুৱাই ইদ্ৰীছ আলীয়ে। ইদ্ৰীছ আলীৰ মৃত্যুৰ খবৰে লাহৰীঘাট অঞ্চলত শোকৰ ছাঁই বিৰাজ কৰিছে।

**প্ৰাচীন চিকিৎসা পদ্ধতিৰে হৃদয় জিনিছে ধেমাজিৰ মুহিৰামে**

# হাড় ভাগিলে জোৰা লগাব পাৰে বনৌষধিৰে

**অসম বাৰ্তা, ধেমাজি, ১ ছেপ্তেম্বৰ** ঃ প্ৰকৃতিৰ বুকুত লুকাই থকা নানা ঔষধি গুণসম্পন্ন উদ্ভিদৰ জৰিয়তে ৰোগীক সেৱা আগবঢ়াই অহা ধেমাজিৰ এগৰাকী প্ৰকৃত বনৌষধি বিশেষজ্ঞ মুহিৰাম সোণোৱাল (৫৫)। পেছাত সাধাৰণ কৃষক হ'লেও তেওঁৰ হাতত আছে বৈদ্য আৰু বিজ্ঞানৰ ভাণ্ডাৰ। বনৌষধিৰ গুণত আজীৱন পংগুত্বৰ আশংকাত ভুগি থকা বহু লোকে নতুন জীৱন লাভ কৰিছে। ধেমাজি জিলাৰ বৰদলনি মৌজাৰ অন্তৰ্গত বৰবাম অভয়পুৰ গাঁৱৰ নিৱাসী মুহিৰাম সোণোৱালে দুকুৰি বছৰ ধৰি বনৌষধিৰ জৰিয়তে সমাজলৈ এক সেৱা আগবঢ়াই আহিছে। দৈনিক হাজাৰজন দুৰ্ভগীয়া লোকৰ বাবে তেওঁ এতিয়া আশীৰ্বাদস্বৰূপ হৈ পৰিছে। আধুনিক চিকিৎসা বিজ্ঞানৰ ব্যস্ততা আৰু ব্যয়বহুলতাৰ মাজতো মুহিৰাম সোণোৱালে প্ৰাকৃতিক উপায়েৰে হাড় ভঙা ৰোগীসকলক সেৱা আগবঢ়াই আহিছে। দুৰ্ঘটনাজনিত কাৰণেই হওক বা আন কোনো কাৰণত, মানুহৰ হাত-ভৰি বা শৰীৰৰ যিকোনো ঠাইৰ হাড় ভাঙিলে বা সিৰৰ জোৰা স্থানচ্যুত হ'লে তেওঁ বনৌষধৰ প্ৰয়োগেৰে পুনৰ সঠিক অৱস্থালৈ আনিব পাৰে। তেওঁ প্ৰকৃতিৰ পৰা সংগ্ৰহ কৰা বিশেষ কিছুমান বনমূল আৰু গছ-গছনিৰ ৰস বা পেষ্ট প্ৰস্তুত কৰি ভঙা স্থানত প্ৰয়োগ কৰে। স্থানীয় লোকে প্ৰকাশ কৰা অনুসৰি, এই বনৌষধি লগোৱাৰ পাছতে ক্ৰমাৎ বিষ উপশম হ'বলৈ ধৰে আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰতে হাড়বোৰ স্বাভাৱিকভাৱে জোৰা লাগি আহে। ইফালে মুহিৰাম সোণোৱালৰ এই সেৱা কেৱল মানুহৰ মাজতে সীমাবদ্ধ হৈ থকা নাই। মানুহৰ দৰেই দুৰ্ঘটনাত পতিত হোৱা ঘৰচীয়া বা অন্যান্য জীৱ-জন্তুৰ হাড় ভাঙিলেও তেওঁ সমানে বনৌষধি প্ৰয়োগ কৰি আৰোগ্য কৰি তুলিছে। গৰু-ছাগলী বা অন্যান্য প্ৰাণীয়ে আঘাতপ্ৰাপ্ত হৈ চলন-ফুৰণ কৰিব নোৱাৰা অৱস্থাত তেওঁলোকৰ বাবেও মুহিৰাম সোণোৱাল আশাৰ ৰশ্মি হৈ পৰিছে। বৰ্তমান যুগৰ যান্ত্ৰিকতা আৰু দৰৱৰ প্ৰচলনৰ মাজতো প্ৰাচীন বনৌষধি চিকিৎসাৰ ধাৰা জীয়াই ৰখা মুহিৰাম সোণোৱালৰ এই প্ৰচেষ্টাই সমগ্ৰ অঞ্চলটোতে চৰ্চা লাভকৰিছে। কোনোধৰণৰ প্ৰচাৰৰ মোহেনধৰাকৈ কেৱল সেৱাৰ মানসিকতাৰে তেওঁ যি কাম কৰি আহিছে, তাৰ ফলত ধেমাজি জিলাৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন ভুক্তভোগী লোক উপকৃত হৈছে। প্ৰকৃতিৰ ওচৰ চাপি জীয়াই থকা এইগৰাকী উদাৰ প্ৰকৃতিৰ কৃষকে প্ৰমাণ কৰি দিছে যে ইচ্ছা আৰু নিষ্ঠা থাকিলে সাধাৰণভাৱেও সমাজৰ বাবে কিবা এটা আশীৰ্বাদস্বৰূপ কাম কৰিব পৰা যায়। যি সময়ত চিকিৎসকৰ পৰামৰ্শ ল'বলৈ ধনৰ অভাৱ ঘটে, সেই সময়ত হাড়ভঙা বা জোৰা লগোৱা দৈৱৰূপী মুহিৰাম সোণোৱালক প্ৰশংসাৰে ওপচাই পেলাইছে ভুক্তভোগীৰ পৰিয়ালে। সপ্তাহতছটা দিনে ১২ ঘণ্টাই সক্ৰিয় হৈ থকা এইগৰাকী সেৱকে সামান্য মাননি লৈ বনৌষধি যোগান ধৰি আছে ৫৫ বছৰ বয়সলৈকে। মুহিৰামৰ জীৱন সাৰ্থক হৈ উঠিলেও এই বয়সত সম্প্ৰতি পৰিয়াল পোহ-পাল কৰাত অসুবিধা হৈ উঠিছে। ৰাইজৰ দাবী চৰকাৰী ঘৰে সেৱকজনক সাহায্য প্ৰদান কৰক।

# ফুলকুমাৰী কলিতাৰ ষষ্ঠ মৃত্যুবাৰ্ষিকীত বৰপেটাৰোডত শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, বৰপেটাৰোড, ১ ছেপ্তেম্বৰ** ঃ অসমৰ লোকসংস্কৃতিৰ বিশিষ্ট গৱেষিকা, সাহিত্যিক, শিক্ষাবিদ, সদ্বক্তা তথা বি এইচ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা আৰু আছুৰ 'প্ৰতিমা পাণ্ডে বৰুৱা বঁটা'প্ৰাপক ফুলকুমাৰী কলিতাক ষষ্ঠ মৃত্যুবাৰ্ষিকীত বৰপেটাৰোডত বিভিন্ন কাৰ্যসূচীৰে গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। ফুলকুমাৰী কলিতাৰ মৃত্যুবাৰ্ষিকী উপলক্ষে পৰিয়ালবৰ্গৰ উদ্যোগত পুৱাৰ ভাগত ঘৰুৱাভাৱে নাম-কীৰ্তন অনুষ্ঠিত কৰাৰ পাছত তেওঁৰ প্ৰতিমূৰ্তিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। বৰপেটা জিলা ছাত্ৰ সন্থা, বৰপেটাৰোড আঞ্চলিক ছাত্ৰ সন্থা, বৃহত্তৰ বৰপেটাৰোড মহিলা সমাজ, বৰপেটাৰোড সাহিত্য সভা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আনহাতে, বৰপেটাৰোড আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অম্বিকাগিৰী চ'কস্থিত শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ শিশু উদ্যানত থকা ফুলকুমাৰী কলিতাৰ প্ৰতিমূৰ্তিৰ সন্মুখতো শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। গীত-মাত আৰু কবিতা পাঠেৰে গৱেষিকাগৰাকীক স্মৰণ কৰাৰ লগতে তেওঁৰ অমূল্য অৱদানৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে শাখা সত্ৰৰ সভাপতি ফুলেন দাস, শাখা সাহিত্য সভাৰ সভাপতি অৰূপ বায়ন, প্ৰাক্তন সভাপতি হিতেশ দাস, বিশিষ্ট কবি বনজিৎ বৰ্মন বৰপেটা জিলা ছাত্ৰ সন্থাৰ সভাপতি অৰ্ণৱ জ্যোতি শৰ্মাই। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মাতৃৰ স্মৃতি ৰোমন্থন কৰি কন্যা ৰীমা কলিতাই কয় যে ফুলকুমাৰী কলিতাই অসমীয়া লোকসংস্কৃতি আৰু সাহিত্যৰ ক্ষেত্ৰত এৰি থৈ যোৱা অসম্পূৰ্ণ সাংস্কৃতিক তথা গৱেষণামূলক যাত্ৰা সংঘবদ্ধভাৱে আগুৱাই নিয়াৰ প্ৰয়োজন আছে। ৰীমা কলিতাই কয় যে ফুলকুমাৰী কলিতাৰ লোকসংস্কৃতি বিষয়ক গ্ৰন্থসমূহ আজিও যথেষ্ট প্ৰাসংগিক। তেজপুৰ বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগতো তেওঁৰ গ্ৰন্থসমূহ প্ৰসংগ পুথি হিচাপে ব্যৱহৃত হৈ আহিছে। অনুষ্ঠানত সদৌ বৰপেটা জিলা ছাত্ৰ সন্থাৰ সভাপতি অৰ্ণৱ জ্যোতি শৰ্মাই ফুলকুমাৰী কলিতাৰ অৱদান স্মৰণ কৰি কয় যে তেওঁ কেৱল বৰপেটাৰোডৰেই নহয়, সমগ্ৰ অসমৰ বাবেই এক গৌৰৱৰ নাম। ফুলকুমাৰী কলিতাৰ জীৱনকালতেই বৰপেটাৰোড আঞ্চলিক ছাত্ৰ সন্থা, বৰপেটাৰোড শাখা সাহিত্য সভা আৰু পৰিয়ালবৰ্গৰ যৌথ উদ্যোগত প্ৰতিমূৰ্তি স্থাপন কৰা হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে তেওঁৰ প্ৰতিমূৰ্তিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জনাবলৈ পাই ছাত্ৰ সন্থাই গৌৰৱবোধ কৰিছে। তেওঁ ফুলকুমাৰী কলিতাৰ অপ্ৰকাশিত কবিতা, গ্ৰন্থ আৰু লোকসংস্কৃতি বিষয়ক অন্যান্য সৃষ্টিৰাজি সংৰক্ষণৰ ক্ষেত্ৰত ছাত্ৰ সন্থা আৰু সাহিত্য সভাই বিশেষ গুৰুত্ব প্ৰদান কৰিব বুলিও সদৰী কৰে। অসমীয়া লোকসংস্কৃতি, সাহিত্য আৰু শিক্ষা ক্ষেত্ৰলৈ ফুলকুমাৰী কলিতাই আগবঢ়াই যোৱা অনবদ্য অৱদানৰ বাবে তেওঁৰ ষষ্ঠ মৃত্যুবাৰ্ষিকীত পৰিয়ালবৰ্গৰ লগতে বৰপেটাৰোডৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে।

# মাজুলীৰ শালমৰাত প্ৰতিষ্ঠা হ'ব শিল্পী জুবিন গাৰ্গৰ সুউচ্চ প্ৰতিমূৰ্তি

**অসম বাৰ্তা, উজনী মাজুলী, ১ ছেপ্তেম্বৰ** ঃ মাজুলীৰ শালমৰা অঞ্চলত অসমবাসীৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ এটি সুউচ্চ প্ৰতিমূৰ্তি প্ৰতিষ্ঠা কৰাৰ উদ্যোগ গ্ৰহণ কৰা হৈছে। শালমৰাৰ একাংশ যুৱকৰ ঐকান্তিক প্ৰচেষ্টা আৰু উদ্যোগত মাজুলীত প্ৰথমবাৰৰ বাবে এই প্ৰতিমূৰ্তি স্থাপনৰ পদক্ষেপ লোৱা হৈছে। এই উদ্দেশ্যে ডিব্ৰুগড়ৰ বিশিষ্ট ভাস্কৰ যদুমণি গগৈয়ে নিৰ্মাণ কৰা জুবিন গাৰ্গৰ প্ৰতিমূৰ্তিটো সোমবাৰে শালমৰালৈ আনি আদৰণি জনায় স্থানীয় যুৱকসকলে। শিল্পীগৰাকীৰ প্ৰতি থকা আন্তৰিক শ্ৰদ্ধা, সন্মান আৰু ভালপোৱাৰ বহিৰ্প্ৰকাশ হিচাপে এই ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, অহা ৬ ছেপ্টেম্বৰত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে শালমৰাত উপস্থিত থাকি প্ৰতিমূৰ্তিটো আনুষ্ঠানিকভাৱে উন্মোচন তথা প্ৰতিষ্ঠা কৰিব। অনুষ্ঠানটোক কেন্দ্ৰ কৰি অঞ্চলজুৰি ব্যাপক উৎসাহ-উদ্দীপনাৰ সৃষ্টি হৈছে। অসমীয়া সংগীত, সংস্কৃতি আৰু চলচ্চিত্ৰ জগতলৈ জুবিন গাৰ্গে আগবঢ়োৱা অসামান্য অৱদানৰ প্ৰতি শ্ৰদ্ধাঞ্জলি স্বৰূপে স্থাপন হ'বলগীয়া এই প্ৰতিমূৰ্তি মাজুলীবাসীৰ মৰম, সন্মান আৰু গৌৰৱৰ এক স্থায়ী প্ৰতীক হিচাপে পৰিগণিত হ'ব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে।

# স্বেচ্ছাসেৱী সংগঠন "শিক্ষাৰ সাৰথি"ৰ উদ্যোগত বানত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীক শৈক্ষিক সামগ্ৰী প্ৰদানৰ লগতে বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত



**অসম বাৰ্তা, নামতি, ১ ছেপ্তেম্বৰ** ঃ শিৱসাগৰ জিলাৰ বান বিধ্বস্ত কেইখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কাষত লখিমপুৰ জিলাৰ স্বেচ্ছাসেৱী সংগঠন "শিক্ষাৰ সাৰথি"ৰ মিছন পুনৰুদ্ধাৰৰ অধীনত সোমবাৰে প্ৰায় ১৫ জনীয়া এটা দল আহি শিৱসাগৰ জিলাৰ নাজিৰা শিক্ষাখণ্ডৰ ১২খন আৰু খেলোৱা শিক্ষাখণ্ডৰ ১০খন বিদ্যালয়ৰ মুঠ এক হাজাৰতকৈও অধিক (১০১৭জন) বানত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীক শৈক্ষিক সামগ্ৰী বিতৰণ কৰে। নাজিৰাৰ বান বিধ্বস্ত অঞ্চল চণ্টক আৰু বিহুবৰৰ চণ্টক চাহ বাগিচা প্ৰাথমিক বিদ্যালয়, ৬০৯নং চণ্টক প্ৰাথমিক বিদ্যালয়, গঙ্গীধৰা প্ৰাথমিক বিদ্যালয়, বিহুবৰ হিন্দী প্ৰাথমিক বিদ্যালয়, নবাৰী ধাপ প্ৰাথমিক বিদ্যালয়, শিমলুগুৰি মণ্ডলৰ ৩৫ নং শিমলুগুৰি প্ৰাথমিক বিদ্যালয় আৰু ৯২৫নং টিপমীয়া প্ৰাথমিক বিদ্যালয়, বানটুং মণ্ডলৰ ৫খন ক্ৰমে ৭৭৩ নং পুলিবৰ প্ৰাথমিক বিদ্যালয়, ৩২৪ নং মোহন গাঁও প্ৰাথমিক বিদ্যালয়, বামুণবাৰী প্ৰাথমিক বিদ্যালয়, দেওশাল মধ্য ইংৰাজী বিদ্যালয় আৰু টেঙাপুখুৰী মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ -ছাত্ৰী সকলৰ মাজত শৈক্ষিক সামগ্ৰী বিতৰণ কৰাৰ উপৰিও খেলুৱা শিক্ষা খণ্ডৰ গড়গাওঁ মণ্ডলৰ গড়গাঁও নিম্ন বুনিয়াদী বিদ্যালয়, মিঠাপুখুৰী মধ্য ইংৰাজী বিদ্যালয়ৰ লগতে আন ৮খন বিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীসকলক বহী, কাগজ, নেওতা কিতাপ, কলম, পেঞ্চিল, ৰং পেঞ্চিল, ৰবৰ, স্কেল আদি যোগান ধৰাৰ লগতে প্ৰয়োজন অনুসৰি সীমিত সংখ্যক স্কুল বেগ আৰু জ্যামিতি বাকচ বিতৰণ কৰে। ইয়াৰোপৰি এই কাৰ্যসূচীৰ অংশ হিচাপে শিক্ষা সাৰথিৰ অন্যতম মুখ্য সদস্য ডা: ৰিভা দাস বৰদলৈৰ নেতৃত্বত সৌমাৰপীঠ নাৰ্চিং হোমৰ সৌজন্যত দেওশাল মধ্য ইংৰাজী বিদ্যালয়ত এটা চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হয় য'ত চাৰি কুৰিও অধিক ছাত্ৰ-ছাত্ৰী লগতে অভিভাৱকৰ আৰু স্থানীয় ৰাইজক বিনামূলীয়াকৈ চকু পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় চিকিৎসাৰ পৰামৰ্শ আৰু ঔষধ প্ৰদান কৰে। শিক্ষা সাৰথিৰ "মিছন পুনৰুদ্ধাৰ"ৰ সমগ্ৰ কাৰ্য্যসূচী সফলভাৱে ৰূপায়ণত নাজিৰা আৰু খেলুৱা শিক্ষাখণ্ডৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক সংগীতা গগৈ, উৎপল গগৈ, উপাসনা শইকীয়া, মৃদ্যুৎ কাকতি আৰু শিক্ষক ঘন ফুকন, মনোজ কোঁৱৰ, দুৰ্লভ ফুকনৰ লগতে উক্ত ২২খন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে সহায়-সহযোগিতা আগবঢ়াই। শিক্ষাৰ সাৰথিৰ মুখ্য কাৰ্যবাহক দিপেশ কুমাৰ দাসে জানিব দিয়া মতে "শিক্ষাৰ সাৰথি" ২০২১ চনতে সংগঠিত এক স্বেচ্ছাসেৱী সংগঠন, যি লখিমপুৰ শিক্ষাখণ্ডৰ লগতে বিভিন্ন ভিতৰুৱা পিছ পৰা অঞ্চলৰ বিদ্যালয়সমূহত স্বাস্থ্য শিবিৰ আগবঢ়োৱাকে ধৰি শিক্ষণ সামগ্ৰী যোগান ধৰি আহিছে আৰু লগতে দুখীয়া ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ দায়িত্ব গ্ৰহণ কৰি আহিছে। শিক্ষাৰ সাৰথিৰ "পুনৰুদ্ধাৰ মিছন" কেৱল শৈক্ষিক সামগ্ৰী বিতৰণৰ এক অভিযানেই নহয়, বানপানীৰ ফলত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষা আৰু সামগ্ৰিক কল্যাণৰ প্ৰতি সমাজৰ দায়বদ্ধতাক আগুৱাই নিয়াৰ এক আন্তৰিক প্ৰচেষ্টা অব্যাহত ৰাখিছে।

## ৫ ছেপ্টেম্বৰৰ চিজেপিৰ প্ৰতিবাদ সমদল

বুলি উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল কেন্দ্ৰীয় চৰকাৰে। ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ জয়মাল্য বাগচী আৰু ভি মোহনাৰে গঠিত বিচাৰপীঠে গ্ৰহণ কৰা শুনানিত চৰকাৰী আবেদন সন্দৰ্ভত একো সিদ্ধান্ত উপনীত হোৱা নাছিল যদিও আদালতে প্ৰশাসনে আইন-শৃংখলা বজাই ৰখাৰ লগতে সকলো পক্ষই দায়িত্বশীল আৰু আইন অনুসৰি কাম কৰাটো নিশ্চিত কৰিব বুলি আশা প্ৰকাশ কৰে। ইফালে ২০-২৫ জুলাইত হোৱা প্ৰতিবাদৰ সময়ত প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে দেশজুৰি ৰুজু কৰা গোচৰসমূহ কেন্দ্ৰীয় চৰকাৰে প্ৰত্যাহাৰ কৰিব লাগে বুলি উচ্চতম ন্যায়ালয়ে আগতে উল্লেখ কৰিছিল, যাৰ পাছতেই চিজেপি নেতৃত্বই এই সিদ্ধান্ত লয় বুলি ৰাজনৈতিক মহলত চৰ্চা চলিছে। দিল্লী আৰক্ষীৰ অৱসৰপ্ৰাপ্ত বিষয়া ৰাজেন্দ্ৰ সিঙেও ৫ ছেপ্টেম্বৰৰ প্ৰতিবাদৰ বিৰোধিতাৰে আদালতৰ কাষ চাপিছিল, যাৰ প্ৰেক্ষাপটত এই সিদ্ধান্তক অধিক গুৰুত্ব দিয়া হৈছে।

## দ্বিতীয় বৈকুণ্ঠপুৰিলৈ পৰিণত

মাজুলীৰ প্ৰতিখন সত্ৰ আৰু নামঘৰত পুৱাৰ পৰা নিশা দুপৰলৈ চাৰি নাম, চৈধ্য প্ৰসংগ, খোল তাল বৰগীতৰ অমীয়া সুৰে মুখৰিত হৈ পৰিছে। বিশেষকৈ মাজুলীৰ এলেঙি নৰসিংহ সত্ৰ, ভোগপুৰ, উত্তৰ কমলাবাৰী, নতুন কমলাবাৰী, মধ্য মাজুলী কমলাবাৰী সত্ৰত ৪ দিনীয়াকৈ মহাপুৰুষ মাধৱদেৱৰ তিথি উদযাপন কৰিছে। প্ৰথম দিনা চাউল ভোজনী, দ্বিতীয় দিনা থাপনি আৰু আজি মূল তিথি আৰু কাইলৈ ভাঙনীৰে মাধৱদেৱৰ তিথি মাজুলীৰ মহাপুৰুষীয়া সত্ৰ সমূহত সামৰণি পৰিব। ইফালে ঐতিহাসিক আউনীআটী সত্ৰতো আজি চৈধ্য প্ৰসংগৰ লগতে পহিলা ভাদৰ পৰাই সত্ৰ খনত ভাগৱত পাঠৰ ব্যৱস্থা কৰিছে। ইফালে আজি মূল তিথিত মহাপুৰুষীয়া সত্ৰ সমূহত পুৱাৰ পৰা পুৱাগীত মাধৱদেৱৰ কালজয়ী সৃষ্টি পুৱা উঠন, জাগৰণ চলন আদি বৰগীত পৰিৱেশন কৰে। ইয়াৰ পাছতে নামঘোষাৰ মাধৱ মাধৱ ঘোষা, সকলো ভকত বৈষ্ণৱে পৰিৱেশন কৰাৰ লগতে পাঠকে প্ৰ াদ চৰিত্ৰৰ চাৰিটা কীৰ্তন দিয়ে। ইয়াৰ পাছতে গায়ন-বায়নে গুৰুমৰ্দন ধেমালি পৰিৱেশন কৰে। ইয়াৰ পাছতে বিহাৰ নৃত্য, কীৰ্তনীয়া আৰু ওজাপালি নৃত্য পৰিৱেশন কৰে। সন্ধিয়া ন-ধেমালি, কীৰ্তন, নামপ্ৰসংগ, ঘোষা ধেমালি পৰিৱেশন কৰে। মুঠতে সত্ৰীয়া সংস্কৃতিৰ সকলো সম্ভাৰ পৰিৱেশন হৈছে। নতুন কমলাবাৰী সত্ৰতো নাম কীৰ্তন, গায়ন বায়ন, বিহাৰ নৃত্য, ওজাপালি, কীৰ্তনীয়া আদি পৰিৱেশিত কৰিছে। মাধৱদেৱৰ ঝুমুৰা নাট ও পৰিৱেশন কৰিছে সত্ৰখনিত। ভোগপুৰ সত্ৰতো চালিনৃত্য, বিহাৰ নৃত্য, প্ৰৱেশ নৃত্য, নাম প্ৰসংগ, গায়ন-বায়ন পৰিৱেশন কৰিছে বৈষ্ণৱ সকলে। মহাপুৰুষ মাধৱদেৱৰ তিৰোভাৱ তিথি মাজুলীৰ৩খন সত্ৰ চাৰি শতাধিক নামঘৰত আজি উদযাপন কৰিছে। সত্ৰ প্ৰতিষ্ঠাৰে পৰা ঐতিহাসিক নতুন কমলাবাৰী সত্ৰত মাধৱদেৱৰ তিথি বিস্তৃত আড়ম্বৰপূৰ্ণ পালন কৰি আহিছে। চাৰিদিনীয়া কাৰ্যসূচীৰে ক্ৰমে চাউল ভোজনী, থাপনি মূল কীৰ্তন আৰু ভাঙনী উদযাপন হৈ আহিছে। নতুন কমলাবাৰী সত্ৰৰ গুৰু কীৰ্তন হ'ল সত্ৰৰ সমূদায় সংগীত সম্ভাৰক অক্ষুণ্ণ অবিছিন্ন ৰীতিৰে পৰিৱেশন ধণ্য কৰি তোলাৰ এটি বছৰেকীয়া কাৰ্যক্ৰমনিকা। মাজুলীৰ ঐতিহাসিক এলেঙী নৰসিংহ সত্ৰতো পৰম্পৰা ৰক্ষা কৰি পালন কৰিছে গুৰু তিথি। পুৱা খোল প্ৰসংগ ভাগৱত, নাম প্ৰসংগ ঠিয় নাম আদি অনুষ্ঠিত কৰে। নৰসিংহ সত্ৰৰ ঠিয় নামৰ পৰম্পৰা ৩০৩ বছৰীয়া পুৰনি। সত্ৰ খনৰ সকলো ভকত বৈষ্ণৱে বৰতাল লৈ ঠিয় নাম পৰিৱেশন কৰে। নামৰ ধ্বনি যাতে চাৰিওফালে ৰাইজে শুনিব পাৰে তাৰে সত্ৰ খনত উক্ত পৰম্পৰা আছে। গাঁৱৰ নামঘৰ সমূহতো পহিলা ভাদৰ পৰাই হৰিনামৰ ধ্বনিৰে মুখৰ হৈছে।

## মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ

বুলি চৰকাৰে জানিবলৈ দিয়ে। এই পদক্ষেপে যুৱ প্ৰজন্মক আৰ্থিকভাৱে সবল কৰাৰ লগতে তেওঁলোকৰ ভৱিষ্যত গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰিও মুখ্যমন্ত্ৰীয়ে বিদেশী ভাষা শিক্ষাৰ জৰিয়তে যুৱক-যুৱতীসকলৰ বাবে নিযুক্তিৰ বাট মুকলি কৰিবলৈ ট্ৰত্ত ফ্লাইট নামৰ বিশেষ আঁচনিৰ অধীনত জাপানী ভাষা প্ৰশিক্ষণৰ বাবেও ধন মুকলি কৰে। এই আঁচনিৰ অধীনত নিৰ্বাচিত প্ৰতিজন প্ৰশিক্ষাৰ্থীক তিনিটা কিস্তিত মুঠ ৰ লাখ টকা প্ৰদান কৰা হ'ব, আৰু নিযুক্তি লাভ কৰাৰ পিছত তেওঁলোকে অতিৰিক্ত ৫০ হাজাৰ টকাও লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে এই আঁচনিয়ে অসমৰ মানৱ সম্পদ সৃষ্টিত যথেষ্ট সহায় কৰিব আৰু শেহতীয়াকৈ জাপান, ছিংগাপুৰকে ধৰি কেইবাখনো বিদেশী ৰাষ্ট্ৰত অসমৰ যুৱক-যুৱতীসকলৰ নিযুক্তি হোৱা বাবে বিদেশী ভাষা শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ১০ হাজাৰ শিক্ষাৰ্থীক বিদেশী ভাষা শিকোৱাৰ লক্ষ্য লৈ চৰকাৰে আগবাঢ়িছে, যাৰ ফলত অসমৰ পৰা বিদেশলৈ যোৱা দক্ষ যুৱ শক্তিৰ সংখ্যা বৃদ্ধি পাব বুলি আশা কৰা হৈছে। আনহাতে, বানপানীৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালবোৰলৈ অন্তৰ্বৰ্তীকালীন সাহায্য হিচাপে ১৬, ৭৪৬টা পৰিয়ালক ৰপ্ত হাজাৰ টকাকৈ প্ৰদান কৰাৰ সিদ্ধান্তও আজি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। ইতিমধ্যে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ বানপীড়িত পৰিয়ালবোৰলৈ এই সাহায্য প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোকসেৱা ভৱনত অনুষ্ঠিত এখন কাৰ্যসূচীত এই তিনিওটা আঁচনিৰ অধীনত সাহায্য বিতৰণ কৰে আৰু কয় যে ৰাজ্য চৰকাৰে শিক্ষা, দক্ষতা বিকাশ আৰু দুৰ্যোগ প্ৰশমনৰ দিশত একত্ৰিতভাৱে কাম কৰি গৈছে, যাৰ ফলত অসম আগন্তুক দিনবোৰত এখন উন্নত আৰু সমৃদ্ধিশালী ৰাজ্য হিচাপে পৰিগণিত হ'ব। এই ঘোষণাক স্বাগতম জনাই ৰাইজে চৰকাৰৰ এই পদক্ষেপক সময়োপযোগী আৰু যুৱ-কল্যাণমুখী বুলি অভিহিত কৰিছে।

## কৃত্ৰিম বানমুক্ত গুৱাহাটী গঢ়াৰ

নগৰ পৰিক্ৰমা বিভাগ, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণ, নগৰ আৰু গাঁও পৰিকল্পনাৰ বিশেষ সঞ্চালক, গুৱাহাটী আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়াসকল উপস্থিত থাকে। বৈঠকত বান প্ৰতিৰোধমূলক ব্যৱস্থাসমূহৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনা কৰাৰ লগতে প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰিব লগা বিভিন্ন দিশসমূহ সম্পৰ্কে বিস্তাৰিত উপস্থাপন আৰু মত-বিনিময় কৰা হয়। বৈঠকৰ অন্তত মন্ত্ৰী কৌশিক ৰায়ে সামাজিক মাধ্যমযোগে কয় যে গুৱাহাটীক বানমুক্ত কৰাৰ উদ্দেশ্যেৰে আইআইটি গুৱাহাটী আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়ববীয়াসকলৰ সৈতে অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ বৈঠকত এখন সুসংহত উপস্থাপন আৰু পৰ্যালোচনাৰ অন্তত বান প্ৰতিৰোধী বিভিন্ন ব্যৱস্থা গ্ৰহণৰ বাবে সংশ্লিষ্ট বিভাগ আৰু সংস্থাসমূহক প্ৰয়োজনীয় দায়িত্ব প্ৰদান কৰা হৈছে। তেওঁ লগতে কয় যে সকলোৰে প্ৰচেষ্টা আৰু সহযোগিতাত গুৱাহাটী মহানগৰবাসীয়ে দীৰ্ঘদিন ধৰি সন্মুখীন হৈ অহা এই সমস্যাসমূহৰ সমাধান কৰিবলৈ চৰকাৰ সফল হ'ব বুলি তেওঁ সম্পূৰ্ণ আশাবাদী। আজিৰ বৈঠকত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া, কামৰূপ মহানগৰ জিলা আয়ুক্ত, নগৰ আৰু গাঁও পৰিকল্পনাৰ বিশেষ সঞ্চালক আৰু গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ সচিব প্ৰমুখ্য বিষয়াসকলৰ সক্ৰিয় অংশগ্ৰহণে এই বৈঠকক অধিক ফলপ্ৰসূ কৰি তুলিছিল। উল্লেখযোগ্য যে অহা এজাক বৰষুণতে পুনৰ মহানগৰীৰ বিভিন্ন প্ৰান্তত কৃত্ৰিম বানৰ সৃষ্টি হোৱা পৰিপ্ৰেক্ষিতত এই বৈঠক বিশেষভাৱে গুৰুত্বপূৰ্ণ হৈ পৰিছে, আৰু চৰকাৰে অতি সোনকালে এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে বাস্তৱমূলক পদক্ষেপ গ্ৰহণ কৰিব বুলি ৰাইজৰ মাজত আশাৰ সৃষ্টি হৈছে।

## ব্ৰহ্মপুত্ৰত সন্ধানহীন ১০৮ নৌকা

ফেৰী ঘাটলৈ উভতি আহে। নিশা প্ৰায় ৯ঃ৫০ বজাত নৌকা এম্বুলেন্সখন ঘাটত ৰখোৱাৰ সময়তে চালক মাধৱ দাস হঠাৎ সন্ধানহীন হোৱা বুলি জানিব পৰা গৈছে। সন্ধানহীন মাধৱ দাসৰ ঘৰ শদিয়াত। ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগে মাজুলী জিলা আৰক্ষী আৰু এছডিআৰএফ (SDRF)-ৰ দল নিশাই ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। প্ৰতিকূল বতৰ আৰু ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁতৰ মাজতো নিশাৰ পৰাই নিখোঁজ চালকজনৰ সন্ধানত অভিযান চলোৱা হয়। যদিও নিশা প্ৰায় ৰ বজাত অভিযান সাময়িকভাৱে স্থগিত ৰাখি, আজি পুৱাৰে পৰা পুনৰ উদ্ধাৰ অভিযান আৰম্ভ কৰে। ইফালে, ঘটনাৰ গুৰুত্ব উপলব্ধি কৰি মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকো নিশাই অফলামুখ ফেৰী ঘাটত উপস্থিত হৈ উদ্ধাৰ অভিযানৰ অগ্ৰগতিৰ বুজ লয়। এই প্ৰতিবেদন লিখা পৰ্যন্ত মাধৱ দাসৰ কোনো সন্ধান লাভ হোৱা নাই। ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁত আৰু বিৰূপ বতৰৰ বাবে উদ্ধাৰ অভিযানত অসুবিধাৰ সৃষ্টি হৈছে যদিও উদ্ধাৰকাৰী দলটোৱে অভিযান অব্যাহত ৰাখিছে। ঘটনাটোক কেন্দ্ৰ কৰি সন্ধানহীন মাধৱ দাসৰ পৰিয়ালৰ মাজত গভীৰ উৎকণ্ঠাৰ সৃষ্টি হৈছে। খবৰ লাভ কৰাৰ পাছতে শদিয়াৰ পৰা তেওঁৰ পুত্ৰসহ পৰিয়ালৰ সদস্যসকল অফলামুখ ফেৰী ঘাটত উপস্থিত হয়। পৰিয়ালটোৱে ১০৮ নৌকা এম্বুলেন্স সেৱাৰ নামত তুলুঙা মাজি নাওৰে নিশাৰ ভাগত ব্ৰহ্মপুত্ৰত ৰোগী কঞ্জয়িাই নিয়াৰ ব্যৱস্থাক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। পৰিয়ালৰ লোকে জনোৱা মতে, মাধৱ দাসৰ প্ৰায় ৩০ বছৰৰ ফেৰী চলোৱাৰ অভিজ্ঞতা আছে। সেয়ে নদীৰ সৈতে দীৰ্ঘদিন ধৰি জড়িত এনে এজন অভিজ্ঞ লোক কেনে পৰিস্থিতিত নদীত সন্ধানহীন হ'বলৈ পালে, সেই বিষয়েও তেওঁলোকে প্ৰশ্ন উত্থাপন কৰিছে। তেওঁলোকৰ মতে, যদি অত্যাধুনিক নৌকা এম্বুলেন্সত এনে ঘটনা সংঘটিত হ'লহেঁতেন, তেন্তে সেয়া দুৰ্ঘটনা বুলি মানি ল'ব পৰা গ'লহেঁতেন। কিন্তু এখন সৰু তুলুঙা নাওত নিশাৰ ভাগত ৰোগী কঢ়িয়াই নিয়াৰ ব্যৱস্থাক তেওঁলোকে অতি বিপদজনক বুলি অভিহিত কৰিছে। পৰিয়ালৰ লোকে আৰু জনায় যে, সোমবাৰে নিশা প্ৰায় ৯ বজালৈকে মাধৱ দাসৰ সৈতে তেওঁলোকৰ নিয়মীয়া যোগাযোগ আছিল। কিন্তু নিশা প্ৰায় ৰচ বজাতহে তেওঁৰ সন্ধানহীন হোৱাৰ খবৰ লাভ কৰে।

## তিনিখন বানপীড়িত জিলালৈ

শৰ্মাই এই কথা সদৰি কৰি কয় যে শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ প্ৰতিটো বানাক্ৰান্ত পৰিয়ালে ১৫ হাজাৰ টকাকৈ লাভ কৰিছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰেৰণ কৰা এক পোষ্টত উল্লেখ কৰা মতে, নাগৰিকৰ কল্যাণ আৰু যুৱক-যুৱতীসকলৰ সহায়ৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত উপস্থিত হৈ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ ১৬, ৭৪৬টা পৰিয়ালক ১৫, ০০০ টকাৰ অন্তৰ্বৰ্তীকালীন বান সাহায্য (DBT interim) বিতৰণ কৰে, লগতে CM-FLIGHT আৰু মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা যোজনা আঁচনিৰ অধীনত আৰ্থিক সাহায্যও প্ৰদান কৰে। এই সন্দৰ্ভত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এক্সযোগে পোষ্ট কৰি কয় যে সাহায্য প্ৰদান আৰু জ্ঞানৰ প্ৰসাৰৰ প্ৰয়াসত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ ১৬, ৭৪৬টা পৰিয়ালক ১৫, ০০০ টকাকৈ অন্তৰ্বৰ্তীকালীন বান সাহায্য প্ৰদান কৰে, ইয়াৰ উপৰিও CM Flight আৰু মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা যোজনা আঁচনিৰ অধীনত আৰ্থিক সাহায্যও লাভ কৰিব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই এই সাহায্য বিতৰণৰ লগতে জাপানী ভাষা প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে মুখ্যমন্ত্ৰীৰ বিদেশী ভাষা ইনিচিয়েটিভ ফৰ গ্ল'বেল হাণ্ট (CM-FLIGHT)ৰ অধীনত পুঁজিও মুকলি কৰি দিয়ে, যাৰ অধীনত প্ৰতিজন নিৰ্বাচিত প্ৰাৰ্থীয়ে তিনিটা কিস্তিত প্ৰশিক্ষণৰ সহায় হিচাপে এক লাখ টকা লাভ কৰিব আৰু চাকৰি পোৱাৰ পাছতো ৫০ হাজাৰ টকাৰ সাহায্য লাভ কৰিব। ইয়াৰ লগতে মুখ্যমন্ত্ৰীয়ে 'জীৱন প্ৰেৰণা যোজনা'ৰ অধীনত চৰকাৰী আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা শেহতীয়াকৈ স্নাতক ডিগ্ৰী লাভ কৰা যুৱক-যুৱতীসকলক আৰ্থিক সাহায্য আগবঢ়ায়, য'ত মুঠ ১১৮.৬ কোটি টকা ৪৮, ১৮৮ গৰাকী প্ৰাৰ্থীক দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই কয়, আৰু প্ৰত্যেকেই এবছৰৰ বাবে প্ৰতিমাহে ২৫০০ টকাকৈ লাভ কৰিব বুলিও তেওঁ স্পষ্ট কৰে। ৰাজ্য চৰকাৰৰ এই পদক্ষেপে বানাক্ৰান্ত পৰিয়ালবোৰলৈ কিছুপৰিমাণে সকাহ আনি দিয়াৰ লগতে শিক্ষিত যুৱক-যুৱতীসকলৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিছে বুলি ৰাইজে অভিহিত কৰিছে।

## অসমৰ দুৰ্যোগ সাহায্য নিয়মৰ বিৰুদ্ধে

কৰাৰ দাবী লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে হোৱা আলোচনা সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা বুলি দাবী কৰি বিধায়কগৰাকীয়ে চৰকাৰৰ বিৰুদ্ধে ধাৰাবাহিক আন্দোলনৰ কথা ঘোষণা কৰে। তেওঁ কয় যে বৰ্তমানৰ মেনুৱেল অনুসৰি প্ৰদান কৰা ক্ষতিপূৰণৰ পৰিমাণ অতি নগণ্য আৰু বৰ্তমান সময়ত সেয়া একেবাৰে হাস্যকৰ পৰ্যায়ত উপনীত হৈছে। বানপানীৰ ফলত মানুহৰ মৃত্যু হ'লে প্ৰদান কৰা ৩ লাখ টকা, গুৰুতৰ আঘাত পালেও এসপ্তাহতকৈ কম সময় হাস্পতালত থাকিলে মাত্ৰ ৫, ৪০০ টকা, কাপোৰ-কানি বা বাচন-বৰ্তন ধ্বংস হ'লে পৰিয়ালটোক মাত্ৰ ২, ৫০০ টকা, আৰু সম্পূৰ্ণ বিনষ্ট হোৱা পকী ঘৰ এটাৰ বিপৰীতে মাত্ৰ ৰ লাখ ৩০ হাজাৰ টকাহে ক্ষতিপূৰণ ধাৰ্য কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অখিল গগৈয়ে লগতে কয় যে ৰ হেক্টৰ জলসিঞ্চন থকা খেতিমাটিৰ ক্ষতিপূৰণ হিচাপে ১৬, ০০০ টকা আৰু ৭.৫ বিঘা মাটিৰ পুখুৰী নষ্ট হ'লে মাত্ৰ ৭, ০০০ টকা প্ৰদান কৰা হয়, অথচ শিৱসাগৰৰ ব্যৱসায়ীসকলৰ কোটি কোটি টকাৰ লোকচান হৈছে যদিও বীমা নথকা দোকানসমূহৰ ক্ষতিপূৰণ দিয়াৰ অনুৰোধ মুখ্যমন্ত্ৰীয়ে প্ৰত্যাখ্যান কৰি ইয়াক 'ক্ৰিমিনেল অফেন্স' বুলিহে আখ্যা দিয়ে, যাৰ ফলত ব্যৱসায়ীসকল অধিক সংকটৰ সন্মুখীন হৈছে। বিধায়কগৰাকীয়ে দাবী কৰে যে প্ৰতিটো বানপীঞ্ছতি পৰিয়ালক ১০ লাখ টকাকৈ ক্ষতিপূৰণ প্ৰদান নকৰালৈকে এই সংগ্ৰাম অব্যাহত থাকিব আৰু এই দাবীৰে তেওঁ চৰকাৰৰ বিৰুদ্ধে আন্দোলন চলাই যাব। ইয়াৰ লগতে সংবাদমেলত অখিল গগৈয়ে কংগ্ৰেছ দলৰ লগতে শিৱসাগৰৰ সাংসদ গৌৰৱ গগৈকো তীব্ৰ সমালোচনা কৰে। তেওঁ কংগ্ৰেছ দলক "পৃথিৱীৰ আটাইতকৈ গেলা আৰু ভ্ৰষ্টাচাৰী পাৰ্টি" বুলি আখ্যা দি কয় যে ক্ষমতাত নাথাকিলে দলটোৰ চিন্তা-শক্তি সম্পূৰ্ণৰূপে হেৰাই যায়। লগতে সাংসদ গৌৰৱ গগৈয়ে ৫ কোটি টকাৰ সাংসদ পুঁজি পোৱাৰ পাছতো বানপীড়িতসকলৰ বাবে এক পইচাও খৰচ নকৰা আৰু বানৰ সময়ত কোনো উপস্থিতি প্ৰদৰ্শন নকৰাৰ গুৰুতৰ অভিযোগ তোলে, যাৰ বাবে তেওঁ শিৱসাগৰৰ জনসাধাৰণৰ মাজত তীব্ৰ অসন্তোষ বিৰাজ কৰিছে। আনহাতে, অখিল গগৈয়ে মুকলি প্ৰত্যাহ্বান জনায় যে তেওঁ নিজৰ বিধায়ক পদ এৰিবলৈ সম্পূৰ্ণ সাজু, আৰু সাংসদ গৌৰৱ গগৈয়ে তেওঁৰ তত্ত্ব পদ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ MLA পদ এৰি শিৱসাগৰ সমষ্টিত নিৰ্বাচন খেলি জিকি দেখুৱাওক বুলি আহ্বান জনায়। তেওঁ দৃঢ়তাৰে কয় যে ২০৩১ চনত ৰাইজৰ দল অসমৰ প্ৰধান বিৰোধী দল হিচাপে আত্মপ্ৰকাশ কৰিব। উজনি অসমত সৃষ্টি হোৱা কৃত্ৰিম বান পৰিস্থিতিৰ বাবে অবৈধ কয়লা খনন আৰু ছিণ্ডিকেটক জগৰীয়া কৰি বিধায়কগৰাকীয়ে সুশান্ত বৰগোহাঁই, ময়ূৰ বৰগোহাঁই আৰু ধৰ্মেশ্বৰ কোঁৱৰ জড়িত থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰাৰ লগতে মুখ্যমন্ত্ৰীয়ে তেওঁলোকক ৰক্ষণাবেক্ষণ দিয়া বুলিও দাবী কৰে। অখিল গগৈৰ এই তীব্ৰ ভাষণ আৰু প্ৰত্যাহ্বানে শিৱসাগৰৰ ৰাজনৈতিক মহলত এক নতুন উত্তাপৰ সৃষ্টি কৰিছে, আৰু বানপীড়িতসকলৰ সাহায্য বৃদ্ধিৰ দাবীৰ লগত সংগতি ৰাখি তেওঁৰ আন্দোলনে ৰাজ্য চৰকাৰৰ সন্মুখত এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হিচাপে দেখা দিছে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## তিনিখন বানপীড়িত জিলালৈ ২৫

যুৱতীসকলৰ সহায়ৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত উপস্থিত হৈ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ ১৬, ৭৪৬টা পৰিয়ালক ১৫, ০০০ টকাৰ অন্তৰ্বৰ্তীকালীন বান সাহায্য (DBT interim) বিতৰণ কৰে, লগতে ট্ৰত্ত-FLIGHT আৰু মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা যোজনা আঁচনিৰ অধীনত আৰ্থিক সাহায্যও প্ৰদান কৰে। এই সন্দৰ্ভত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এক্সযোগে পোষ্ট কৰি কয় যে সাহায্য প্ৰদান আৰু জ্ঞানৰ প্ৰসাৰৰ প্ৰয়াসত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ ১৬, ৭৪৬টা পৰিয়ালক ১৫, ০০০ টকাকৈ অন্তৰ্বৰ্তীকালীন বান সাহায্য প্ৰদান কৰে, ইয়াৰ উপৰিও CM-FLIGHT আৰু মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা যোজনা আঁচনিৰ অধীনত আৰ্থিক সাহায্যও লাভ কৰিব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী শৰ্মাই এই সাহায্য বিতৰণৰ লগতে জাপানী ভাষা প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে মুখ্যমন্ত্ৰীৰ বিদেশী ভাষা ইনিচিয়েটিভ ফৰ গ্ল'বেল হাণ্ট (CM-FLIGHT)ৰ অধীনত পুঁজিও মুকলি কৰি দিয়ে, যাৰ অধীনত প্ৰতিজন নিৰ্বাচিত প্ৰাৰ্থীয়ে তিনিটা কিস্তিত প্ৰশিক্ষণৰ সহায় হিচাপে এক লাখ টকা লাভ কৰিব আৰু চাকৰি পোৱাৰ পাছতো ৫০ হাজাৰ টকাৰ সাহায্য লাভ কৰিব। ইয়াৰ লগতে মুখ্যমন্ত্ৰীয়ে 'জীৱন প্ৰেৰণা যোজনা'ৰ অধীনত চৰকাৰী আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা শেহতীয়াকৈ স্নাতক ডিগ্ৰী লাভ কৰা যুৱক-যুৱতীসকলক আৰ্থিক সাহায্য আগবঢ়ায়, য'ত মুঠ ১১৮.৬ কোটি টকা ৪৮, ১৮৮ গৰাকী প্ৰাৰ্থীক দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই কয়, আৰু প্ৰত্যেকেই এবছৰৰ বাবে প্ৰতিমাহে ২৫০০ টকাকৈ লাভ কৰিব বুলিও তেওঁ স্পষ্ট কৰে। ৰাজ্য চৰকাৰৰ এই পদক্ষেপে বানাক্ৰান্ত পৰিয়ালবোৰলৈ কিছুপৰিমাণে সকাহ আনি দিয়াৰ লগতে শিক্ষিত যুৱক-যুৱতীসকলৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিছে বুলি ৰাইজে অভিহিত কৰিছে।

## সোণোৱাল কছাৰী স্বায়ত্তশাসিত

অধ্যক্ষ, প্ৰতীম সোণোৱালক সমন্বয়ক আৰু প্ৰাঞ্জল শইকীয়া তথা শিৱ বৰুৱাক যুটীয়া সমন্বয়ক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে। ইয়াৰ উপৰি সমিতিখনত আন ৪৭জন সদস্যসহ সৰ্বমুঠ প্ৰচজন বিষয়ববীয়া তথা সদস্য অন্তৰ্ভুক্ত কৰা হৈছে, যিয়ে এই সমিতিক এক সুসংহত ৰূপ প্ৰদান কৰিছে। ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, যোৰহাট, গোলাঘাট, শিৱসাগৰ আৰু লখিমপুৰ আদি বিভিন্ন জিলাৰ প্ৰতিনিধিসকলক সামৰি গঠন কৰা এই সমিতিখনে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত কংগ্ৰেছ দলক কিদৰে জয়ী কৰাব পাৰি সেই লৈ এক সুসংহত ৰণনীতি যুগুত কৰিব বুলি জানিব পৰা গৈছে। সমিতিৰ গঠনৰ লগে লগে দলীয় নেতৃত্বই বিভিন্ন জিলাৰ স্থানীয় সংগঠনসমূহৰ সৈতে যোগাযোগ আৰম্ভ কৰিছে আৰু আগন্তুক নিৰ্বাচনত দলৰ জয় নিশ্চিত কৰিবলৈ তৃণমূল পৰ্যায়ত কাম কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখ্য যে সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ অঞ্চলটো কংগ্ৰেছৰ বাবে ৰাজনৈতিকভাৱে গুৰুত্বপূৰ্ণ, কাৰণ ইয়াত বিভিন্ন জনজাতি আৰু সম্প্ৰদায়ৰ সমন্বয়ত অঞ্চলটোৰ উন্নয়ন আৰু প্ৰশাসনিক কাম-কাজ পৰিচালিত হয়। কংগ্ৰেছ নেতৃত্বই আশা প্ৰকাশ কৰিছে যে এই সমিতিয়ে নিৰ্বাচনী প্ৰস্তুতি ত্বৰান্বিত কৰাৰ লগতে দলীয় প্ৰাৰ্থীসকলক সঠিক দিশ-নিৰ্দেশনা প্ৰদান কৰিব, যাৰ ফলত অসম কংগ্ৰেছে পৰিষদখনত নিজৰ শক্তি পুনৰুদ্ধাৰ কৰিবলৈ সক্ষম হ'ব। ইপিনে, ৰাজনৈতিক মহলত এই গঠনক আগন্তুক নিৰ্বাচনৰ প্ৰতি কংগ্ৰেছৰ গুৰুত্ব আৰু দলীয় একতাৰ প্ৰতীক বুলি মূল্যায়ন কৰা হৈছে, আৰু সমিতিখনে অহা দিনবোৰত কেনে কাৰ্যপন্থা গ্ৰহণ কৰে তাৰ প্ৰতি সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

## গুৱাহাটী বিশ্ববিদ্যালয়, কলাক্ষেত্ৰ

দিনটোতে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে জ্যোতি বিষ্ণু কলা মন্দিৰ আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে পূৰ্বে নিৰ্ধাৰিত অনুষ্ঠানসমূহ সমাপন কৰি অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ৰাজভৱনত আয়োজন কৰা ৰাতিৰ আহাৰ গ্ৰহণ কৰিব। সেইদিনা তেওঁ গুৱাহাটীৰ কইনাধৰাস্থিত ৰাজ্যিক অতিথিশালাতে নিশা কটাব। ৭ ছেপ্টেম্বৰত উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে গুৱাহাটী বিশ্ববিদ্যালয়ত আয়োজিত এক বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব, য'ত অসম চৰকাৰৰ পুঁজিৰে ১১০ কোটি টকাৰ বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে। এই কাৰ্যসূচীৰ সময়তে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰচনা কৰা 'সংহত উন্নয়ন (উত্তৰ-পূব পৰিষদৰ ভূমিকা)' শীৰ্ষক গ্ৰন্থখন উপ-ৰাষ্ট্ৰপতিৰ দ্বাৰা উন্মোচন কৰা হ'ব। ইয়াৰ উপৰিও ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এখন বিশেষ গ্ৰন্থ আৰু চন্দ্ৰকান্ত অভিধানৰ বিস্তাৰিত সংস্কৰণো এই অনুষ্ঠানতে উন্মোচিত হ'ব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মাই কয় যে উপ-ৰাষ্ট্ৰপতিৰ ভ্ৰমণ আৰু বিশ্ববিদ্যালয়ত আয়োজিত হ'ব লগা নিৰ্ধাৰিত কাৰ্যসূচীৰ বাবে প্ৰয়োজনীয় সকলো প্ৰস্তুতি চলি আছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণৰ অসম ভ্ৰমণক লৈ গুৱাহাটী আৰক্ষী আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে সমগ্ৰ মহানগৰীৰ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। সকলো দিশৰ প্ৰতি লক্ষ্য ৰাখি নিৰাপত্তা আৰু যাতায়াতৰ ব্যৱস্থাক বিশেষ গুৰুত্ব দিয়া হৈছে, যাৰ ফলত এই উচ্চপদস্থ ভিআইপি ভ্ৰমণ সুচাৰুৰূপে সম্পন্ন কৰিবলৈ আৰক্ষী বাহিনী সম্পূৰ্ণৰূপে সজাগ হৈ আছে। ৰাজ্য চৰকাৰেও উপ-ৰাষ্ট্ৰপতিৰ ভ্ৰমণক লৈ আটাইবোৰ আয়োজন চূড়ান্ত কৰি থকা অৱস্থাত অসমবাসীৰ মাজত এই ভ্ৰমণৰ প্ৰতি বিশেষ উৎসুকতা আৰু সাদৰ দেখা গৈছে।

## জিডিপি তথ্য মনসজা বুলি মোদী

আৰু আনুমানিক জিডিপিৰ মাজত ২.৩ শতাংশ পাৰ্থক্য আছে, আৰু ই বজাৰৰ দামৰ তাৰতম্যৰ এক ভুল চিত্ৰ প্ৰদান কৰিছে। তেওঁ উল্লেখ কৰে যে চৰকাৰে প্ৰকাশ কৰা জিডিপিৰ বিপৰীতে পাইকাৰী দামৰ তালিকা অনুসৰি ৯ শতাংশ মূল্যবৃদ্ধি হৈ আছে, যাৰ ফলত সাধাৰণ মানুহৰ জীৱনযাত্ৰা সংকটপূৰ্ণ হৈ পৰিছে। ৰমেশে কয় যে এই জিডিপি তালিকাখন মোদী চৰকাৰে নিজৰ ইচ্ছামতে গণনা পদ্ধতি সলনি কৰি প্ৰস্তুত কৰা এখন মনেসজা তালিকা, যি দেশৰ প্ৰকৃত উন্নয়নৰ প্ৰতিফলন নহয়, আৰু চৰকাৰে যদি প্ৰকৃত তথ্য প্ৰকাশ কৰে তেন্তে দেশৰ বিকাশৰ বাবে বাস্তৱমুখী পদক্ষেপ ল'বলগীয়া হ'ব বুলিও তেওঁ মন্তব্য কৰে। 'মেক ইন ইণ্ডিয়া' কাৰ্যসূচীৰ প্ৰসংগত কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে এই কাৰ্যসূচীয়ে কিছু পৰিমাণে সফলতা লাভ কৰিলেও মোদী চৰকাৰে ইয়াক অত্যধিক প্ৰচাৰ কৰি ভাৰতৰ বাবে এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি দাঙি ধৰিছে, অথচ ইয়াৰ প্ৰকৃত ফলাফল আৰু বহু ক্ষেত্ৰত বিফলতা আছে। আনহাতে, পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰণালয়ৰ অতিৰিক্ত সঞ্চালক প্ৰধান সিদ্ধাৰ্থ কুণ্ডুৱে সোমবাৰে এক বিবৃতিত কয় যে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত বাস্তৱ জিডিপিৰ অনুমান ৭.৮'% বৃদ্ধি পোৱাৰ মূল কাৰণ হৈছে উৎপাদন আৰু সেৱা খণ্ডৰ ধাৰাবাহিক বৃদ্ধি, যিয়ে ভাৰতীয় অৰ্থনীতিৰ ভেটি সুদৃঢ় হৈ থকাৰ ইংগিত দিয়ে। ৰমেশৰ এই সমালোচনাই একাষে চৰকাৰী তথ্যৰ ওপৰত প্ৰশ্নচিহ্ন তুলি থকাৰ লগতে ৰাজনৈতিক মহলত জিডিপিৰ সঠিকতা আৰু অৰ্থনৈতিক পৰিস্থিতিৰ বিষয়ে নতুন বিতৰ্কৰ সূচনা কৰিছে, কিয়নো চৰকাৰে দিয়া তথ্য আৰু বিৰোধী দলৰ দাবীৰ মাজত থকা ব্যৱধান ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। অৰ্থনীতিবিদসকলেও এই পাৰ্থক্যৰ কাৰণ সম্পৰ্কে বিভিন্ন মত প্ৰকাশ কৰি থকা অৱস্থাত অহা দিনবোৰত এই বিতৰ্ক অধিক তীব্ৰ হৈ উঠাৰ সম্ভাৱনা আছে।

## ভূটানে পানী এৰাৰ পাছতেই বেকী

নদীৰ জলস্তৰ অস্বাভাৱিকভাৱে বৃদ্ধি পাইছিল। আজি দিনৰ ভাগত পানী কিছু পৰিমাণে কমিছে যদিও বিপদৰ আশংকা এতিয়াও দূৰ হোৱা নাই। পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি বৰপেটা আৰু বাক্সা জিলা প্ৰশাসনে যুদ্ধকালীন তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। বৰপেটাৰ জিলা আয়ুক্তই নিজে নদীৰ পাৰত উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰাৰ লগতে ৰাইজক আতংকিত নহৈ সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। ইফালে, বাক্সা আৰু বৰপেটা জিলা প্ৰশাসনে যুটীয়াভাৱে নৈপৰীয়া অঞ্চলসমূহত মাইকযোগে সজাগতামূলক ঘোষণা চলাইছে। সম্ভাব্য দুৰ্ঘটনা ৰোধ কৰিবলৈ নদীৰ বুকুত মাছ ধৰা, খৰি ধৰা, নাও চলাচল কৰা আৰু গা ধোৱাৰ ওপৰত কঠোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। প্ৰশাসনে স্পষ্ট কৰি দিছে যে নদীৰ পানী বিপদসীমাৰ ওপৰত থকা পৰ্যন্ত কোনো লোকে যাতে নদীৰ ওচৰলৈ নাযায়। প্ৰশাসনে লগতে ৰাইজক কোনো ধৰণৰ উৰা বাতৰিত বিশ্বাস নকৰিবলৈ আৰু চৰকাৰী নিৰ্দেশনা পালন কৰিবলৈ অনুৰোধ জনাইছে। বৰ্তমান দুয়োখন জিলাৰ প্ৰশাসনে সমগ্ৰ পৰিস্থিতিৰ ওপৰত ২৪ ঘণ্টাই চোকা নজৰ ৰাখিছে। যিকোনো জৰুৰীকালীন অৱস্থাৰ মোকাবিলা কৰিবলৈ দুৰ্যোগ ব্যৱস্থাপনা বিভাগকো সাজু কৰি ৰখা হৈছে।

## দেৰগাঁৱত মুখ্যমন্ত্ৰী ঃ লাচিত

অনুষ্ঠানত উপস্থিত থাকি প্ৰশিক্ষণপ্ৰাপ্ত আৰক্ষী বিষয়াসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰাৰ লগতে কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰিব। ইয়াৰ পিছতে একেদিনাই দুপৰীয়া ৰচবজাৰ পৰা লাচিত বৰফুকন আৰক্ষী একাডেমী চৌহদতে অনুষ্ঠিত হ'ব জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ গুৰুত্বপূৰ্ণ সন্মিলন। ৰাজ্যৰ আৰক্ষী ব্যৱস্থাৰ বিভিন্ন দিশ, আইন-শৃংখলা, অপৰাধ নিয়ন্ত্ৰণ আৰু আৰক্ষী প্ৰশাসনৰ সৈতে জড়িত বিভিন্ন বিষয় এই সন্মিলনত আলোচিত হোৱাৰ সম্ভাৱনা আছে। ইফালে,,, ছেপ্টেম্বৰত মুখ্যমন্ত্ৰীগৰাকী দেৰগাঁৱৰ ঐতিহাসিক নেঘেৰিটিং শিৱদৌলত উপস্থিত হ'ব। ঐতিহাসিক শিৱদৌলত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে মহাদেৱৰ আশিস গ্ৰহণ কৰাৰ লগতে পূজা-অৰ্চনাত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। অসমৰ অন্যতম প্ৰাচীন আৰু ঐতিহাসিক শিৱমন্দিৰ হিচাপে পৰিচিত নেঘেৰিটিং শিৱদৌললৈ মুখ্যমন্ত্ৰীৰ এই আগমনক লৈ স্থানীয় ৰাইজৰ মাজতো উৎসাহ পৰিলক্ষিত হৈছে। নেঘেৰিটিং শিৱদৌলৰ কাৰ্যসূচী সম্পন্ন কৰাৰ পিছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিছপুৰলৈ যাত্ৰা কৰিব। মুখ্যমন্ত্ৰীৰ দুদিনীয়া কাৰ্যসূচীক কেন্দ্ৰ কৰি দেৰগাঁও আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰাৰ লগতে সংশ্লিষ্ট বিভাগসমূহে অনুষ্ঠানস্থলীৰ প্ৰস্তুতি সম্পূৰ্ণ কৰাৰ বাবে তৎপৰতা অৱলম্বন কৰিছে। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়ছোৱাত দেৰগাঁৱৰ লাচিত বৰফুকন আৰক্ষী একাডেমী আৰু ঐতিহাসিক নেঘেৰিটিং শিৱদৌলত বিশেষ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## ১৯০৮ চনৰ ঐতিহ্য বহনকাৰী

এইবাৰ আমগুৰি থানাও দ্বিখণ্ডিত হোৱাৰ লগতে নগৰৰ মাজমজিয়াত থকা থানাখনৰ গুৰুত্ব হ্ৰাসৰ প্ৰক্ৰিয়া চলিছে বুলি এক নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি সমষ্টি পুনৰ্গঠনৰ পাছত সম জিলা গঠন হৈছিল, আৰু চৰকাৰে শেহতীয়াকৈ প্ৰতিখন সম জিলাৰ অন্তৰ্গত অঞ্চলসমূহ একেখন আৰক্ষী থানাৰ এলেকালৈ নিয়াৰ সিদ্ধান্ত লৈছে। সেই মতে আমগুৰি থানা এলেকাৰ কিছু অঞ্চল হালোৱাটিং থানা এলেকালৈ নিয়া হ'ব। ইয়াৰ ফলত আমগুৰি নগৰকে ধৰি বৃহত্তৰ অঞ্চলৰ সৰু কামৰ বাবেও হালোৱাটিঙলৈ যাব লগা হ'ব। হালোৱাটিঙৰ পৰা দূৰত্ব বৃদ্ধি হোৱাৰ ফলত নগৰত অপৰাধীৰ দৌৰাত্ম্য বৃদ্ধিৰ আশংকাও কৰিছে সচেতন মহলে। লগতে আমগুৰি থানাৰ অস্তিত্বৰ প্ৰতিও ভাবুকি আহি পৰিছে। ভৱিষ্যতে আমগুৰি সমষ্টি হেৰাই যোৱাৰ দৰেই থানাখনো হেৰাই যাব নেকি, ই আজিৰ তাৰিখত লাখটকীয়া প্ৰশ্ন ৰূপে আমগুৰিবাসীৰ মনত উত্থাপন হৈছে। ১৯০৮ চনতে স্থাপন হোৱা আমগুৰি থানাৰ দীঘলীয়া ইতিহাস আছে। ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসমৰ বিদেশী খেদা আন্দোলনৰ সময়তো ইয়াৰ ভূমিকা গুৰুত্বপূৰ্ণ আছিল। অপৰাধ নিয়ন্ত্ৰণৰ উপৰিও আমগুৰিৰ সামাজিক ক্ষেত্ৰতো আমগুৰি থানাত কৰ্মৰত আৰক্ষী বিষয়া-কৰ্মচাৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। এনে অৱস্থাত থানাৰ সীমা পুনৰ নিৰ্ধাৰণে ইয়াৰ গুৰুত্ব কমাব বুলি ধাৰণা কৰা হৈছে। ইতিমধ্যে অতি গুৰুত্বপূৰ্ণ আবকাৰী বিভাগৰ কাৰ্যালয় আমগুৰিৰ পৰা লৈ যোৱা হৈছে। আমগুৰি নগৰৰ ব্যৱসায় বাণিজ্য নিৰ্ভৰশীল আছিল চৰকাৰী কাৰ্যালয়, স্কুল-কলেজৰ ওপৰত। কিন্তু এইদৰে চৰকাৰী কাৰ্যালয়সমূহ ক্ৰমান্বয়ে নাইকিয়া হোৱাৰ ফলত ব্যৱসায়ীসকলৰো আয় দ্ৰুতগতিত হ্ৰাস পোৱাৰ তথ্য পোহৰলৈ আহিছে। গতিকে অন্যান্য চৰকাৰী কাৰ্যালয় আদিৰ দৰে আমগুৰি থানাৰ বিষয়ে উত্থাপন হোৱা প্ৰশ্ন আমগুৰিবাসীৰ বাবে সুখকৰ নহ'ব বুলিয়েই ধাৰণা কৰা হৈছে।

## আফগানিস্তানৰ বিৰুদ্ধে টি-২০

যে এই দলত চাৰিগৰাকী খেলুৱৈক ফিটনেছ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ চৰ্তত নিৰ্বাচন কৰা হৈছে- যশপ্ৰীত বুমৰাহ, হৰ্ষিত ৰাণা, ৱাশ্বিংটন সুন্দৰ আৰু নীতিশ কুমাৰ ৰেড্ডীয়ে ফিটনেছ টেষ্টত অৱতীৰ্ণ হৈ যোগ্যতা প্ৰমাণ কৰিব লাগিব। সঞ্জু ছেমছনে উইকেটকীপাৰ বেটছমেন হিচাপে দললৈ প্ৰত্যাৱৰ্তন কৰাৰ লগতে ঈশান কিষাণেও উইকেটকীপাৰৰ বিকল্প হিচাপে দলত স্থান পাইছে। বৈভৱ সূৰ্যবংশীৰ ওপৰত দল পৰিচালনাৰ আস্থা অব্যাহত আছে আৰু অভিষেক শৰ্মাৰ সৈতে তেওঁ দলটোৰ অন্যতম প্ৰধান যুৱ বেটিং বিকল্প হিচাপে থাকিব। অৱশ্যে জিম্বাবুৱে ভ্ৰমণৰ বাবে পূৰ্বতে নিৰ্বাচিত দলৰ তুলনাত এইবাৰ ৮ গৰাকী খেলুৱৈয়ে দলত স্থান লাভ কৰা নাই-তেওঁলোক হৈছে ৰিংকু সিং, সূৰ্যাংশ শ্বেডগে, হৰ্ষ ডুবে, প্ৰিন্স যাদৱ, য়শ ঠাকুৰ, অশোক শৰ্মা, ময়ংক যাদৱ আৰু প্ৰভসিমৰণ সিং। আফগানিস্তান শৃংখলাৰ বাবে নিৰ্বাচিত সম্পূৰ্ণ দলটো হৈছে-শ্ৰেয়াছ আয়াৰ (অধিনায়ক), অভিষেক শৰ্মা, বৈভৱ সূৰ্যবংশী, সঞ্জু ছেমছন (উইকেটকীপাৰ), ঈশান কিষাণ (উইকেটকীপাৰ), তিলক বাৰ্মা শচসহ-অধিনায়কগ্ন, শিৱম ডুবে, নীতিশ কুমাৰ ৰেড্ডী, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, বৰুণ চক্ৰৱৰ্তী, ৰবি বিষ্ণই, যশপ্ৰীত বুমৰাহ, অৰ্শদীপ সিং আৰু হৰ্ষিত ৰাণা। ভাৰত আৰু আফগানিস্তানৰ মাজত এই তিনিখনীয়া টি-২০ শৃংখলা ১৩ ছেপ্টেম্বৰৰ পৰা নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত আৰম্ভ হ'ব। শৃংখলাৰ প্ৰথম টি-২০ ১৩ ছেপ্টেম্বৰত, দ্বিতীয় টি-২০ ১৫ ছেপ্টেম্বৰত আৰু তৃতীয় টি-২০ ১৭ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। আটাইকেইখন মেচেই ভাৰতৰ নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত খেলোৱা হ'ব। শ্ৰেয়াছ আয়াৰৰ নেতৃত্বত এই নতুন দলটোৱে আফগানিস্তানৰ বিৰুদ্ধে কেনে প্ৰদৰ্শন কৰে, তাৰ প্ৰতি সমগ্ৰ দেশৰ ক্ৰিকেটপ্ৰেমীসকলৰ দৃষ্টি নিবদ্ধ হৈ আছে। অহা ১৩ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া এই শৃংখলাই আগন্তুক আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাসমূহৰ বাবে ভাৰতীয় দলৰ প্ৰস্তুতিৰ এক গুৰুত্বপূৰ্ণ পৰ্যায় বুলি ক্ৰিকেট বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

## গুৱাহাটীত ভূমিস্খলন আৰু কৃত্ৰিম

ভয়াৱহ ভূমিস্খলন হয়। এই দুৰ্যোগত নগেন ৰাজবংশী, তেওঁৰ পত্নী মীনা ৰাজবংশী আৰু কন্যা চুনু ৰাজবংশীৰ মৃত্যু হয়। পৰিয়ালটোৰ একমাত্ৰ পুত্ৰ বিপ্লৱ ৰাজবংশীক স্থানীয় ৰাইজে বোকা-মাটিৰ তলৰ পৰা জীৱিত অৱস্থাত উদ্ধাৰ কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে, য'ত তেওঁৰ অৱস্থা স্থিৰ বুলি জানিব পৰা গৈছে। ইফালে, নগৰীৰ সাতগাঁও তালতলা অঞ্চলতো সংঘটিত হয় আন এক ভয়ংকৰ ভূমিস্খলনৰ ঘটনা, য'ত পাহাৰৰ পৰা বাগৰি অহা প্ৰকাণ্ড শিলৰ আঘাতত পি সুমিত্ৰা নামৰ এগৰাকী মহিলাৰ ঘটনাস্থলীতে মৃত্যু হয়, যাৰ ফলত অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। ভূমিস্ষযষযলনৰ লগতে বৰষুণে গুৱাহাটীৰ পুৰণি নিষ্কাশন ব্যৱস্থাক প্ৰত্যাহ্বান জনাইছে। গুৱাহাটী ক্লাব, বিৰুবাৰী, শিলপুখুৰীকে ধৰি প্ৰায়বোৰ অঞ্চলতে পানী জমা হৈ ৰাজপথবোৰ সাগৰসদৃশ হৈ পৰিছে। বিৰুবাৰী অঞ্চলত বৰষুণৰ ফলত এজোপা গছ পৰি গাড়ী আৰু স্কুটাৰৰ ক্ষতিসাধন কৰাৰ লগতে যাতায়াত ব্যৱস্থাও ওলমি পৰে। পুৱতি নিশাৰ পৰা হোৱা বৰষুণৰ ফলত নগৰীৰ বহু অঞ্চলতে পানী জমা হৈ স্বাভাৱিক জীৱনযাত্ৰা সম্পূৰ্ণৰূপে ব্যাহত হৈছে। যান-বাহন চলাচলত বিঘিনি ঘটাত যাত্ৰীসকল চৰম দুৰৱস্থাৰ সন্মুখীন হৈছে আৰু বহু অঞ্চলত বিদ্যালয়, ব্যৱসায়-বাণিজ্য ব্যাঘাতৰ সৃষ্টি হৈছে।

## ব্ৰাজিল, উৰুগুৱে আৰু পানামাৰ

ফুটবল টুৰ্নামেণ্টত অংশগ্ৰহণৰ বাবে ব্ৰাজিল, উৰুগুৱে আৰু পানামা দল ভাৰতলৈ আহিব, যাৰ প্ৰেক্ষাপটত সোমবাৰে ভাৰতীয় ফুটবল দলৰ মুখ্য প্ৰশিক্ষক খালিদ জামিলে এই টুৰ্নামেণ্টৰ বাবে ২৬ জনীয়া ভাৰতীয় দলৰ নাম ঘোষণা কৰে। মুখ্য প্ৰশিক্ষকে ঘোষণা কৰা দলটোত গ'লৰক্ষক হিচাপে এলবিনো গোমেছ, গুৰপ্ৰীত সিং সন্ধু, প্ৰভসুখান সিং গিল আৰু সোম কুমাৰে স্থান পাইছে। ডিফেণ্ডাৰ শিতানত অভিষেক সিং টেকচাম, আকাশ মিশ্ৰ, আনোৱাৰ আলী, বিজয় ভাৰ্গেছ, হ্মিংথানমাৱিয়া ৰালটে, জয় গুপ্তা, প্ৰমবীৰ আৰু ৰিকি মীটেই হাওবামক অন্তৰ্ভুক্ত কৰা হৈছে। মিডফিল্ডাৰ হিচাপে অনিৰুদ্ধ থাপা, আছিক কুৰুণিয়ান, ফাৰুখ চৌধুৰী, লালেংমাৱিয়া ৰালটে, মেকাৰ্টন নিকছন, মহম্মদ ছানন, ৰিকি শ্বাবং আৰু ছাহাল আব্দুল ছামাদে দলত ঠাই পাইছে। ফৰৱাৰ্ড শিতানত এডমাণ্ড লালৰিণ্ডিকা, ইৰফান যাদৱাদ, মনবীৰ সিং, ৰহিম আলী, ৰিয়ান উইলিয়ামছ আৰু বিক্ৰম প্ৰতাপ সিঙে ভাৰতীয় আক্ৰমণভাগৰ নেতৃত্ব দিব। উল্লেখযোগ্য যে ছ ছেপ্টেম্বৰত বেংগালুৰুৰ কাণ্টেৰীৰা ষ্টেডিয়ামত ভাৰতীয় দলে পানামাৰ বিৰুদ্ধে প্ৰথম মেচখন খেলিব। তাৰ পিছত্ব অক্টোবৰত কলকাতাৰ চ'ল্ট লেক ষ্টেডিয়ামত পাঁচবাৰৰ ফিফা বিশ্বকাপ বিজয়ী দল ব্ৰাজিলৰ সৈতে ভাৰতৰ মুখামুখি হ'ব, আৰু ছ অক্টোবৰত দুবাৰৰ ফিফা বিশ্বকাপ বিজয়ী উৰুগুৱেৰ বিৰুদ্ধে শৃংখলাৰ অন্তিম মেচখন অনুষ্ঠিত হ'ব। এই তিনিওখন মেচেই ভাৰতীয় ফুটবলৰ বাবে এক ঐতিহাসিক সুযোগ, কাৰণ ফিফা বিশ্বকাপত স্থান পোৱা তিনিটা শক্তিশালী দলৰ সৈতে ভাৰতে খেলিবলৈ পাইছে। মুখ্য প্ৰশিক্ষক খালিদ জামিলে কয় যে এই মেচবোৰ ভাৰতৰ বাবে সুবৰ্ণ সুযোগ, কাৰণ ই আগন্তুক ফিফা বিশ্বকাপৰ যাত্ৰাৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰস্তুতি পৰ্ব হিচাপে কাম কৰিব, আৰু তেওঁলোক প্ৰতিখন মেচ জিকাৰ বাবেই খেলিব। ভাৰতীয় ফুটবল প্ৰেমীসকলৰ মাজত এই ঘোষণাই নতুন উন্মাদনাৰ সৃষ্টি কৰিছে, কাৰণ এনে উচ্চমানৰ দলৰ সৈতে ঘৰুৱা মাটিত খেলাটো ভাৰতীয় ফুটবলৰ বাবে এক গৌৰৱৰ মুহূৰ্ত বুলি কোৱা হৈছে। আগন্তুক মেচসমূহৰ বাবে টিকেট আৰু অন্যান্য আয়োজন সম্পৰ্কে অতি সোনকালে অধিক তথ্য প্ৰকাশ কৰা হ'ব বুলি ফুটবল সংস্থাই জানিবলৈ দিছে।

# ডিব্ৰুগড় কানৈ কমাৰ্চ কলেজত পি এম কে ভি ৱাই ৪.০ৰ অধীনত দক্ষতা বিকাশ কাৰ্যসূচীৰ শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১ ছেপ্তেম্বৰ ঃ** ডিব্ৰুগড়ৰ ডিব্ৰুগড় হনুমান বক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ত ভাৰত চৰকাৰৰ দক্ষতা বিকাশ আৰু উদ্যোগিতা মন্ত্ৰালয়ৰ অধীনস্থ "প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা ৪.০"ৰ অধীনত সপ্তাহজোৰা এক দক্ষতা বিকাশ কাৰ্যসূচীৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। "টেলি পৰিচালনা আৰু জিএচটি গণনাৰ পৰিচয়" শীৰ্ষক এই কাৰ্যসূচীটো ডি এইচ এছ কে কমাৰ্চ কলেজৰ উদ্যোগত প্ৰথমবাৰৰ বাবে আয়োজন কৰা হৈছে। তিনিচুকীয়া জিলাৰ কাকপথাৰস্থিত ডি আৰ ডি ফাউণ্ডেচন নামৰ ন্যাসৰ সহযোগত আৰু দক্ষতা বিকাশ মন্ত্ৰালয়ৰ সহায়ত এই প্ৰশিক্ষণ কাৰ্যসূচীটো ৰূপায়ণ কৰা হৈছে। অনুষ্ঠানৰ আৰম্ভণিতে ডি এইচ এছ কে কমাৰ্চ কলেজৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে আমন্ত্ৰিত অতিথি, সমল ব্যক্তি আৰু অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনায়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় উন্নয়ন পৰিষদৰ সঞ্চালক ড° ৰূপম শইকীয়া। তেওঁ দক্ষতা-ভিত্তিক শিক্ষাৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়োৱাৰ লগতে ব্লুমচ টেক্সনমীৰ বিষয়ে ব্যাখ্যা কৰে। ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ লগতে ব্যৱহাৰিক দক্ষতা বিকাশৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ড° শইকীয়াই এই দক্ষতা বিকাশ কাৰ্যসূচীক মহাবিদ্যালয়খনৰ বাবে এক উল্লেখযোগ্য মাইলৰ খুঁটি বুলি অভিহিত কৰে। এনে কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু পেছাগত ক্ষেত্ৰত যথেষ্ট সহায় কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। আন এগৰাকী বিশিষ্ট অতিথি ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই এই দক্ষতা বিকাশমূলক উদ্যোগৰ অংশীদাৰ হ'বলৈ পাই আনন্দ প্ৰকাশ কৰে। তেওঁ এনে এক গুৰুত্বপূৰ্ণ কাৰ্যসূচী আয়োজন কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ, সমন্বয়ক আৰু কৰ্তৃপক্ষক অভিনন্দন জ্ঞাপন কৰে। এই পদক্ষেপে ছাত্ৰ-ছাত্ৰীৰ কৰ্মসংস্থাপনৰ সম্ভাৱনা বৃদ্ধি কৰাৰ লগতে ব্যৱহাৰিক দক্ষতা বিকাশত সহায় কৰিব বুলি তেওঁ মন্তব্য কৰে। তিনিচুকীয়া জিলাৰ এন এছ ডি এমৰ চিপিএম যুগল গোস্বামীয়ে প্ৰশিক্ষণ কাৰ্যসূচীটো সফলভাৱে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত তেওঁৰ সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। অনুষ্ঠানত তিনিচুকীয়াৰ কাকপথাৰৰ চাৰ্টাৰ্ড একাউণ্টেণ্ট ৰাজা বৰুৱা সমল ব্যক্তি হিচাপে উপস্থিত থাকে। তেওঁ দক্ষতা বিকাশ-মূলক প্ৰশিক্ষণৰ জৰিয়তে লাভ কৰিব পৰা বিভিন্ন সুযোগ-সুবিধাৰ বিষয়ে আলোকপাত কৰে। শিক্ষিত যুৱক-যুৱতীসকলে এনে দক্ষতা আহৰণ কৰি কেনেদৰে স্ব-নিয়োজনৰ পথ বাছি লৈ নিজৰ কেৰিয়াৰ গঢ়ি তুলিব পাৰে, সেই বিষয়েও তেওঁ বিস্তৃতভাৱে ব্যাখ্যা কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ প্ৰথমটো বেটচত ৪৫ গৰাকী ছাত্ৰ-ছাত্ৰীক অন্তৰ্ভুক্ত কৰা হৈছে। অংশগ্ৰহণকাৰীসকলক কাৰ্যসূচীৰ অংশ হিচাপে এযোৰ টি-ছাৰ্ট আৰু দক্ষতা বিকাশৰ ল'গ'যুক্ত এটা বেগৰে গঠিত একোটা কিট প্ৰদান কৰা হয়। ডি এইচ এছ কে কমাৰ্চ কলেজৰ একাউণ্টেন্সি বিভাগৰ সহকাৰী অধ্যাপক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ দক্ষতা প্ৰশিক্ষক কেশৱানন্দ হালৈয়ে এই দক্ষতা বিকাশমূলক উদ্যোগটোৰ সমন্বয়ক হিচাপে সমগ্ৰ অনুষ্ঠানটো পৰিচালনা কৰে। অনুষ্ঠানত ডি এইচ এছ কে কমাৰ্চ কলেজৰ কেইবাগৰাকীও শিক্ষক-শিক্ষয়িত্ৰী, কাৰ্যালয়ৰ কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ শেষত ডি আৰ ডি ফাউণ্ডেশ্যনৰ সঞ্চালক দুৰ্গকান্ত চুতীয়াই শলাগৰ শৰাই আগবঢ়ায়। তেওঁ অনুষ্ঠানটো সফল কৰি তোলাৰ বাবে আমন্ত্ৰিত অতিথি, সমল ব্যক্তি, মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক কৃতজ্ঞতা জ্ঞাপন কৰে।

# দৰং কৰ্কট কেন্দ্ৰৰ তৰফৰ পৰা উজনি অসমৰ বান বিধ্বস্ত লোকসকলক বান সাহায্য প্ৰদান




**অসম বাৰ্তা, মঙলদৈ, ১ ছেপ্তেম্বৰ ঃ** অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ অধীনত পৰিচালিত হোৱা অন্যতম কৰ্কট কেন্দ্ৰ দৰং কৰ্কট কেন্দ্ৰৰ সকলো কৰ্মচাৰী সকলে নিজাববীয়াকৈ আগবঢ়োৱা বান সাহায্য লৈ শিৱসাগৰৰ জেৰেঙা হাবি, নেপালীখুটী, আইলামুখ, নাজিৰা আদি অঞ্চলৰ বান বিধ্বস্ত লোকৰ খা-খবৰ লোৱাৰ লগতে কিছু লোকক বান সাহায্য প্ৰদান কৰে। দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষক ডাঃ কৰ্নেল চৈয়দ ইফটিখাৰ চোভানীৰ তত্ত্বাৱধানত দৰং কৰ্কট কেন্দ্ৰৰ কৰ্মচাৰী নিৰঞ্জন শইকীয়া, সঞ্জয় পাণ্ডে, মোস্তাফিজুৰ ৰহমান আৰু বিশ্বজিৎ শৰ্মাই শিৱসাগৰলৈ গৈ দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষক, চিকিৎসক, নাৰ্চ আৰু অন্যান্য কৰ্মচাৰী সকলে আগবঢ়োৱা বান সাহায্য ৰ বান বিধ্বস্ত লোকৰ ছাত্ৰ ছাত্ৰী সকলৰ বাবে স্কুলীয়া বেগ, বহী, কলম আৰু অন্যান্য শিক্ষা সামগ্ৰী প্ৰদান কৰে। দৰং কৰ্কট কেন্দ্ৰই প্ৰদান কৰা বান সাহায্য প্ৰদান কাৰ্যসূচীত অসমৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন হেল্পিংহেণ্ড সংস্থাই সহায় সহযোগিতা আগবঢ়াই। উজনি অসমৰ বান বিধ্বস্ত এলেকাত গৈ বানাক্ৰান লোকৰ খা-খবৰ লোৱাৰ লগতে কিছু লোকক সহায়ৰ হাত আগবঢ়ায় আৰু স্বেচ্ছাসেৱী সংগঠন হেল্পিংহেণ্ড সংস্থাৰ অধ্যক্ষ যতীন্দ্ৰ নাথ কৃষ্ণ দাসৰ নেতৃত্বত এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হোৱাৰ লগতে বান বিধ্বস্ত কিছু লোকক বিভিন্ন সামগ্ৰী প্ৰদান কৰে। বান বিধবস্ত লোকসকলৰ বাবে আয়োজন কৰা স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু বান সাহায্য প্ৰদান কাৰ্যসূচী ত শিৱসাগৰ জিলাৰ মইনা পাৰিজাত সমিতি, সদৌ অসম লেখিকা সংস্থা ওদালগুৰি জিলা সমিতি, দৰং কৰ্কট কেন্দ্ৰ, ৰাৰবৰ্চ নলবাৰী জিলা সমিতি, ফকাচ ফাউণ্ডেচন, মইনা পাৰিজাত ওদালগুৰি জিলা সমিতি আদিয়ে সহায়-সহযোগিতা আগবঢ়াই।

# ৰংদৈ উচ্চ ইংৰাজী বিদ্যালয়ৰ নৱনিৰ্মিত "গণিত আৰু বিজ্ঞানৰ সংহত বিজ্ঞানাগাৰ" উদ্বোধন

**অসম বাৰ্তা, নিমাতীঘাট, ১ ছেপ্তেম্বৰ ঃ** উত্তৰ যোৰহাটৰ ৰংদৈ উচ্চ ইংৰাজী বিদ্যালয়ৰ নৱনিৰ্মিত "গণিত আৰু বিজ্ঞানৰ সংহত বিজ্ঞানাগাৰ" উদ্বোধন কৰে টীয়ক বিধানসভা সমষ্টিৰ বিধায়ক বিকাশ শইকীয়াই। বিধায়ক গৰাকী বিদ্যালয়ৰ প্ৰৱেশদ্বাৰত উপস্থিত হোৱাৰ লগে লগে বিদ্যালয়ৰ প্ৰধান শিক্ষক সুজিত শইকীয়াই এখনি ফুলাম গামোচাৰে আদৰণি জনায় আৰু ছাত্ৰ একতা সভাৰ হৈ সম্পাদক দীপুৰঞ্জন দত্তই এটি ফুলৰ থোপা উপহাৰ স্বৰূপে আগবঢ়ায়। সেই স্থানৰ পৰাই সহকাৰী প্ৰধান শিক্ষক শান্তনু হাজৰীকা সহ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মৃদুল বৰুৱা প্ৰমুখ্যে সমূহ বিষয়-ববীয়া আৰু উপস্থিত ৰাইজে বিধায়ক গৰাকীক বিদ্যালয়ৰ অন্তঃভাগলৈ আগবঢ়াই আনে আৰু তেখেতে ছাত্ৰ-ছাত্ৰীসকলক মৰমৰ চিন স্বৰূপে মৰ্টন আগবঢ়ায়। বিজ্ঞানাগাৰ উদ্বোধনৰ পাছতে মূল সভা অনুষ্ঠিত হয়। শিক্ষক মানস জ্যোতি হাজৰিকাই আঁত ধৰা সভাখনত বিশিষ্ট অতিথিসকলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ পাছতে প্ৰধান শিক্ষক সুজিত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰে। তাৰ পাছতে ভাষণ প্ৰদান কৰি বিধায়ক মহোদয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত থাকিব লগা সু-সম্পৰ্ক আৰু শিক্ষকৰ গুণাৱলীৰ ওপৰত আলোকপাত কৰে। লগতে তেখেতে ৰংদৈ উচ্চ ইংৰাজী বিদ্যালয়খনৰ মূল ভৱনটো পুনৰ নিৰ্মাণ কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত উপস্থিত থকা সকলোৱে হাত তালিৰে এই মন্তব্যৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়ায়। উল্লেখ্য যে সভাত দশম মানৰ ছাত্ৰ বৃহংগম দাসে নিজ হাতে অংকন কৰা বিধায়ক মহোদয়ৰ প্ৰতিচ্ছবিখন বিধায়কৰ হাতত অৰ্পণ কৰে। সভাত জিলা পৰিষদৰ বিষয়ববীয়া, গাঁও পঞ্চায়তৰ বিষয়ববীয়া, বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক সমন্বিতে স্থানীয় ৰাইজ উপস্থিত থাকি সভাখন সাফল্যমণ্ডিত কৰে।

# বৰবালি উচ্চ মাধ্যমিক বিদ্যালয়ত সংস্কৃত দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বান্দৰ দেৱা, ১ ছেপ্তেম্বৰ ঃ** আজি ইংৰাজী ৩১/৮/২৬ তাৰিখে বৰবালি উচ্চ মাধ্যমিক বিদ্যালয়ত সংস্কৃত দিৱস উদযাপন কৰা হয়। সভাৰ উদেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ সংস্কৃত বিভাগৰ শিক্ষক প্ৰশান্ত শৰ্মাই, সভাৰ সভাপতিৰ আসন অলংকৃত কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰফুল্ল বৰুৱাই, এই সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কুমুদ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক শোভন পৌৰেলে, লগতে সভাত উপস্থিত থাকে বৰবালি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষয়িত্ৰী ঋজু শৰ্মা আৰু জুন্তি শইকীয়া। সভাত উপস্থিত থাকি কেওগৰাকী শিক্ষক শিক্ষয়িত্ৰীয়ে সংস্কৃত বিষয়ৰ ওপৰত তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়োৱাৰ লগতে সভাত সংস্কৃত প্ৰদৰ্শনী মূলক এক অনুষ্ঠানৰ যোগেদি নৃত্য গীত, কবিতা আবৃত্তি, চিত্ৰাংকন আদি কাৰ্য্যসূচীৰ জৰিয়তে ছাত্ৰ ছাত্ৰীসকলৰ মাজত সংস্কৃত বিষয়ৰ ওপৰত আকৰ্ষণ কৰাৰ চেষ্টা আগবঢ়ায়। দিনযোৰা সভাৰ অন্তত সভাপতিৰ সংস্কৃত বিষয়ৰ ওপৰত এক সাৰুৱা ভাষণেৰে সভাৰ সমাপ্তি হয়।

# নাজিৰাৰ বৰদৈচিলা কলা কেন্দ্ৰত যোগ আৰু বাঁহী কৰ্মশালাৰ সফলতাৰে সামৰণি




**অসম বাৰ্তা, গেলেকী, ১ ছেপ্তেম্বৰ ঃ** নাজিৰাত অৱস্থিত লোকনৃত্য আৰু লোকবাদ্য প্ৰশিক্ষণ কেন্দ্ৰ 'বৰদৈচিলা কলা কেন্দ্ৰ'ৰ উদ্যোগত আয়োজিত দহদিনীয়া 'যোগ আৰু বাঁহীৰ কৰ্মশালা'খনি সফলভাৱে সম্পন্ন হয়। উল্লেখযোগ্য যে যোৱা ১৫ জুলাইৰ পৰা এই কৰ্মশালা আৰম্ভ হৈছিল যদিও প্ৰলয়ায়কাৰী বানপানীৰ বাবে ইয়াৰ কাৰ্যসূচী স্থগিত ৰাখিবলগীয়া হৈছিল। পৰিস্থিতি স্বাভাৱিক হোৱাত যোৱা ৩০ আগষ্টত একখনি বৰ্ণাঢ্য অনুষ্ঠানৰ জৰিয়তে কৰ্মশালাখনিৰ আনুষ্ঠানিকভাৱে সামৰণি পৰে। বৰদৈচিলা কলা কেন্দ্ৰৰ তত্ত্বাবধায়ক মনোজ দত্তই আঁত ধৰা আৰু পৰিচালনা সমিতিৰ সভাপতি ভাস্কৰ জ্যোতি মহন্তৰ সঞ্চালনাত অনুষ্ঠিত এই অনুষ্ঠানটিত প্ৰতিষ্ঠানখনৰ সঞ্চালিকা মীনাক্ষী কোঁৱৰ দত্ত, যোগ প্ৰশিক্ষক বিভূতি শইকীয়া, বাঁহীৰ প্ৰশিক্ষক শ্যামকানু ফুকনৰ লগতে নৃত্য প্ৰশিক্ষকদ্বয় ৰাতুল দুৱৰা আৰু পাপৰি গগৈ উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে যোগ প্ৰশিক্ষক বিভূতি শইকীয়া আৰু বাঁহী প্ৰশিক্ষক শ্যামকানু ফুকনে উপস্থিত ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলক উদ্দেশ্যি কৰ্মশালাৰ অভিজ্ঞতা আৰু ইয়াৰ গুৰুত্বৰ বিষয়ে বক্তব্য আগবঢ়ায়। ইয়াৰ পিছতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে মানপত্ৰ প্ৰদান কৰা হয়। লগতে, নাজিৰা মহাবিদ্যালয়ৰ পৰা বৰদৈচিলা কলা কেন্দ্ৰত ইণ্টাৰ্ণশ্বিপ সম্পূৰ্ণ কৰা ছাত্ৰী ক্ৰমে ৰিয়া কোঁৱৰ আৰু নিশিতা গগৈকো মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ শেষত বৰদৈচিলা কলা কেন্দ্ৰৰ সঞ্চালিকা মীনাক্ষী কোঁৱৰ দত্তই কৰ্মশালাখনি সফল কৰি তোলাত সহযোগিতা আগবঢ়োৱা প্ৰতিগৰাকী ব্যক্তিৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে ঘোষণা কৰে যে যোগ প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰী তথা ব্যক্তিসকলৰ বাবে বৰদৈচিলা কলা কেন্দ্ৰত অনাগত দিনতো নিয়মীয়া যোগ প্ৰশিক্ষণৰ ব্যৱস্থা উপলব্ধ থাকিব। ইচ্ছুক প্ৰাৰ্থীসকলক অধিক তথ্যৰ বাবে ৭০০২৫৮১৪৪১ নম্বৰত যোগাযোগ কৰিবলৈ তেওঁ আহ্বান জনায়।

# ধেমাজিৰ লিকাবালি বালি মহলৰ নৱীকৰণক লৈ বৃহৎ কেলেংকাৰী

**তদন্তৰ দাবী কৃষক মুক্তি-জাতীয়তাবাদী যুৱ পৰিষদৰ**

**অসম বাৰ্তা, ধেমাজি, ১ ছেপ্তেম্বৰ ঃ** ধেমাজি জিলাৰ গাইনদীৰ লিকাবালিৰ বালি আৰু শিলগুটি মহলৰ এম চি এব ২০২১-২৬ ৰ নৱীকৰণক কেন্দ্ৰ কৰি এক বৃহৎ কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ উঠিছে। মহলটোৰ বৰ্তমানৰ ঠিকাদাৰ আৰু বন বিভাগৰ একাংশ শীৰ্ষ বিষয়াৰ মাজত বুজাবুজিৰে কোটি টকাৰ চৰকাৰী ৰাজহ লুণ্ঠনৰ ষড়যন্ত্ৰ চলাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ধেমাজি জিলা সমিতি আৰু অসম জাতীয়তাবাদী যুৱ পৰিষদৰ ধেমাজি জিলা সমিতিয়ে। এই সন্দৰ্ভত সংগঠন দুটাই আজি ধেমাজিৰ জিলা আয়ুক্তৰ লগতে মুখ্যমন্ত্ৰীৰ ভিজিলেন্স আৰু দুৰ্নীতি নিবাৰক শাখালৈ পৃথকে পৃথকে লিখিত অভিযোগ দাখিল কৰে। অভিযোগ পত্ৰত এ এম চি কলছ-২০১৩ ৰ দফা ১৯ পোনপটীয়াকৈ উলংঘন কৰা বুলি উল্লেখ কৰিছে। অসম ক্ষুদ্ৰ খনিজ বেহাই নিয়মাৱলীৰ দফা ১৯(২) অনুসৰি যি ঠিকাদাৰে চুক্তিৰ চৰ্ত পূৰণ নকৰে বা যাৰ ৰয়েল্টি বকেয়া থাকে, তেওঁ নৱীকৰণৰ যোগ্য নহয়। সংগঠন দুটাৰ অভিযোগ অনুসৰি, ঠিকাদাৰ বিৰাট বসুমতাৰীয়ে নিজৰ আবেদনত স্বীকাৰ কৰিছে যে ৩৯,২০০ ঘনমিটাৰৰ অনুমোদিত পৰিমাণৰ বিপৰীতে তেওঁ মাত্ৰ ১৯, ৪২৭ ঘনমিটাৰহে উত্তোলন কৰিব পাৰিছে। অৰ্থাৎ তেওঁ ৫০ শতাংশতকৈও কম, কাম কৰি চুক্তি পূৰণত সম্পূৰ্ণ ব্যৰ্থ হৈছে। ইয়াৰ উপৰি অসম চৰকাৰক দিবলগা ৰাজহৰ মুঠ ২০টা কিস্তিৰ ভিতৰত আজিও ৬টা কিস্তি বকেয়া দিবলগা আছে বুলি অভিযোগ পত্ৰত উল্লেখ কৰে। এনে স্থলত ধেমাজিৰ বন বিভাগৰ ডি এফ অ'ৱে কেনেকৈ ২১/০৫/২০২৫ তাৰিখে নন ভায়লেচন চাৰ্টিফিকেট দি চি চি এফ, তেজপুৰলৈ নৱীকৰণৰ বাবে অনুমোদন জনালে সেয়া ৰহস্যৰ বিষয় বুলি উল্লেখ কৰি ব্যাপক দুৰ্নীতি আৰু কেলেংকাৰী সংঘটিত হৈছে বুলি কয়। এয়া কোটি টকাৰ ৰাজহ ফাঁকিৰ সুপৰিকল্পিত কৌশল বুলি স্মাৰকপত্ৰত সংগঠন দুটাই উল্লেখ কৰি কয় যে ঠিকাদাৰে ২০২১ চনত মহলটো ৫ বছৰৰ বাবে মাত্ৰ ১ লাখ ৩০ হেজাৰ টকাত লাভ কৰিছিল। সংগঠনটোৰ মতে সম্পূৰ্ণ পৰিমাণ উত্তোলন নকৰাকৈ আৰু বকেয়া পৰিশোধ নকৰাকৈ পুনৰ ৫ বছৰলৈ একে কম দামতে নৱীকৰণ লোৱাটো হৈছে চৰকাৰী ৰাজহ ফাঁকিৰ এক সুপৰিকল্পিত কৌশল। যদি মহলটো নতুনকৈ মুকলি নিলাম কৰা হয়, তেন্তে বৰ্তমানৰ বজাৰ দৰত চৰকাৰে ইয়াতকৈ বহুগুণে বেছি ৰাজহ লাভ কৰিব বুলি উল্লেখ কৰি নৱীকৰণৰ নামত জালিয়াতিৰ জৰিয়তে চৰকাৰক কোটি কোটি টকাৰ ৰাজহৰ পৰা বঞ্চিত কৰাৰ ষড়যন্ত্ৰ কৰিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। আনহাতে সীমা বিবাদৰ মিছা অজুহাত আৰু স্থানীয় ৰাইজৰ প্ৰকৃত সত্যটো হ'ল যে ঠিকাদাৰে নিজৰ বিফলতা ঢাকিবলৈ আন্তঃৰাজ্যিক সীমা বিবাদ, অসম-অৰুণাচল। লিকাবালিৰ সীমান্তৰ স্থানীয় লোক চিনিয়া টাজু আৰু গাঁওবাসীৰ ভাবুকিৰ অজুহাত দেখুৱাই আহিছে। কিন্তু ধেমাজি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিনিধি আৰু অসম জাতীয়তাবাদী যুৱ পৰিষদৰ ধেমাজি জিলা সমিতিৰ দলে স্থানীয় ৰাইজৰ লগত আলোচনাৰ মৰ্মে ৰাইজৰ মতে এম চি এ এলেকাটো সম্পূৰ্ণ অসমৰ ভিতৰত আছে বুলি আৰ হোৱা টি আইৰ তথ্যত ইতিমধ্যে প্ৰমাণিত হৈছে বুলিও উল্লেখ কৰে। প্ৰকৃততে ঠিকাদাৰে নিজৰ লীজৰ সীমা অতিক্ৰম কৰি অবৈধভাৱে অৰুণাচলৰ ফালে খনন চলোৱাৰ বাবেহে বিবাদৰ সৃষ্টি হৈছে। গাঁওবাসীয়ে ভাবুকি দিয়া নাই, বৰঞ্চ ঠিকাদাৰে এন জি টিৰ নিয়ম উলংঘা কৰি জেচিবিকে গাইনদীৰ গতিপথ সলনি কৰি কৃষিভূমিৰ ব্যাপক ক্ষতি কৰাৰ বাবে বাৰে-বাৰে ৰাইজে বন বিভাগক আপত্তি দিছে। ইয়াৰ জি পি এছ কেমেৰাৰ ফটো আৰু ভিডিঅ' প্ৰমাণ মজুত থকাৰ কথা উল্লেখ কৰি বালিৰ নামত ব'ল্ডাৰৰ অবৈধ ব্যৱসায় বন্ধ কৰিবলৈ দাবী জনায়। সংগঠনটোৱে উল্লেখ কৰা মতে বালিৰ মহলৰ পৰা ব'ল্ডাৰৰ অবৈধ ব্যৱসায় চলাই আহিছে। নিবিদাৰ চৰ্ত অনুসৰি এই মহলত কেৱল বালি আৰু শিলগুটি উত্তোলনৰ অনুমতি দিছে। কিন্তু ঠিকাদাৰে নৈৰ বক্ষৰ পৰা ৪০ কেজিতকৈ অধিক ওজনৰ বৃহৎ ব'ল্ডাৰ খনন আৰু মাল উঠোৱা যন্ত্ৰৰে উত্তোলন কৰি গাইনদীৰ কাষতে অবৈধভাৱে ক্ৰেছাৰ স্থাপন কৰি চিলাপথাৰৰ সঞ্জয় বসুমতাৰীৰ জৰিয়তে শিলৰ অবৈধ ব্যৱসায় চলাই আহিছে। এই সমগ্ৰ ঘটনা সন্দৰ্ভত কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু অসম জাতীয়তাবাদী যুব পৰিষদৰ ধেমাজি জিলা সমিতিয়ে লিকাবালি এম চি এব নৱীকৰণ প্ৰক্ৰিয়া তৎকালীনভাৱে স্থগিত ৰখাৰ দাবী জনোৱাৰ লগতে ধেমাজিৰ বন সংমণ্ডলটোৰ প্ৰাধিকাৰী তথা ডি এফ অ'ৱে ২১/০৫/২০২৫ আৰু চি চি এফ উত্তৰ অসম সংমণ্ডল তেজপুৰৰ ২৮/০৫/২০২৫ তাৰিখে প্ৰেৰণ কৰা পত্ৰৰ আঁৰৰ ৰহস্যৰ উচ্চ পৰ্যায়ৰ ভিজিলেন্স তদন্ত কৰাৰ লগতে মহলটো পুনৰ মুকলি নিলামৰ জৰিয়তে বন্দবস্ত দি চৰকাৰী ৰাজহ সুৰক্ষিত কৰাৰ দাবী জনায়। চৰকাৰে এই দাবী আওকাণ কৰি যদি দুৰ্নীতি হোৱা নৱীকৰণ প্ৰক্ৰিয়া অব্যাহত ৰাখে, তেন্তে অহা ১০ দিনৰ ভিতৰত ধেমাজি জিলা জাতীয়তাবাদী যুৱ পৰিষদৰ ধেমাজি সমিতিৰ যৌথ কৃষক মুক্তি সংগ্ৰাম সমিতি আৰু অসম উদ্যোগত ধেমাজি জিলাৰ ৰাইজক লগত লৈ তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি সংগঠনটৰে জানিবলৈ দিছে।

**২০ বছৰৰ সফলতাৰ পিছত অস্তিত্বৰ সংকটত বিদ্যালয়খনৰ কলা শাখা**

# লক্ষ্মীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাৰ দৰ্পণ পৰ্টেল বন্ধ হোৱাৰ পৰিণাম

**অসম বাৰ্তা, লক্ষ্মীগঞ্জ, ১ ছেপ্তেম্বৰ ঃ** যি সময়ত ৰাজ্য চৰকাৰে শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণ আৰু শিক্ষাৰ গুণগত মান উন্নয়নৰ বাবে নতুন নতুন আঁচনি হাতত লৈছে, ঠিক তেনে সময়তে এক বিপৰীত ছবিয়ে চিন্তিত কৰি তুলিছে ধুবুৰী জিলাৰ অন্তৰ্গত লক্ষ্মীগঞ্জ অঞ্চলৰ শিক্ষাৰ্থী তথা অভিভাৱকসকলক। বিগত দুটা দশক ধৰি অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰখনলৈ বিশেষ অৰিহণা যোগাই অহা ঐতিহাসিক লক্ষ্মীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাটি এতিয়া বন্ধ হৈ পৰাৰ দিশে গতি কৰিছে। ২০০৫ চনত স্থানীয় ৰাইজৰ দীৰ্ঘদিনীয়া দাবী আৰু সক্ৰিয় প্ৰচেষ্টাত লক্ষ্মীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কলা শাখাৰ সংযোজন কৰা হৈছিল। আৰম্ভণিৰে পৰাই বিদ্যালয়খনৰ কলা শাখাই সফলতাৰ ধাৰাবাহিকতা বজায় ৰাখিছিল। কেৱল ফলাফলৰ গুণগত মানেই নহয়, ছাত্ৰ-ছাত্ৰীৰ উল্লেখনীয় সংখ্যা আৰু উৎকৃষ্ট আন্তঃগাঁথনিৰ ওপৰত ভিত্তি কৰি ২০১৮ চনত শিক্ষা বিভাগে এই বিদ্যালয়খনক উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ চূড়ান্ত পৰীক্ষাৰ বাবে এক স্বতন্ত্ৰ পৰীক্ষা কেন্দ্ৰ হিচাপেও স্বীকৃতি দিছিল। যোৱা বছৰলৈকে এই শাখাত শিক্ষাৰ্থীৰ উপস্থিতি আৰু নামভৰ্তি আছিল লক্ষণীয়। অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশানুশৰি উচ্চতৰ মাধ্যমিক পৰ্যায়ত নামভৰ্তিৰ বাবে 'দৰ্পণ' (Darpan) পৰ্টেল বাধ্যতামূলক কৰা হৈছে। কিন্তু অত্যন্ত পৰিতাপৰ বিষয় যে, যোৱা বছৰৰ পৰা লক্ষ্মীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাৰ নাম 'দৰ্পণ' পৰ্টেলত বন্ধ হৈ পৰাত সৃষ্টি হৈছে তীব্ৰ জটিলতাৰ। পৰ্টেলত নাম নথকাৰ বাবে অঞ্চলটোৰ সহস্ৰাধিক ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়খনত নামভৰ্তি কৰিব পৰা নাই। পৰ্টেলৰ কাৰিকৰী বা বিভাগীয় নিৰ্দেশৰ ফলত এতিয়া বৃহৎ অঞ্চলটোৰ শিক্ষাৰ্থীসকলে এক অনিশ্চিত ভৱিষ্যতৰ সন্মুখীন হৈ যমৰ যাতনা ভুগিবলগীয়া হৈছে। স্থানীয় দুখীয়া আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীসকল দূৰ-দূৰণিৰ আন বিদ্যালয়লৈ যাবলৈ বাধ্য হৈছে, যিটো বহু পৰিয়ালৰ বাবে আৰ্থিকভাৱে কষ্টকৰ হৈ পৰিছে। ২০ বছৰে সফলতাৰে চলি থকা এটা শাখা এনেদৰে কাৰিকৰী কাৰণত বন্ধ হৈ পৰাৰ উপক্ৰম হোৱাত ক্ষোভিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। বিদ্যালয়খনৰ কলা শাখাটো পুনৰ সজীৱ কৰি তোলাৰ স্বাৰ্থত এতিয়া একত্ৰিত হৈছে স্থানীয় ৰাইজ, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল। অতি শীঘ্ৰে 'দৰ্পণ' পৰ্টেলত লক্ষ্মীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাৰ নাম অন্তৰ্ভুক্ত কৰি নামভৰ্তিৰ ব্যৱস্থা পুনৰ মুকলি কৰিবলৈ তেওঁলোকে অসম চৰকাৰৰ শিক্ষা বিভাগ তথা বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষক কাতৰ অনুৰোধ জনাইছে। সময় থাকোঁতেই চৰকাৰে এই বিষয়ত হস্তক্ষেপ নকৰিলে অঞ্চলটোৰ শৈক্ষিক ভৱিষ্যত গভীৰ আন্ধাৰলৈ ঠেল খাই পৰিব বুলি আশংকা প্ৰকাশ কৰিছে সচেতন মহলে।

# আকৌ বিটিআৰ অশান্তিৰ দিশেঃ ৰাজু কুমাৰ ব্ৰহ্ম

**অসম বাৰ্তা, পৰ্বতঝোৰা, ১ ছেপ্তেম্বৰ ঃ** আজি কোকৰাঝাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰৱেশ দুৱাৰৰ সন্মুখত কোকৰাঝাৰ জিলা ইউপিপিএলৰ উদ্যোগত দুঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ চৰকাৰৰ চলিত কাৰ্যকলাত সংঘটিত কেইবাটাও ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ জনাই আজি দিনৰ এক বজাৰ পৰা দুঘণ্টীয়া ধৰ্ণা কাৰ্য্যসূচী ৰূপায়ণ কৰে ৰাজনৈতিক দলটোৱে। ধৰ্ণা কাৰ্য্যসূচীত উপস্থিত থাকি ইউপিপিএলৰ প্ৰতিবাদকাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ সাধাৰণ ৰাইজৰ সুৰক্ষা প্ৰদান কৰাক, অশান্তি বন্ধ কৰক, অৰুণোদয় আঁচনি বাছনিৰ ক্ষেত্ৰত ৰাজনীতি বন্ধ কৰক, হত্যা হিংসা বন্ধ কৰক হাগ্ৰামা মহিলাৰী-বিটিচি চৰকাৰ হায় হায় শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীত উপস্থিত থাকি ৰাজু কুমাৰ ব্ৰহ্মই কয় যে যোৱা এটা বছৰত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিটিচি অঞ্চলত ২৪ টাতকৈ অধিক হত্যা-হিংসা-ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে। বিটিচিত এতিয়া ছিণ্ডিকেট ৰাজ চলিছে। শ্ৰীৰামপুৰ গেটৰ পৰা আৰম্ভ হৈছে এই ছিণ্ডিকেটৰাজ। এই ছিণ্ডিকেটৰাজৰ কৰণে সাধাৰণ ৰাইজে অধিক মূল্যৰে খাব লগা হৈছে খাদ্য সামগ্ৰী। নিৰ্বাচনত প্ৰদান কৰা প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ হৈছে হাগ্ৰামা মহিলাৰী বুলিও মন্তব্য কৰে। ইফালে প্ৰতিবাদত জিলাখনৰ বিভিন্ন পৰ্যায়ৰ পদবীত থকা পদধাৰীয়ে অংশগ্ৰহণ কৰে ইউ পি পি এল দলৰ।

# বাৰেকুৰি মটাপুং গাঁৱত কৃষি বিশ্ববিদ্যালয়ৰ ২৯ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰভিত্তিক অধ্যয়ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ ছেপ্তেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে টেঙা আৰু ৰোপণ শস্য গৱেষণা কেন্দ্ৰ, তিনিচুকীয়াৰ অধীনস্থ ঐতিহ্যমণ্ডিত বাৰেকুৰি মটাপুং গাঁৱত ক্ষেত্ৰভিত্তিক অধ্যয়ন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। গ্ৰাম্য কৃষি কৰ্ম অভিজ্ঞতা (RAWE) আঁচনিৰ সহযোগত অনুষ্ঠিত এই অধ্যয়নৰ মূল উদ্দেশ্য আছিল গ্ৰামাঞ্চলৰ কৃষকৰ কৃষি-সমস্যা, কৃষি পদ্ধতি আৰু আধুনিক কৃষি প্ৰযুক্তিৰ ব্যৱহাৰিক দিশসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক প্ৰত্যক্ষ অভিজ্ঞতা প্ৰদান কৰা। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে গাঁওখনৰ কৃষকসকলৰ সৈতে মত-বিনিময় কৰি কৃষিকাৰ্যৰ ক্ষেত্ৰত তেওঁলোকে সন্মুখীন হোৱা বিভিন্ন সমস্যা, উৎপাদন ব্যয়, কীট-পতংগ আৰু ৰোগৰ সমস্যা, আধুনিক কৃষি পদ্ধতিৰ ব্যৱহাৰ তথা কৃষি উৎপাদন বৃদ্ধিৰ সম্ভাৱনীয়তাৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। ক্ষেত্ৰভিত্তিক অধ্যয়ন কাৰ্যসূচীত মুঠ ৩৫ গৰাকী কৃষকৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ কৃষি-সমস্যাসমূহ নথিভুক্ত কৰা হয়। এই কাৰ্যসূচীত টেঙা আৰু ৰোপণ শস্য গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী ড° মনোজ গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক নেতৃত্ব আৰু কাৰিকৰী সহযোগিতা আগবঢ়ায়। তেওঁ কৃষকসকলক আধুনিক আৰু বৈজ্ঞানিক কৃষি পদ্ধতি গ্ৰহণৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত কৰে। ড° গগৈয়ে কয় যে আগন্তুক চাৰি মাহ ধৰি ছাত্ৰ-ছাত্ৰীসকলে গাঁওখনত থাকি কৃষকসকলৰ সৈতে পোনপটীয়াকৈ কাম কৰিব। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে দুগৰাকীকৈ কৃষকৰ সৈতে নিয়মীয়াভাৱে যোগাযোগ ৰাখি আধুনিক কৃষি পদ্ধতি, উন্নত কৃষি প্ৰযুক্তি আৰু বৈজ্ঞানিক শস্য পৰিচৰ্যাৰ বিষয়ে অৱগত কৰিব। ইয়াৰ জৰিয়তে সমগ্ৰ বাৰেকুৰি অঞ্চলৰ প্ৰায় ৫৮ গৰাকী কৃষকক সহায়ৰ হাত আগবঢ়াবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই ক্ষেত্ৰভিত্তিক অধ্যয়নে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ জ্ঞানৰ সৈতে কৃষকৰ বাস্তৱ অভিজ্ঞতাৰ সংযোগ স্থাপন কৰাত সহায় কৰাৰ লগতে কৃষক আৰু কৃষি বিজ্ঞানৰ মাজত এক শক্তিশালী যোগসূত্ৰ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

# মৃতকৰ সংখ্যা ১০০৩লৈ বৃদ্ধি; এটা ঘৰৰ পৰা উদ্ধাৰ ২৪টা

মতে বানাক্ৰান্ত অঞ্চলসমূহৰ পৰা এতিয়ালৈকে ১০, ৪৫১জন লোকক উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। উদ্ধাৰ অভিযান চলি থকাৰ মাজতে নেপালৰ কেইবাখনো জিলাত নতুনকৈ বান সতৰ্কতা জাৰি কৰা হৈছে, কাৰণ সেইবোৰ জিলাৰ জলপৃষ্ঠ দ্ৰুতগতিত বৃদ্ধি পাইছে। বিষয়াসকলে জনোৱা মতে, ত্ৰিশূলী নদীৰ ফালে পানীৰ ধল অত্যন্ত বেগেৰে বৈ আছে, যাৰ ফলত উক্ত অঞ্চলটো অত্যন্ত বিপজ্জনক হৈ পৰিছে আৰু সেই পথেৰে যাতায়াত সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰিছে। ইপিনে, আটাইতকৈ বেদনাদায়ক ঘটনাটো সংঘটিত হয় নুৱাকোট জিলাৰ বেত্ৰাৱতীত, য'ত সোমবাৰে উদ্ধাৰকাৰীয়ে এটা ঘৰৰ পৰা একেলগে ২৪টা মৃতদেহ উদ্ধাৰ কৰে। জিলা আৰক্ষী কাৰ্যালয়ৰ আৰক্ষী অধীক্ষক বিপিন ৰেগমীয়ে জনোৱা মতে, ঘৰটোৰ ভিতৰত তালাচী অভিযান এতিয়াও চলি আছে আৰু অনুসন্ধান সম্পূৰ্ণ হোৱাৰ পাছতহে চূড়ান্ত মৃতদেহৰ সংখ্যা নিশ্চিত কৰিব পৰা যাব। অনুসন্ধান অব্যাহত থকা বাবে এই সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলিও তেওঁ সতৰ্ক কৰি দিয়ে। ইয়াৰোপৰি নেপালত থকা ভাৰতীয় নাগৰিকসকলৰ প্ৰতি সন্দৰ্ভত ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে সোমবাৰে কয় যে বিগত সপ্তাহত সংঘটিত এই ভয়াবহ বানপানীৰ পৰা ১৫৮জন ভাৰতীয় নাগৰিকক নিৰাপদে উদ্ধাৰ কৰি অনা হৈছে। মন্ত্ৰণালয়ে প্ৰদান কৰা তথ্য অনুসৰি, ভাৰতৰ পৰা বিশেষ ফৰেনছিক আৰু সুৰংগ উদ্ধাৰকাৰী দল নিয়োগ কৰা হৈছে, যিসকলে নেপালী সেনাবাহিনীৰ সহযোগত চিলিমে আৰু লাংটাং অঞ্চলত উদ্ধাৰ আৰু অনুসন্ধান অভিযান অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে নেপালে সুৰংগ উদ্ধাৰ আৰু ফৰেনছিক কামৰ বাবে বিশেষ সঁজুলি আৰু কাৰিকৰী সহায়কে ধৰি অধিক আন্তঃৰাষ্ট্ৰীয় সহায়ৰ বাবে অনুৰোধ জনাইছে, যাৰ প্ৰেক্ষিতত সোমবাৰে কাঠমাণ্ডুত অনুষ্ঠিত এক সংবাদমেলত নেপালৰ বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ লোক বাহাদুৰ চেত্ৰীয়ে কয় যে দেশখনে আমেৰিকাৰ পৰা অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, ফ্ৰীজাৰ, ডিএনএ টেষ্টিং কিট আৰু লিডাৰৰ দৰে সামগ্ৰী বিচাৰি অনুৰোধ জনাইছে, কাৰণ এই ধ্বংসলীলাৰ পিছত উদ্ধাৰ আৰু পৰিচয় চিহ্নিতকৰণ কাৰ্য অতি জটিল হৈ পৰিছে।

# দুধনৈত সত্ৰীয়া সংস্কৃতি শিক্ষা পৰিষদৰ অধীনত সত্ৰীয়া নৃত্যৰ বাৰ্ষিক পৰীক্ষা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১ ছেপ্তেম্বৰ ঃ** সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে নৱগঠিত 'সত্ৰীয়া সংস্কৃতি শিক্ষা পৰিষদ, অসম'ৰ অধীনত দেওবাৰে দুধনৈ মহাবিদ্যালয়ৰ সভাগৃহত সত্ৰীয়া নৃত্যৰ বিভিন্ন পাঠ্যক্ৰমৰ বাৰ্ষিক পৰীক্ষাসমূহ সফলতাৰে অনুষ্ঠিত হৈ যায়। পৰিষদৰ অধীনস্থ দুধনৈৰ 'নৃত্যাংগণ'ৰ ০১৮ নম্বৰ পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত এই পৰীক্ষাত ধূপধৰা, বন্দাপাৰা, আগিয়া, ৰংজুলি আৰু গোৱালপাৰাৰ বিভিন্ন সত্ৰীয়া নৃত্যানুষ্ঠানৰ প্ৰায় ১১০ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে সমগ্ৰ অসমৰ মুঠ ২৬টা কেন্দ্ৰত একেলগে এই পৰীক্ষা অনুষ্ঠিত কৰা হৈছে। 'নৃত্যাংগণ' সত্ৰীয়া নৃত্যানুষ্ঠানৰ অধ্যক্ষা তৰালী দাসে জানিবলৈ দিয়া মতে, পৰীক্ষাৰ প্ৰশ্নকাকতৰ টোপোলা খুলি পৰীক্ষাৰ শুভাৰম্ভ কৰে 'অসমীয়া খবৰ' 'অসম বাৰ্তা' কাকত তথা 'এন-কে টিভি'ৰ দুধনৈস্থিত সাংবাদিক ভৱেশ চন্দ্ৰ ভাগৱতীয়ে। পৰীক্ষাৰ শুভাৰম্ভণী অনুষ্ঠানত বিশিষ্ট লেখিকা তথা কৃতি অৱসৰী শিক্ষয়ত্ৰী জয়ন্তী দাসে উপস্থিত থাকি পৰীক্ষাৰ্থী। সকলক উৎসাহিত কৰে। উল্লেখ্য যে ড° খগেন গগৈ সভাপতি আৰু ড° গোপাল চন্দ্ৰ বৰদলৈ সম্পাদক তথা পৰীক্ষা নিয়ন্ত্ৰক হিচাপে থকা এই পৰিষদখনত আচাৰ্য হিচাপে আছে পদ্মশ্ৰী ঘনকান্ত বৰা বৰবায়ন। লগতে উপদেষ্টা হিচাপে আছে হৰিপ্ৰসাদ শইকীয়া বৰবায়ন, সীতাৰাণী হাজৰিকা, তৰালী দাস, বীণাপাণি ৰাভা, চিত্ৰলেখা খাউণ্ড, নাৰায়ণ কলিতা বৰবায়ন আৰু সংগীত নাটক অকাডেমী বঁটাপ্ৰাপক গোবিন্দ শইকীয়া। পৰীক্ষা কেন্দ্ৰটোত শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়।

# গৌৰীপুৰত সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ ধুবুৰী জিলা আহ্বায়ক কমিটিৰ অষ্টাদশ দ্বি-বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, গৌৰীপুৰ, ১ ছেপ্তেম্বৰ ঃ** ধুবুৰী জিলাৰ গৌৰীপুৰ চহৰৰ মাজমজিয়াত অৱস্থিত গৌৰীপুৰ ৰাজহুৱা পুথিভঁৰালত আজি দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ ধুবুৰী জিলা আহ্বায়ক কমিটিৰ অষ্টাদশ দ্বি-বাৰ্ষিক অধিৱেশন। কাৰ্যসূচী মতে পুৱা ভাৰতৰ জাতীয় পতাকা উত্তোলন কৰে গৌৰীপুৰ নগৰ সমিতিৰ সভানেত্ৰী জয়া বিশ্বাসে। ইয়াৰ পিছতে সংগঠনৰ সাংগঠনিক পতাকা উত্তোলন কৰে সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ সম্পাদক বাবলু সৰকাৰে। পতাকা উত্তোলনৰ পিছতে গৌৰীপুৰ মহিলা সমিতিৰ উদ্যোগত পৰিৱেশন কৰা হয় দেশপ্ৰেমমূলক গীত 'বন্দে মাতৰম'। ইয়াৰ পিছতে শ্বহীদ বেদীত মাল্যাৰ্পণ কৰে গৌৰীপুৰৰ বিশিষ্ট চিকিৎসক মিঠুন পালে। শ্বহীদসকলক স্মৰণ কৰি দ্বীপ প্ৰজ্বলন আৰু এক মিনিট মৌনতা পালন কৰা হয়। দ্বীপ প্ৰজ্বলন কাৰ্যসূচীত সহযোগিতা আগবঢ়ায় গৌৰীপুৰ পৌৰসভাৰ সদস্যা বিহু দত্তই। অধিৱেশনৰ অংশ হিচাপে বৃক্ষৰোপণ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত সহযোগিতা আগবঢ়ায় গৌৰীপুৰৰ সমাজসেৱক দেবাশীষ দে। ইয়াৰ উপৰি নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে গৌৰীপুৰৰ বিশিষ্ট সমাজসেৱক প্ৰবীৰ কুমাৰ বৰুৱাই। আনহাতে, পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক বিবেকানন্দ কৰ্মকাৰে। পুৱা ভাগৰ বিভিন্ন কাৰ্যসূচীৰ পিছত দুপৰীয়া আয়োজন হয় চিত্ৰাংকন প্ৰতিযোগিতা। অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। চিত্ৰাংকন প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে গৌৰীপুৰ থানাৰ নাগৰিক সমিতিৰ সভাপতি পিনাকী দত্তই। ইয়াৰ পিছতে মূল অধিৱেশনৰ মঞ্চ মুকলি কৰি বিভিন্ন সাংগঠনিক আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত সদৌ অসম বাঙালী ফেডাৰেচনৰ কেন্দ্ৰীয় সভাপতি সম্ৰাট ভায়োলৰ লগতে সংগঠনটোৰ বিভিন্ন বিষয়ববীয়া আৰু কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে। মুখ্য অতিথি হিচাপে উপস্থিত থাকে বি টি আৰৰ প্ৰাক্তন কাৰ্যবাহী সদস্য সজল সিংহ। লগতে ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্তৰ বুদ্ধিজীৱী আৰু সমাজৰ বিশিষ্ট ব্যক্তিসকলেও অধিৱেশনত অংশগ্ৰহণ কৰে।

# অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈৰ প্ৰয়াত মানসজ্যোতি চেতিয়াৰ পৰিয়ালক সাক্ষাৎ

**অসম বাৰ্তা, নামতি, ১ ছেপ্তেম্বৰ ঃ** অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে প্ৰয়াত মানসজ্যোতি চেতিয়াৰ বাসগৃহলৈ গৈ শোক সন্তপ্ত পৰিয়ালক সাক্ষাৎ কৰি মানসজ্যোতিৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনাই। লুৰিণজ্যোতি গগৈয়ে কয় যে আমাৰ মাজৰ পৰা হঠাৎ মানস জ্যোতি চেতিয়া নাইকিয়া হ'ল, বিয়োগ ঘটিল। আমি আজি আমাৰ দলৰ তৰফৰ পৰা আমি পৰিয়ালক আমি সকলোৰে সাক্ষাৎ কৰিছোঁ আৰু আমি এই আকস্মিক যিটো বিয়োগ, এই বিয়োগত আমি গভীৰ দুখ প্ৰকাশ কৰিছোঁ আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আমি গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ। মানস জ্যোতি চেতিয়া অত্যন্ত মানৱ দৰদী এগৰাকী সমাজ সেৱক আছিল আৰু বীৰ লাচিত সেনাৰ লগত জড়িত হৈ থকা দিনৰে পৰা বা আগৰ পৰাই তেওঁৰ এই মানুহৰ প্ৰতি যিটো দায়িত্ব, দায়বদ্ধতা, বিভিন্ন সংকটৰ সময়ত বিভিন্ন ধৰণৰ মানুহক সহায়-সহযোগিতা কৰি উপকৃত কৰাৰ তেওঁৰ যিটো বহল মন, সেই মনক ৰাজ্যৰ সকলোৰে বহুদিনৰ পৰা শলাগ লৈ আহিছে আৰু এই ভয়াবহ বানপানীৰ সময়ত মানসৰ যিটো সক্ৰিয়তা, যি ধৰণে মানৱ সেৱা কৰিছে, যেনেকৈ বিভিন্ন প্ৰত্যাহ্বান সন্মুখত লৈ চাৰিওফালে ঘূৰি-ফুৰি ক'ৰবাত যদি ঘৰ বনাইছে, ক'ৰবাত আকৌ বিভিন্ন ধৰণে মানুহক খাদ্যসামগ্ৰী যোগান ধৰিছে, কাৰোবাক পানী, কাৰোবাক আকৌ নামঘৰত ভাগৱতৰ যোগান ধৰিছে বুলি কৈ লুৰিণজ্যোতি গগৈয়ে কয় বিভিন্ন ধৰণে মানুহক সহায় কৰা, বিভিন্ন ধৰণে বিপদৰ সময়ত থিয় দিয়াৰ এই যিটো তেওঁৰ শক্তি আৰু সাহসক আৰু এই সাহসকৰ কাৰণে সকলোৰে অতি মৰম কৰিছিল, আদৰ কৰিছিল আৰু সেইকাৰণে এই মৃত্যুত সমগ্ৰ অসমবাসী ৰাইজ বা শিৱসাগৰবাসী ৰাইজ সকলো শোকত ম্ৰিয়মাণ হৈছে। আৰু আমিও আমাৰ ফলৰ পৰা গভীৰ শোক প্ৰকাশ কৰিছোঁ আৰু জীৱিত কালত যি উৎকৃষ্ট মানৱ সেৱাৰ নিদৰ্শন আগবঢ়াই দেখুৱালে, তাৰ কাৰণে অসমৰ সমাজ বা এই অঞ্চলৰ ৰাইজৰ মাজত সদায় মানসজ্যোতি জিলিকি থাকিব। উল্লেখ্য যে বান বিধস্ত অঞ্চলৰ ৰাইজক বিভিন্ন ধৰণে সহায় সহযোগ কৰি যোৱাৰ সময়তেই ২৩ আগষ্টত নিশা বিহুবৰৰ প্ৰজাবস্তি স্কুলৰ সন্মুখত এক ৰহস্যজনকভাৱে দুৰ্ঘটনা সংঘটিত হৈ চিকিৎসাধীন অৱস্থাত মৃত্যুক আকোৱালি লয় বীৰ লাচিত সেনাৰ শিমলুগুৰি আঞ্চলিকৰ সভাপতি মানসজ্যোতি চেতিয়াই।

## ৰ'দালি কাব্যালোচনী আৰু ৰ'দালি প্ৰকাশনৰ সফলতাৰে পাঁচটা বছৰ সম্পূৰ্ণ

# কবি হিৰু পাঠক কলিতালৈ 'ৰ'দালি কাব্য বঁটা ২০২৬' ঘোষণা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১ ছেপ্তেম্বৰ ঃ** গোলাঘাট জিলাৰ অন্তৰ্গত সৰুপথাৰ সমজিলাৰ মফছলীয়া চহৰ সৰুপথাৰৰ পৰা অসমীয়া কাব্য-সাহিত্য জগতলৈ বৰঙণি আগবঢ়োৱাৰ বিনম্ৰ প্ৰয়াস আৰু দায়বদ্ধতাৰে আত্মপ্ৰকাশ কৰা 'ৰ'দালি' কাব্যালোচনী আৰু 'ৰ'দালি প্ৰকাশনে ১ ছেপ্টেম্বৰ, ২০২৬ তাৰিখ মঙ্গলবাৰে সফলতাৰে পাঁচটা বছৰ সম্পূৰ্ণ কৰিলে। 'ৰ'দালি'ৰ মুখ্য সম্পাদক স্পনানী গগৈ চেতিয়া আৰু সহঃ সম্পাদক মহেশ্বৰ বসুমতাৰীয়ে এক প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়া মতে, 'ৰ'দালি'য়ে সফলতাৰে পাঁচটা বৰ্ষ অতিক্ৰম কৰাৰ উপলক্ষে অহা ১৩ছেপ্টেম্বৰ, ২০২৬ তাৰিখে সৰুপথাৰ দক্ষিণ উন্নয়ন খণ্ডৰ প্ৰেক্ষাগৃহত 'পঞ্চম বৰ্ষপূৰ্তি অনুষ্ঠান' আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উক্ত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানতে বিগত সময়ছোৱাত 'ৰ'দালি' কাব্যালোচনীলৈ প্ৰতিমাহে নিয়মীয়াকৈ কবিতা প্ৰেৰণ কৰাৰ লগতে বিভিন্ন দিশত নিঃস্বাৰ্থভাৱে অভূতপূৰ্ব বৰঙণি আগবঢ়োৱা গুৱাহাটী বেলতলা নিবাসী হিৰু পাঠক কলিতাক 'ৰ'দালি কাব্য বঁটা ২০২৬' প্ৰদান কৰা হ'ব। অনুষ্ঠানত স্থানীয় লেখক-কবিসকলৰ সৈতে মতবিনিময় কৰিবলৈ অসমৰ কেইবাগৰাকীও বিশিষ্ট কবি-সাহিত্যিক উপস্থিত থাকিব। ইয়াৰ উপৰি 'ৰ'দালি প্ৰকাশন'ৰ পৰা প্ৰকাশ পাবলগীয়া অসমৰ বিভিন্ন প্ৰান্তৰ লেখক তথা কবিৰ প্ৰায় বিশখন গ্ৰন্থও উন্মোচন কৰা হ'ব। ইফালে, 'ৰ'দালি' কাব্যালোচনীৰ সম্পাদনা সমিতিয়ে 'পঞ্চম বৰ্ষপূৰ্তি' উপলক্ষে ৰাজ্যিক ভিত্তিত আয়োজন কৰা শান্তিৰাম বুঢ়াগোহাঁই সোঁৱৰণী স্বৰচিত কবিতা লিখা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰে। এক বিশেষ বিচাৰক মণ্ডলীয়ে প্ৰতিযোগিতাৰ কবিতাসমূহ বিচাৰ কৰি নিৰ্বাচন কৰা ফলাফল অনুসৰি—প্ৰথম স্থান পৰী প্ৰিয়া হাজৰিকা, ডিব্ৰুগড় আৰু দ্বিতীয় স্থান গুৱাহাটীৰ ছয়মাইল-চচলৰ শ্যাম সুন্দৰ শৰ্মাই পাবলৈ সক্ষম হৈছে। বিজয়ীসকলক অহা ১৩ছেপ্টেম্বৰ, ২০২৬ তাৰিখে অনুষ্ঠিত হ'বলগীয়া 'ৰ'দালি'ৰ পঞ্চম বৰ্ষপূৰ্তি অনুষ্ঠানত পুৰস্কাৰ প্ৰদান কৰা হ'ব। 'ৰ'দালি' প্ৰকাশন আৰু কাব্যালোচনীৰ সমূহ সুহৃদ কবি, শ্ৰদ্ধাৰ পাঠক তথা শুভাকাংক্ষীসকলৰ সুদিহা-পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰাৰ লগতে পঞ্চম বৰ্ষপূৰ্তিৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সকলোৰে উপস্থিতি 'ৰ'দালি' কৰ্তৃপক্ষই বিনম্ৰভাৱে কামনা কৰিছে।

# ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমস্যা সমাধানৰ দাবীত ৰহাত জাতীয় সংগঠনৰ উত্তাল প্ৰতিবাদী ধৰ্ণা

**অসম বাৰ্তা, ৰহা, ১ ছেপ্তেম্বৰ ঃ** ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সামগ্ৰিক যাতায়াত ব্যৱস্থাৰ জৰাজীৰ্ণ অৱস্থা আৰু ৰহা টোলগেটকে ধৰি বিভিন্ন জ্বলন্ত সমস্যা সমাধানৰ দাবীত আজি ৰহাত প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ অৰ্থাৎ NHAI ৰ অধীনত থকা অসমৰ উজনি-নামনি সংযোগী ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সামগ্ৰিক যাতায়াত ব্যৱস্থা অতি জটিল আৰু স্পৰ্শকাতৰ পৰিৱেশত অব্যাহত আছে। মূল পথকে ধৰি উপপথ, আণ্ডাৰপাছ, বাছ আস্থান, টোলগেট আদিৰ সামগ্ৰিক ব্যৱস্থা বিভাগীয় বিধি-বিধান অনুসৰি নিয়মিত মেৰামতি হোৱা নাই। বিশেষকৈ বৃহত্তৰ ৰহা অঞ্চলৰ যাতায়াত ব্যৱস্থা মুঠেই উন্নত নহয়। এই জ্বলন্ত সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত বিগত সময়ত অসম চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত বহুবাৰ আলোচনা কৰা হৈছিল যদিও কেৱল প্ৰতিশ্ৰুতিহে লাভ কৰা বুলি অভিযোগ। সেয়েহে ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি আজি পুৱা ১১ বজাত ৰহা দেৱৰাগুৰি ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত এক প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই ধৰ্ণাত ৰহা আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিৱা ছাত্ৰ সন্থা, মানৱ অধিকাৰ সংগ্ৰাম সমিতিকে ধৰি কেবাটাও জাতীয় সংগঠনৰ লগতে স্থানীয় বিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইফালে ধৰ্ণা চলি থকাৰ মাজতে ধৰ্ণা স্থলীত উপস্থিত হয় নগাঁও জিলাৰ উপায়ুক্ত দেৱাশিস শৰ্মা। উপায়ুক্ত গৰাকীয়ে পৰিস্থিতিৰ বুজ লৈ ৰাইজৰ সমস্যা সমূহ শীঘ্ৰে সমাধান কৰিব বুলি আশ্বাস প্ৰদান কৰা লগতে ক্ষেত্ৰীত পথ দুৰ্ঘটনাত নিহত সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰে।

দৰিদ্ৰ পিতৃ-মাতৃৰ মুখ্যমন্ত্ৰীক সহায়ৰ আহ্বান

# জটিল ৰোগত আক্ৰান্ত ভৰাগুৰিৰ এটি ন-বছৰীয়া শিশু

**অসম বাৰ্তা, পুৰণিগুদাম, ১ ছেপ্তেম্বৰ ঃ** পখিলা খেদি ফুৰাৰ বয়সতে এক জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে এটি কণমাণি শিশু। ন-বছৰীয়া শিশুটিৰ নাম সপোনজ্যোতি বৰুৱা। নগাঁও জিলাৰ বড়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ভৰাগুৰি গাঁৱৰ নিবাসী কৃষ্ণকমল বৰুৱা আৰু মামু বৰুৱাৰ কনিষ্ঠ পুত্ৰ সপোনজ্যোতি বৰ্তমান এটা জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটী মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন হৈ আছে। ভৰাগুৰি শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ সপোনজ্যোতিৰ চিকিৎসাৰ বাবে দৰিদ্ৰ পৰিয়ালটো আৰ্থিক সংকটত ভুগিছে। হাতত থকা সাঁচতীয়া টকা আৰু ধাৰ-ঋণ লৈ দৰিদ্ৰ পিতৃ-মাতৃয়ে সপোনজ্যোতিৰ চিকিৎসা কৰাইছে যদিও সপোনজ্যোতিৰ উন্নত চিকিৎসাৰ বাবে বৰ্তমান বহু অৰ্থৰ প্ৰয়োজন হৈ পৰিছে বুলি দৰিদ্ৰ পিতৃ-মাতৃয়ে এই প্ৰতিবেদকক জানিবলৈ দিছে। কণমাণি সপোন জ্যোতিৰ দৰিদ্ৰ পিতৃ-মাতৃয়ে কোনো সদাশয় হৃদয়বান ব্যক্তি, দল-সংগঠন, বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক শিশুটিক উন্নত চিকিৎসাৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰিবলৈ লগতে শিশুটিক উন্নত চিকিৎসাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। দৰিদ্ৰ পৰিয়ালটোৰ লগত যোগাযোগ কৰিব বিচাৰিলে ৯১০১০৭২৯০০ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# কমাৰগাঁও আঞ্চলিক সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, নুমলীগড়, ১ ছেপ্তেম্বৰ ঃ** বোকাখাত সমজিলাৰ অধীনৰ বৃহত্তৰ কমাৰগাঁও অঞ্চলৰ অন্যতম শক্তিশালী জাতীয় সংগঠন কমাৰগাঁও আঞ্চলিক সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ নতুন সমিতিখন গঠন কৰে। এই উপলক্ষে আয়োজিত ৰাজহুৱা সভাত সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী কোষেশ্বৰ শইকীয়াই। সভাতেই সৰ্বসন্মতি ক্ৰমে টুৰিষ্ট সোণোৱালক সভাপতি ৰূপে, চয়নিকা সোণোৱাল আৰু চিৰঞ্জীৱ সোণোৱালক উপ-সভাপতি ৰূপে, মানসজ্যোতি শইকীয়াক সাধাৰণ সম্পাদক ৰূপে, হিমাঞ্জলী সোণোৱাল আৰু হিমাংশু সোণোৱালক সহঃসাধাৰণ সম্পাদক ৰূপে, কুঞ্জ হাজৰিকা আৰু অন্বেষা সোণোৱালক শিক্ষা আৰু সাহিত্য সম্পাদক ৰূপে, বৰ্ণালী সোণোৱাল আৰু পিয়োছ সোণোৱালক সাংস্কৃতিক সম্পাদক ৰূপে, ৰিচি সোণোৱাল আৰু ঋতুৰাজ সোণোৱালক সাংগঠনিক সম্পাদক ৰূপে, মাধুৰ্য সোণোৱালক সহকাৰী সাংগঠনিক সম্পাদক ৰূপে, ৰাজদ্বীপ সোণোৱালক তথ্য আৰু প্ৰচাৰ সম্পাদক ৰূপে, মনোৰঞ্জন শইকীয়াক কাৰ্যালয় সম্পাদক ৰূপে, মৌচুমজিৎ সোণোৱালক ক্ৰীড়া সম্পাদক ৰূপে আৰু ক্ষীৰোদ শইকীয়াক বিত্ত সম্পাদক ৰূপে নিৰ্বাচিত কৰি কমাৰগাঁও আঞ্চলিক সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ এখনি শক্তিশালী নতুন সমিতি গঠন কৰে। নৱগঠিত বিষয়ববীয়া সকলক শপত বাক্য পাঠ কৰায় গোলাঘাট জিলা সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি তৰুণ সোণোৱালে। সভাত গোলাঘাট জিলা সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ কেইবাজনো বিষয়ববীয়াৰ লগতে বিশিষ্ট ব্যক্তি সকলে নতুন সমিতিৰ বিষয়ববীয়া সকলক সমাজৰ উন্নয়নৰ স্বাৰ্থত কাম কৰিব যাবলৈ দিহা-পৰামৰ্শ দি বক্তব্য প্ৰদান কৰে।

## কৃত্ৰিম বানপানী, পথ মেৰামতি, ষ্ট্ৰীট লাইট আৰু নলা-নৰ্দমা নিৰ্মাণক লৈ নাগৰিকৰ ক্ষোভ

# দেৰগাঁৱৰ ৩ আৰু 8 নং ৱাৰ্ডৰ সমস্যা সমাধানৰ লক্ষ্যৰে ৰাজহুৱা সভা

**অসম বাৰ্তা, দেৰগাঁও, ১ ছেপ্তেম্বৰ ঃ** দেৰগাঁও পৌৰাঞ্চলৰ ৩ নং আৰু 8 নং ৱাৰ্ডৰ বাসিন্দাসকলে দীৰ্ঘদিন ধৰি সন্মুখীন হৈ অহা বিভিন্ন নাগৰিক সমস্যা সমাধানৰ দাবীত সোমবাৰে এক গুৰুত্বপূৰ্ণ ৰাজহুৱা সভা অনুষ্ঠিত হয়। দেৰগাঁৱৰ বিধায়ক ড° মৃদুল কুমাৰ দত্তৰ উপস্থিতিত অনুষ্ঠিত সভাখনত ৱাৰ্ড দুটাৰ বিভিন্ন সমস্যা সম্পৰ্কে স্থানীয় ৰাইজে মুকলিকৈ মতামত প্ৰকাশ কৰাৰ লগতে শীঘ্ৰে সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। সভাখনত বিশেষকৈ কৃত্ৰিম বানপানী, পথৰ দুৰৱস্থা আৰু মেৰামতি, ৰাস্তাৰ কাষত নলা-নৰ্দমাৰ অভাৱ, ষ্ট্ৰীট লাইটৰ সমস্যা আদি বিষয়ই বিশেষ গুৰুত্ব লাভ কৰে। বৰষুণৰ সময়ত নলা-নৰ্দমা আৰু পানী নিষ্কাশনৰ উপযুক্ত ব্যৱস্থা নথকাৰ ফলত বিভিন্ন অঞ্চলত কৃত্ৰিম বানপানীৰ সৃষ্টি হৈ জনসাধাৰণৰ যাতায়াতত ব্যাপক অসুবিধাৰ সৃষ্টি হোৱা বুলি ৰাইজে সভাত অভিযোগ উত্থাপন কৰে। ইফালে, ৱাৰ্ড দুটাৰ একাংশ পথ বহুদিন ধৰি মেৰামতি নোহোৱাৰ ফলত পথসমূহ জৰাজীৰ্ণ হৈ পৰাৰ অভিযোগো উত্থাপিত হয়। বিশেষকৈ বৰষুণৰ সময়ত বোকা-পানী আৰু গাঁতসমূহৰ বাবে পথচাৰী তথা যান-বাহনৰ চলাচলত যথেষ্ট সমস্যাৰ সৃষ্টি হোৱা বুলি স্থানীয় বাসিন্দাসকলে বিধায়কগৰাকীৰ দৃষ্টিগোচৰ কৰে। সভাত ৰাস্তাৰ কাষত বিজ্ঞানসন্মতভাৱে নলা-নৰ্দমা নিৰ্মাণ, পানী নিষ্কাশনৰ স্থায়ী ব্যৱস্থা, জৰাজীৰ্ণ পথসমূহ মেৰামতি তথা প্ৰয়োজনীয় স্থানত নতুন পথ নিৰ্মাণ আৰু ৱাৰ্ড দুটাত পৰ্যাপ্ত ৰাস্তাৰ বিজুলী বাতি (ষ্ট্ৰীট লাইট) স্থাপনৰ দাবী উত্থাপন কৰা হয়। সন্ধিয়াৰ পিছত একাংশ পথত পৰ্যাপ্ত পোহৰৰ অভাৱত সাধাৰণ ৰাইজে অসুবিধাৰ সন্মুখীন হোৱাৰ কথাও সভাত অৱগত কৰা হয়। ৰাইজৰ অভিযোগ আৰু দাবীসমূহ মনোযোগেৰে শুনি বিধায়ক ড° মৃদুল কুমাৰ দত্তই সংশ্লিষ্ট সমস্যাসমূহৰ গুৰুত্ব বিবেচনা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগ আৰু কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰাৰ আশ্বাস প্ৰদান কৰে। বিশেষকৈ পানী নিষ্কাশন ব্যৱস্থা উন্নত কৰা, পথৰ মেৰামতি আৰু ষ্ট্ৰীট লাইটৰ সমস্যাসমূহ পৰ্যায়ক্ৰমে সমাধান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ৰাজহুৱা সভাখনত ৱাৰ্ড দুটাৰ বহু সংখ্যক বাসিন্দাই অংশগ্ৰহণ কৰি নিজৰ নিজৰ অঞ্চলৰ সমস্যা বিধায়কগৰাকীৰ সন্মুখত দাঙি ধৰে। দীৰ্ঘদিন ধৰি সমাধান নোহোৱা সমস্যাসমূহৰ ক্ষেত্ৰত শীঘ্ৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি ৰাইজে আশা প্ৰকাশ কৰে। স্থানীয় ৰাইজৰ মতে, কেৱল সাময়িকভাৱে সমস্যা সমাধান কৰাৰ পৰিৱৰ্তে পানী নিষ্কাশন, পথ আৰু নলা-নৰ্দমাৰ ক্ষেত্ৰত দীৰ্ঘম্যাদী পৰিকল্পনাৰে কাম কৰিলে ভৱিষ্যতে কৃত্ৰিম বানপানীকে ধৰি অন্যান্য নাগৰিক সমস্যাৰ পৰা ৱাৰ্ড দুটাৰ বাসিন্দাসকলে স্থায়ীভাৱে সকাহ লাভ কৰিব।

# মাজুলীৰ কমলাবাৰীত পুনৰ ভয়ংকৰ পথ দুৰ্ঘটনা

## নিয়ন্ত্ৰণ হেৰুৱাই গছত খুন্দা; দুজন গুৰুতৰভাৱে আহত



**অসম বাৰ্তা, উজনী মাজুলী, ১ ছেপ্তেম্বৰ ঃ** মাজুলীৰ কমলাবাৰীত পুনৰ আজি পুৱা সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুজন লোক গুৰুতৰভাৱে আহত হয়। জিলাখনৰ এনএলকে (NLK) পথৰ দৰিয়াপাৰৰ মাজুলী মহাবিদ্যালয়ৰ খেলপথাৰৰ সন্মুখত পুৱা প্ৰায় ৭.৪৫ বজাত এই দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে, AS-29-C-0180 নম্বৰৰ এখন বাহন গড়মূৰ দিশৰ পৰা কমলাবাৰী অভিমুখে গৈ থকা অৱস্থাত চালকে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ এজোপা গছত প্ৰচণ্ড জোৰে খুন্দা মাৰে। খুন্দা ইমানেই প্ৰচণ্ড আছিল যে বাহনখনৰ সন্মুখভাগ সম্পূৰ্ণৰূপে চূৰ্ণ-বিচূৰ্ণ হৈ পৰে। প্ৰত্যক্ষদৰ্শীৰ মতে, বাহনখন তীব্ৰ বেগেৰে আহি আছিল। অত্যধিক বেগৰ ফলতেই চালকে নিয়ন্ত্ৰণ হেৰুৱাই এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি প্ৰাথমিকভাৱে অনুমান কৰা হৈছে। দুৰ্ঘটনাৰ সময়ত বাহনখনত চালকৰ উপৰি আন এজন যাত্ৰীও আছিল। দুয়োজনেই গুৰুতৰভাৱে আহত হোৱাত স্থানীয় ৰাইজে তৎপৰতাৰে উদ্ধাৰ কৰি সংকটজনক অৱস্থাত কমলাবাৰী চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইফালে, ঘটনাৰ খবৰ পাই আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ বাহনখন জব্দ কৰাৰ লগতে দুৰ্ঘটনাৰ প্ৰকৃত কাৰণ নিৰ্ণয়ৰ উদ্দেশ্যে তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ প্ৰাথমিক ধাৰণা অনুসৰি, তীব্ৰ বেগেই এই ভয়ংকৰ পথ দুৰ্ঘটনাৰ অন্যতম কাৰণ হ'ব পাৰে। উল্লেখযোগ্য যে কালি কমলাবাৰীৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ সন্মুখত দুৰ্ঘটনা সংঘটিত হৈ গাড়ীৰে সৈতে দ খাৱৈত পৰাত অসমৰ চলচ্চিত্ৰ পৰিচালক নিমানন্দ দাসৰ অকাল মৃত্যু হৈছিল।

# নাজিৰাৰ লিগিৰী পুখুৰীস্থ ১ম অসম আৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস উদযাপন

**অসম বাৰ্তা, নামতি, ১ ছেপ্তেম্বৰ ঃ** আজি অসমৰ প্ৰথমটো আৰক্ষী বাহিনীৰ ৭৮তম্ প্ৰতিষ্ঠা দিৱস। বৃটিছ ৰাজত্ব কালত ১৯৪২ চনত Assam Rail Force নামেৰে প্ৰতিষ্ঠা হোৱাৰ পৰৱৰ্তী সময়ত বিশ্বযুদ্ধ সময়ত Auxiliary Force ৰূপে নিয়োজিত কৰা বাহিনীটোৱে যুদ্ধত অৱতীৰ্ণ হৈছিল। আৰু তাৰ পৰৱৰ্তী সময়ত ১৯৪২ চনৰ ১৫ জুলাই তাৰিখে ১ম অসম আৰক্ষী বাহিনী হিচাপে নামকৰণ কৰা হয় আৰু ১৯৫২ চনৰ ১ আগষ্ট তাৰিখে অসমৰ প্ৰথম বাহিনী দেৰগাঁৱৰ কপাঁহতলি পথাৰত গঠন হয়। পৰৱৰ্তী সময়ত ১৯৮৩ চনত এই বাহিনী লিগিৰী পুখুৰীলৈ স্থানান্তৰিত কৰা হয়। বাহিনীটোৰ প্ৰথম অধিনায়াক H F G Burbidge চাহাবে দায়িত্ব গ্ৰহণ কৰা পাছৰে পৰা অৰ্থাৎ ১৯৪৮ চনৰ ০১ ছেপ্টেম্বৰ তাৰিখে প্ৰতিষ্ঠা দিৱস হিচাপে ধাৰ্য্য কৰি আজিৰ এই দিনটোক প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰি আহিছে। আজিৰ এই পবিত্ৰ দিনটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকে IGP (ER) কংকন জ্যোতি শইকীয়া লগতে বাহিনীৰ অধিনায়ক মুছলেহ উদ্দিন আহমেদ। ভাষণ প্ৰসংগত আৰক্ষী জনগণৰ লগতে দেশৰ নিৰাপত্তা আৰু জনসাধাৰণৰ হিত সাধনাৰ্থে নিষ্ঠা সহকাৰে কৰ্ত্তব্য পালন কৰা উচিত আৰু সেই কৰ্ত্তব্য পালন কৰিবলৈ যাওঁতে অজস্ৰজনে নিজৰ জীৱন উৎসৰ্গা কৰিব লগা হৈছে। নিজৰ জীৱন উৎসৰ্গা কৰি দেশ আৰু জনগণৰ নিৰাপত্তাত নিয়োজিত অমৰ জোৱান তথা বীৰ শ্বহীদ সকলৰ ত্যাগ চিৰকাললৈ স্মৰণীয় হৈ থাকিব বুলি মতপোষণ কৰে। বাহিনীৰ আৱাসী সকলৰ কাৰণে বিশুদ্ধ খোৱাপানী ব্যৱস্থা স্থায়ীভাৱে কৰি দিয়াত অধিনায়ক মুছলেহ উদ্দিন আহমেদক আৱাসী মহিলা সকলে বিশেষ ভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। পুৱা শ্বহীদ তৰ্পণ, বৃক্ষ ৰোপণেৰে কাৰ্যসূচী শুভাৰম্ভ কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ বিয়লি প্ৰীতি ফুটবল প্ৰতিযোগিতা আৰু সন্ধিয়া বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানেৰে কাৰ্যসূচী সামৰণি পৰে।

# মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উদ্যোগত শিক্ষক ক্ৰীড়া সমাৰোহত শঙ্কৰদেৱ মহাবিদ্যালয়ৰ সাফল্য

**অসম বাৰ্তা, বান্দৰদেৱা, ১ ছেপ্তেম্বৰ ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰত অৱস্থিত একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান শঙ্কৰদেৱ মহাবিদ্যালয়ে ক্ৰীড়া ক্ষেত্ৰত আন এক উল্লেখযোগ্য সাফল্য অৰ্জন কৰি অঞ্চলটোলৈ কঢ়িয়াই আনিছে গৌৰৱৰ বতৰা। মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উদ্যোগত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ লগত সংগতি ৰাখি ২৯ আৰু ৩০ আগষ্ট, ২০২৬ তাৰিখে অনুষ্ঠিত হোৱা প্ৰথম বৰ্ষৰ TEACHERS' SPORTS MEET 2026ত মহাবিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকলে বিভিন্ন শিতানৰ ক্ৰীড়া প্ৰতিযোগিতাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি নিজৰ ক্ৰীড়া প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰে। প্ৰতিযোগিতাখনত শঙ্কৰদেৱ মহাবিদ্যালয়ে পুৰুষৰ ক্ৰিকেটত প্ৰথম স্থান, পুৰুষৰ ফুটবলত ৰানাৰ্চ আপ, মহিলাৰ ফুটবলত প্ৰথম স্থান আৰু মহিলাৰ ৰচী টনা প্ৰতিযোগিতাত ৰানাৰ্চ আপ লাভ কৰি গৌৰৱৰ ধ্বজা উৰুৱাবলৈ সক্ষম হয়। মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মুঠ আঠখন মহাবিদ্যালয়ে অংশগ্ৰহণ কৰা এই ক্ৰীড়া সমাৰোহত শঙ্কৰদেৱ মহাবিদ্যালয়ৰ এই সামগ্ৰিক সাফল্য বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। শিক্ষক-কৰ্মচাৰীসকলৰ ঐক্যবদ্ধ প্ৰয়াস, ক্ৰীড়াসুলভ মনোভাৱ আৰু অদম্য উৎসাহ-উদ্দীপনাই এই সফলতাৰ পথ প্ৰশস্ত কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সোণাৰাম কলিতাই এই গৌৰৱময় সাফল্যৰ বাবে অংশগ্ৰহণকাৰী শিক্ষক-কৰ্মচাৰীসকলক আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ নিষ্ঠা, একাগ্ৰতা আৰু দলীয় প্ৰচেষ্টাৰ ভূয়সী প্ৰশংসা কৰে। এই সাফল্যই মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিসৰৰ লগতে ক্ৰীড়া ক্ষেত্ৰতো এক নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিলে বুলি তেওঁ আশা প্ৰকাশ কৰে।

# ৰাহুল গান্ধীৰ বিৰুদ্ধে এজাহাৰৰ প্ৰতিবাদত বাক্সাত জিলা কংগ্ৰেছৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, শালবাৰী, ১ ছেপ্তেম্বৰ ঃ** লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ বিৰুদ্ধে ৰুজু কৰা এজাহাৰৰ (FIR) বিৰুদ্ধে বা'ক্সা জিলা কংগ্ৰেছ কমিটিৰ উদ্যোগত এক উত্তাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৩১ আগষ্টৰ সন্ধিয়া ৬: ০০ বজাত বাক্সা জিলা কংগ্ৰেছ কমিটিৰ সাউদৰভিটাৰ কাৰ্যালয়স্থিত কনফাৰেন্স হল প্ৰাংগনত এই প্ৰতিবাদী সমদল আৰু সভা অনুষ্ঠিত হয়। প্ৰতিবাদকাৰীসকলে উত্তৰাখণ্ডত কংগ্ৰেছ নেতা-কৰ্মীৰ ওপৰত হোৱা অন্যায় আৰু ৰাহুল গান্ধীৰ বিৰুদ্ধে ভুৱা গোচৰ তৰাৰ অভিযোগ তুলি বিজেপি চৰকাৰৰ বিৰুদ্ধে বিভিন্ন প্ৰতিবাদী শ্লোগান দিয়ে। লগতে, উত্তৰাখণ্ডৰ ঘটনাত জড়িত বিজেপি কৰ্মীসকলৰ বিৰুদ্ধেও অবিলম্বে এজাহাৰ ৰুজু কৰাৰ দাবী জনায়। প্ৰতিবাদস্থলীত উপস্থিত থকা কংগ্ৰেছ নেতা-কৰ্মীসকলে কয়—"সত্যৰ মাত কেতিয়াও স্তব্ধ কৰিব নোৱাৰি।" তেওঁলোকে বিজেপি চৰকাৰক ৰাজনৈতিক প্ৰতিশোধমূলক আচৰণ বন্ধ কৰিবলৈ আৰু গণতান্ত্ৰিক মূল্যবোধক হত্যা নকৰিবলৈ সকীয়াই দিয়ে। কাৰ্যসূচীত জিলা কংগ্ৰেছৰ কেইবাজনো জ্যেষ্ঠ নেতা আৰু বিপুল সংখ্যক কৰ্মীয়ে ব্যানাৰ-প্লেকাৰ্ড হাতত লৈ প্ৰতিবাদ সাব্যস্ত কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন